জেউতি চৰাই যাওঁ

৪৮ তম্

# জ্যোতিষ্মান

২০১৯-২০ বৰ্ষ



সম্পাদক ঃ

বন্যা হাজৰিকা

# গোলাঘাট বাণিজ্য মহাবিদ্যালয় সমবেত সংগীত

গীতিকাৰ ঃ পোনাৰাম নেওগ
প্ৰতিষ্ঠাপক অধ্যক্ষ

জেউতি চৰাই যাওঁ
জেউতি চৰাই যাওঁ
দুবৰি বনৰ পাতৰ আঁৰত
কিজানি মুকুতা পাওঁ।
জেউতি চৰাই যাওঁ।।

ভৱ সাগৰৰ বুকুত আমি
পাল তৰি ল'লোঁ নাও
পাল ফাটি গ'লে ব'ঠা বাই বাই
সিপাৰে কি আছে চাওঁ;
জেউতি চৰাই যাওঁ।।

মুক্ত আকাশত হংসৰ জাক
অসীম তৃষ্ণাতুৰে
আমাৰ চকুতো অসীম দৃষ্টি
লক্ষ্য আগুৱাই যাওঁ।
জেউতি চৰাই যাওঁ।

নৱ জেউতিৰ পৰশত সৌৰা
মৰহা কংকালে জীৱন পালে
বন্ধ আত্মা জিকাৰি উঠিল
মুকুতা মহা সংগীত দলে
শ্মশানত আমি গোলাপী সৌৰভ
বিলাই বিলাই যাওঁ।
জেউতি চৰাই যাওঁ।

জয়ধ্বনি কৰা সবে
জয় মানৱৰ জয়
জয়ধ্বনি কৰা সবে
প্ৰতিষ্ঠাতাৰ জয়।

এই মন্দিৰত সোমাই আহা
জ্ঞান-পূজাৰীৰ দল,
পণ কৰা হে দীন-দুখীয়াক
বিলাম নতুন বল
সেৱাৰ মহিমা গাঁও।
জেউতি চৰাই যাওঁ।।

৪৮ তম

# জ্যোতিষ্মান

২০১৯-২০ বৰ্ষ

গোলাঘাট বাণিজ্য মহাবিদ্যালয়

শ্ৰদ্ধা প্ৰীতি আৰু শুভেচ্ছাৰে....

শ্ৰী/শ্ৰীমতী.......................................................................................

.......................................................................................ৰ হাতত

জ্যোতিষ্মান'ৰ এই সংখ্যাটি অৰ্পণ কৰিলোঁ।

সম্পাদক ঃ
বন্যা হাজৰিকা

**Golaghat Commerce College Magazine**
**JYOTISMAN :**

*Annual Magazine of Students' Union, Golaghat Commerce College, Edited by Banya Hazarika, Publihed on Behalf of Students' Union 2019-20, Golaghat Commerce College. Printed at Prabhati Printers, Golaghat.*



## সম্পাদনা সমিতি—

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° উৎপল শৰ্মা |
| উপদেষ্টা | ঃ | ড° দীপালি গগৈ |
| | | অৰ্চনা নাথ |
| সম্পাদক | ঃ | বন্যা হাজৰিকা |
| বেটুপাত | ঃ | আটলাণ্টা সন্দিকৈ |
| সামগ্ৰিক পৰিকল্পনা | ঃ | সম্পাদক |
| অলংকৰণ | ঃ | পুলক বৰচেতিয়া |
| প্ৰকাশক | ঃ | ছাত্ৰ একতা সভা ২০১৯-২০ বৰ্ষ, গোলাঘাট বাণিজ্য মহাবিদ্যালয় |
| মুদ্ৰণ | ঃ | প্ৰভাতী প্ৰিণ্টাৰ্ছ, গোলাঘাট |

বিঃ দ্ৰঃ 'জ্যোতিষ্মান'ত প্ৰকাশ পোৱা লেখনীসমূহৰ বাবে সম্পাদনা সমিতি দায়ী নহয়।

# উসৰ্গা

সততাক সাৰথি হিচাপে লৈ
অন্যায় অনৈতিকতাৰ বিৰুদ্ধে কলমৰ জৰিয়তে
নিৰ্ভয়ে থিয় দিয়া আৰু প্ৰত্যেককে সঠিক পথ দেখুৱায়,
প্ৰত্যেকৰে মাজত সংগ্ৰামী মনোভাৱ গঢ়ি তুলিবলৈ যুঁজ দিয়া
প্ৰতিগৰাকী সাহিত্যিকৰ প্ৰতি কৃতজ্ঞতাৰে
এই সংখ্যাৰ জ্যোতিষ্মান উসৰ্গা কৰা হ'ল।

Prof. Jahnabi Gogoi Nath, M.A., Ph.D.
Vice-Chancellor i/c

DIBRUGARH UNIVERSITY
DIBRUGARH • PIN – 786 004 • ASSAM
Phone : 0373-2370239 (Off)
Mobile : 9435455220
E-mail : vc@dibru.ac.in

# Message from the Vice-Chancellor

I am extremely happy to learn that the students of Golaghat Commerce College is going to publish the 48th issue of their Annual College Magazine 'JYOTISHMAN' in the coming days. College magazines provide the students with an opportunity to put their creative and innovative talent, cultivate and fertilize their innate abilities and, it allows, at the same time, the faculties- particularly the younger ones, to visualize their dream of discovery and critical thinking. It therefore acts as a playground for the younger minds and also as a connecting link between the society and the 'social-being'. Indeed, a magazine created and published by the students of a College reflects on the mission and the vision of our younger generations in the making of their future.

I have all the best wishes towards the publication of the 48th issue of the magazine and I would also like to congratulate all those students and teachers whose endeavour would lead to its publication.

Jahnabi Gogoi
6/11/21
(Prof. J.G. Nath)
Vice-Chancellor i/c
Dibrugarh University

Prof. Jahnabi Gogoi Nath , M.A., Ph.D.
Vice-Chancellor i/c

DIBRUGARH UNIVERSITY
DIBRUGARH • PIN – 786 004 • ASSAM
Phone : 0373-2370239 (Off)
Mobile : 9435455220
E-mail : vc@dibru.ac.in

## Message from the Vice-Chancellor

I am extremely happy to learn that the students of Golaghat Commerce College is going to publish the 48th issue of their Annual College Magazine 'JYOTISHMAN' in the coming days. College magazines provide the students with an opportunity to put their creative and innovative talent, cultivate and fertilize their innate abilities and, it allows, at the same time, the faculties- particularly the younger ones, to visualize their dream of discovery and critical thinking. It therefore acts as a playground for the younger minds and also as a connecting link between the society and the 'social-being'. Indeed, a magazine created and published by the students of a College reflects on the mission and the vision of our younger generations in the making of their future.

I have all the best wishes towards the publication of the 48th issue of the magazine and I would also like to congratulate all those students and teachers whose endeavour would lead to its publication.

(Prof. J.G. Nath)
Vice-Chancellor i/c
Dibrugarh University



# MESSAGE

## FROM THE PRINCIPAL'S DESK

Golaghat Commerce College was established in the year 1972with the intention of offering value based and quality education to the locals of greater Golaghat area. The aim of our college is to help our students to grow in to fine human beings who can capable of facing the challenges of the present world.

We fortunately have a committed and supportive management, dedicated teachers, caring and cooperative parents, which blend harmoniously to create a holistic, student centric environment, at Golaghat Commerce College. It is natural to find in this ambience, the intensive use of a variety of thinking, activities, strategies and group dynamics so that the class rooms become alive.

Dear students, ensure your participation in all college activities. Our college magazine is also such an window through which you can enter into various fields of application of your skills like writing, editing, art, photography and even designing the magazine. This edition of our college magazine "Jyotishman" is a milestone that marks our growth, unfolds our imaginations and gives light to our thoughts and aspirations.

I congratulate thee ntire editorial team for their hard work and dedication that has resulted in the publication of this issue of the college magazine.

(Dr. Utpal Sarma)
**Principal**
**Golaghat Commerce College**



ড° উৎপল শৰ্মা
অধ্যক্ষ

# সম্পাদনা সমিতি



ড° উৎপল শৰ্মা
সভাপতি



ড° দীপালি গগৈ
উপদেষ্টা



অৰ্চনা নাথ
উপদেষ্টা



বন্যা হাজৰিকা
সম্পাদক



মহাবিদ্যালয়ৰ শিক্ষক গোটৰ একাংশ




গ্ৰন্থাগাৰৰ কৰ্মচাৰীবৃন্দ



মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ





# সম্পাদকীয়

**অবাঞ্চিত লকডাউন আৰু শিক্ষাব্যৱস্থা ঃ**

বৰ্তমান যুগত শিক্ষাব্যৱস্থাৰ সংস্কাৰ সাধনৰ বাবে ন ন পদ্ধতি গ্ৰহণ কৰা হৈছে। প্ৰত্যেকজন নাগৰিকেই যাতে শিক্ষিত হয় তাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰি অহা হৈছে। দেশৰ মানৱ সম্পদ গঠনৰ বাবে চৰকাৰী ব্যৱস্থাপনা গঢ়ি তোলাও পৰিলক্ষিত হৈছে। কিন্তু এইসমূহ কৰাৰ পাছতো কোনো বিশেষ পৰিৱৰ্তন দেখা পোৱা নাযায়। তাৰ মাজতে সকলোৰে বাবে অপেক্ষা কৰি আছিল আন এক প্ৰত্যাহ্বান। ২০১৯ চনত চীনত উৎপত্তি হোৱা ক'ৰুণা মহামাৰী সমগ্ৰ বিশ্বৰ লগতে ভাৰতত বিয়পি পৰোতেও বৰ বিশেষ সময় লগা নাছিল, ক'ৰনাৰ ভয়ংকৰ ত্ৰাসে শিক্ষা খণ্ডৰ লগতে প্ৰায় সকলোতে সৃষ্টি কৰিছিল এক অনাকাংক্ষিত স্তব্ধতাৰ।

২০২০ চনত ভাৰতত বৃদ্ধি পোৱা ক'ৰনাৰ সংক্ৰমনৰ বাবে চৰকাৰে লকডাউনৰ ঘোষণা কৰাৰ পাছতে সলনি হৈ পৰিছিল শিক্ষাৰ পৰিৱেশ। বিদ্যালয়ত পাঠদান কৰিব নোৱাৰাত প্ৰয়োজন হৈছিল অনলাইন পাঠদানৰ। পৰীক্ষা অনুষ্ঠিত কৰিব নোৱাৰি বাতিল কৰা সিদ্ধান্ত গ্ৰহণ কৰিলে। কিন্তু প্ৰশ্ন হয় যিখন দেশত লাখ লাখ মানুহে দুবেলা দুমুঠি খাবলৈ চিন্তা কৰিব লাগে, সেইখন দেশৰ কিমান ছাত্ৰ-ছাত্ৰীয়ে স্মাৰ্টফোনত অনলাইন শিক্ষাৰ সুবিধা ল'ব পাৰিছে? যিসময়ত আমাৰ দেশত এনে বহু গাঁও, অঞ্চল আছে য'ত বৰ্তমানো বিজুলীৰ পোহৰ পৰা নাই, তেনে সময়ত অনলাইন পাঠদানেৰে সমস্যাৰ সমাধান কৰিবলৈ চেষ্টা কৰাটো কিমান যুক্তিকৰ? যিসকল ছাত্ৰ-ছাত্ৰীয়ে অনলাইন পাঠদানৰ সুবিধা লাভ কৰিছে তাৰ মাজত প্ৰকৃততে কিমান উপকৃত হৈছে এইটোও এটা ডাঙৰ প্ৰশ্ন। খেলা-ধূলা বিদ্যালয়ত বন্ধু-বান্ধৱীৰ সৈতে শিক্ষাগ্ৰহণ কৰাৰ বয়সত বৰ্তমান শিশুসকলৰ হাতত তুলি দিয়া হৈছে স্মাৰ্টফোন। বহুতো শিশুয়ে স্মাৰ্টফোনৰ ভুল ব্যৱহাৰৰ জৰিয়তে নিজকে হেৰুৱাই পেলাইছে। আনকি অপৰাধমূলক ঘটনা সংঘটিত কৰাৰো উদাহৰণ পোৱা গৈছে।

লকডাউনৰ ফলত ইতিমধ্যে বহুত সময় আমি হেৰুৱাই পেলালে। যাৰ ফলত শিক্ষাবৰ্ষৰো পৰিৱৰ্তন হ'ল। ব্যৱহাৰিক শিক্ষাও অনলাইন পদ্ধতিৰে প্ৰদান কৰিলে য'ত নিশ্চিতভাৱে বৈ গৈছে বহু ত্ৰুটি। বৰ্তমান এই মহামাৰীৰ প্ৰায় দুবছৰ হ'ব হ'ল কিন্তু আজিও এই সমস্যা সম্পূৰ্ণৰূপে নিৰ্মূল হোৱা নাই। বিদ্যালয়, মহাবিদ্যালয়সমূহত পাঠদান আৰম্ভ কৰিলেই কিছু দিনৰ পাছত পুনৰ সংক্ৰমণ বৃদ্ধি

হোৱা ঘটনাই আমাক পুনৰ ভাবিবলৈ বাধ্য কৰি তুলিছে। এফালে প্ৰাণৰ মমতা আনফালে শিক্ষাৰ প্ৰয়োজনীয়তা অতীজৰে পৰা আমাৰ সমাজত এষাৰ বাক্য প্ৰচলিত আছে "যদি শিক্ষাৰে ভেঁটি সুদৃঢ় হয়, এখন সমাজ পং হোৱাৰ পৰা বাচে।" কিন্তু এই পৰিস্থিতিত শিক্ষাৰ ভেটি সুদৃঢ় কৰাটো হৈ পৰিছে এক বৃহৎ প্ৰত্যাহ্বান।

কৰ'না মহামাৰী কেতিয়া সম্পূৰ্ণকৈ নিৰাময় হ'ব আমি নাজানো, কিন্তু ইয়াৰ প্ৰভাৱৰ পৰা হোৱা ক্ষতি পূৰাবলৈ আমাক বহু সময় লাগিব সেইটো নিশ্চিত। এই লকডাউন আৰু অনলাইন শিক্ষাৰ মেৰপাকত প বহুতো ছাত্ৰ-ছাত্ৰীয়েই হয়তো নিজৰ শিক্ষা জীৱনৰ আধাতেই সামৰণি মাৰিছে। ছাত্ৰ-ছাত্ৰীৰ সমাগম ৰোধ কৰিবলৈ এবাৰ অনলাইন পৰীক্ষা অনুষ্ঠিত কৰাৰ পাছৰ পৰা তেওঁলোকৰ প্ৰায়ভাগৰে মনত যেন জাগি উঠিছে অফলাই পৰীক্ষাৰ প্ৰতি অনীহা। পৰীক্ষা হ'লত বহি পৰীক্ষা দিবলৈ এতিয়া বহু ছাত্ৰ-ছাত্ৰীয়ে নিজৰ আত্মবিশ্বাস হেৰুৱা পেলাইছে। এই অনলাইন পৰীক্ষাই আমাৰ মনস্তত্বত এক ঋণাত্মক প্ৰভাৱ পেলাইছে। ইয়াৰোপৰি অনলাই পৰীক্ষাৰ নম্বৰ এই প্ৰতিযোগিতামূলক পৃথিৱীত কিমান গ্ৰহণযোগ্য হ'ব সেয়াও সন্দেহজনক।

স্কুলীয়া জীৱনত "Isaac Asimov"ৰ "The fun they had" নামৰ পাঠটোত ২১৫৭ চনৰ স্কুলীয়া জীৱ কেনেধৰণৰ হ'ব তাৰ ওপৰত পঢ়িবলৈ পোৱা কাল্পনিক কাহিনীটো যেন আজি ২০২০ চনতে সত্য হ'বলৈ আছে। আমি এনেকুৱা এটা ব্যৱস্থাপনা আকোঁৱালি লৈছো যাৰ বাবে আমি সাজু নহয়। কাহিনীটোত ভৱিষ্যত বিদ্যালয় ঘৰ এটি যান্ত্ৰিক কোঠালৈ পৰিৱৰ্তন হোৱাৰ ভৱিষ্যৎবাণী যেন অতি সোনকালেই ফলিয়াবলৈ গৈ আছে

**৪৮ তম সংখ্যাৰ জ্যোতিষ্মান ঃ**

'জ্যোতিষ্মান' যাৰ পোহৰে জিলিকাব বিচাৰে বাণিজ্যিয়ানৰ সমৃদ্ধি। এই জ্যোতিষ্মানৰ পাতত নৱপ্ৰজন্ম নিজৰ চিন্তাৰ ঢৌৰে বোৱাইছে নতুনত্বৰ নৈ। তেওঁলোকৰ সপোন সঁচা হওক, জিলিকি উঠক নিজৰ কৰ্মৰ যোগে নিজৰ ভৱিষ্যত ক্ষেত্ৰখনত।

আলোচনীখনত নিজৰ লেখনি প্ৰদান কৰা প্ৰত্যেকজন বাণিজ্যিয়ানক অশেষ ধন্যবাদ। তদুপৰি আলোচনী লেখা প্ৰদান কৰি আমাক উৎসাহ যোগোৱা শ্ৰদ্ধাৰ ছাৰ বাইদেউসকলৰ ওচৰত মই চিৰকৃতজ্ঞ। নিজৰ অত্যাধি ব্যস্ততাৰ মাজতো সাক্ষাৎকাৰ প্ৰদান কৰা বিশিষ্ট লেখক ৰীতা চৌধুৰী বাইদেউক অশেষ ধন্যবাদ। তদুপৰি অতি লেখক জুৰী বৰা বৰগোহাঞি বাইদেৱে লেখা প্ৰদান কৰি আমাক উপকৃত কৰাৰ বাবে তেওঁৰ ওচৰত মই চিৰকৃতজ্ঞ

কৰ'ণা মহামাৰীৰ ত্ৰাসৰ বাবে আলোচনীখন আশা কৰা ধৰণে প্ৰস্তুত কৰিব নোৱাৰিলোঁ, তদুপৰি ব সময়ৰ প্ৰয়োজন হ'ল। কিন্তু শেষত সকলোৰে সহায়-সহযোগিতাত জ্যোতিষ্মান পুনৰ উজ্জ্বল হৈ উঠিল।

আলোচনীৰ পাতত অজানিতে বৈ যোৱা ভুল ত্ৰুটিৰ বাবে মই সমূহ বাণিজ্যিয়ানৰ ওচৰত ক্ষমাপ্ৰাৰ্থী সকলোৱে জ্যোতিষ্মানখন আকোঁৱালি ল'ব বুলি আশা কৰিলো।

আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে -

**বন্যা হাজৰিক**
সম্পাদিকা, জ্যোতিষ্মা
৪৮ সংখ্যা

সূ
চী
প
ত্র


*শিক্ষা*

- মানৱ জীৱনত সংগীত শিক্ষাৰ গুৰুত্ব আৰু ইয়াৰ প্ৰভাৱ ১৩
  ✍অনুসূয়া শাণ্ডিল্য

*অতিথি কলম*

- একক মাতৃত্বঃ মায়া এঞ্জেল' আৰু চন্দ্ৰপ্ৰভা শইকীয়ানী ১৫
  ✍জুবী বৰা বৰগোহাঞি

*সাহিত্য বিশেষ*

- साहित्य और समाज २०
  ✍मालती बांगठाई
- সাহিত্য পাঠৰ প্ৰয়োজনীয়তা ২৩
  ✍নয়নমণি গগৈ

*সাক্ষাৎকাৰ*

- প্ৰসিদ্ধ লেখিকা ৰীতা চৌধুৰীৰ সৈতে বাৰ্তালাপ ২৫
  সাক্ষাৎ গ্ৰহণ ঃ ✍বন্যা হাজৰিকা

*স্বাৱলম্বন*

- **Technology Sector : Helping in Self-reliance India** ২৯
  ✍**Deep Ghosh**
- **Atmanirbhar Bharat Related to Aquaculture** ৩০
  ✍**Priya Paul**
- **Agriculture as Career Choice for Atmanirbhar Bharat Abhiyan** ৩১
  ✍**Azmi Akhter Hussain**
- উদ্ভাৱিকা শক্তি – স্বাৱলম্বনৰ এক সমল ৩৩
  ✍জাফ্ৰিনা আহমেদ

*দৃষ্টিপাত*

- **From CAB to CAA : The Journey** ৩৪
  ✍**Munu Baa**
- বৰ্তমান সময়ৰ এক বিশেষভাৱে চৰ্চিত বিষয় গোলকীয় উষ্ণতা বা গ্ল'বেল ৱাৰ্মিং ৩৫
  ✍লক্ষ্যজিৎ শইকীয়া




# সূচীপত্ৰ


সাময়িকী

- "Domestic Violence": (During the Phase of COVID-19 Lockdown)
  ✍ Sneha Bakshi

মানসিক স্বাস্থ্য

- Depression : The Next Cancer
  ✍ Mouna Rani Dey

সমাজ সমীক্ষা

- পুৰুষতান্ত্ৰিকতা আৰু আমাৰ সমাজ
  ✍ ধ্ৰুৱজ্যোতি শইকীয়া

গ্ৰন্থ সমালোচনা

- Book Review : "Norwegian Wood" By Haruki Murakami
  ✍ Mousum Gogoi
- ড° অজন্তা ৰাজখোৱাৰ 'উত্তৰ পূৰ্বাঞ্চলৰ বস্ত্ৰ সংস্কৃতি'
  ✍ আৰিফা বেগম

সাহিত্য সমালোচনা

- অসমৰ আলোচনীসমূহৰ ভিতৰত অন্যতম 'অৰুণোদয়' ঃ এটি চমু সমীক্ষা
  ✍ মনালিছা বৰা

লোক সংস্কৃতি

- অসমৰ লোকসংস্কৃতি ঃ পৰিৱৰ্তন আৰু পৰিৱৰ্দ্ধন
  ✍ জিণ্টীমণি শইকীয়া

উদ্ভাৱন

- Global Innovation Hubs
  ✍ Atul Kumar Das

ব্যক্তিত্ব

- FAMOUS INDIAN MATHEMATICIAN
  ✍ Deep Ghosh, Subhajit Ghosh, Priya Paul
- অৰণ্য মানৱ পদ্মশ্ৰী যাদৱ মূলাই পায়েং
  ✍ পম্পী গগৈ




# সূচীপত্ৰ


**অনুভৱ - অভিজ্ঞতা**

- Life as a College Student — ৫৩
  - ✍ Mousumi Dey
- Jorhat IGC(21) Shillong IGC NER PROCI Guwahati Shillong 18 Select — ৫৪
  - ✍ Ajay Sharma, Abhigyan Kachari

**ৰস ৰচনা**

- জেউতী মাহীৰ কাহিনী — ৫৫
  - ✍ জুলি শইকীয়া

**ভ্ৰমন কাহিনী**

- কমলাবাৰী ফেৰী ঘাটৰ হিৰণ্যময়ী সোঁৱৰণ — ৫৬
  - ✍ প্ৰণৱ পাঠৰী
- ছিক্কিম আৰু ডাৰ্জিলিং ভ্ৰমণ — ৫৯
  - ✍ ৰিণ্টীমণি শৰ্মা

**ছন্দশিল্প**

- অৱশেষ — ৬৩
  - ✍ পৰিস্মীতা গগৈ
- ফাগুন — ৬৩
  - ✍ বিশ্বজিৎ গগৈ
- আশা, সপোন অনন্যা — ৬৩
  - ✍ অৰূপা বৰা
- অকালতে হেৰাই যোৱা — ৬৪
  - ✍ অভিলাষ দত্ত
- ভালপোৱাৰ ভাৱনাৰে — ৬৪
  - ✍ নমিতা গগৈ
- অশান্ত মনৰ গৰ্জন — ৬৫
  - ✍ জয়া দলে
- অনুভৱৰ টুকুৰাবোৰ — ৬৫
  - ✍ দিপশিখা বৰুৱা
- তোমালোক ইমান ধুনীয়া — ৬৬
  - ✍ সবিতা শইকীয়া




# সূচীপত্ৰ


- জীৱন
  - ✍ বিদ্যাশ্ৰী দাস ৬৬
- "MAA"(Mother)
  - ✍ **Sneha Bakshi** ৬৭
- **Eternity of Love**
  - ✍ **Mouna Rani Dey** ৬৭
- **The Long Last Days**
  - ✍ **Shrutika Paul** ৬৮
- **Nature's Love**
  - ✍ **Dharitry D Phukan** ৬৮
- कयी कहते हैं "जय माता दी"? नारी की आवाज
  - ✍ साहील गुप्ता ৬৯
- पुलवामा के शहीद सैनिको को सलाम
  - ✍ राज सिंह ৬৯

## কথাশিল্পকথাশিল্প

- অৱন্তিকা - এক অসম্পূৰ্ণ অধ্যায়
  - ✍ হোমেন শইকীয়া ৭০
- চিৰন্তন
  - ✍ তাৱ্‌কিছ আহমেদ ৭২
- **Breaking Barriers**
  - ✍ **Abdul Rajak** ৭৩
- অ মন তৰা একেটা ছাতিতে দুজনকৈ দৰা
  - ✍ দিব্যজ্যোতি ৰাজখোৱা ৭৪

## প্ৰতিবেদন...

- ছাত্ৰ একতা সভাৰ বিভাগীয় সম্পাদকৰ প্ৰতিবেদন ৭৭ - ৯০

## মহাবিদ্যালয় সপ্তাহৰ সাহিত্য প্ৰতিযোগিতাৰ ফলাফল

- মহাবিদ্যালয় সপ্তাহ - ২০১৯-২০ বৰ্ষৰ সাহিত্য প্ৰতিযোগিতাৰ ফলাফল - ৯১
- প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাৰ ফলাফল ঃ ৯১




শিক্ষা

# মানৱ জীৱনত সংগীত শিক্ষাৰ গুৰুত্ব আৰু ইয়াৰ প্ৰভাৱ



অনুসূয়া শাণ্ডিল্য

সংগীত হৈছে নৃত্য, গীত ও বাদ্যৰ সংমিশ্ৰণ। এই তিনিকলাৰ গীত অৰ্থাৎ কণ্ঠসংগীত প্ৰধান, নৃত্য অৰ্থাৎ ছন্দ বাদ্যৰ অধীন, বাদ্য কণ্ঠ সংগীতৰ সহযোগী। সংগীতত তালৰ সহায়ৰ বাবেও বাদ্যৰ ব্যৱহাৰ হয়। ভয়-ভক্তি, সুখ-দুখৰ ভাৱ প্ৰকাশ কৰিবলৈ সংগীত এক মাধ্যম। সংগীত প্ৰধান হোৱা বাবেই তিনি কলাক একেলগে সংগীত বুলিয়েই কোৱা হয়।

কথা ক'বলৈ শিকাৰ বহুত আগতেই হেনো মানুহে গীত গাবলৈ, বাদ্য বজাবলৈ আৰু নাচিবলৈ শিকিছিল। আদিম মানৱজাতিৰ এই সংগীতৰ ধাৰাটো কেনেধৰণৰ আছিল সেই বিষয়ে সঠিকভাৱে জনাটো হয়তো সহজ নহয়। কিন্তু এই কথা নিঃসন্দেহে ক'ব পাৰি যে সৃষ্টিৰ পাতনিৰে পৰা মানুহে অন্তৰৰ আৱেগ-অনুভূতি, হৰ্ষ-বিষাদ আদি প্ৰকাশক মাধ্যম হিচাপে গীত, বাদ্য আৰু নৃত্যক ব্যৱহাৰ কৰি আহিছে। গতিকে সংগীতে আমাৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ এটা বুজন অংশ অধিকাৰ কৰি আছে বুলি ক'ব পাৰি।

সংগীতে শ্ৰৱণকেন্দ্ৰিয়ক তৃপ্তি দান কৰাৰ লগতে সকলো চিন্তা-ভাৱনা দূৰ কৰি মানৱ মনক সতেজ আৰু প্ৰফুল্লিত কৰি তোলে। মানৱ চৰিত্ৰৰ কঠোৰতা দূৰ কৰি ভদ্ৰ, সদাচাৰী আৰু বিনম্ৰ হোৱাতো সংগীতে সহায় কৰে। সংগীতে আত্মাৰ ক্ষুধা নিবাৰণ কৰে। সংগীত উচ্চ-নীচ, ধনী-দুখীয়া

সকলোৰে বাবে মুক্ত। প্ৰাচীন সংগীতত আধ্যাত্মিকতাৰ প্ৰভাৱ অতি বেছি আছিল। তেনেধৰণৰ সংগীতে জনসাধাৰণৰ মাজত ভগৱানৰ প্ৰতি ভক্তিভাৱ জগাই তুলি হিংসা, দ্বেষ, উচ্চ-নীচ আদি বেয়া ভাৱবোৰ আঁতৰাই পৱিত্ৰ ভাৱৰ সৃষ্টি কৰিছিল। ধৰ্মপ্ৰচাৰক সকলে ধৰ্ম প্ৰচাৰৰ বাবেও সংগীতক মাধ্যম হিচাপে ব্যৱহাৰ কৰিছিল। সংগীতে মানৱ মনত অহঙ্কাৰ ভাৱ দূৰ কৰে। দয়া-মমতা, প্ৰেম-প্ৰীতি, সহানুভূতি, ভক্তি, নমনীয়তা আদি গুণ সৃষ্টি কৰি মানৱ মনক সুন্দৰ কৰি তুলিব পাৰে সংগীতে। সংগীতৰ অন্তৰ জয় কৰিব পৰা শক্তিৰ বাবেই প্ৰাচীন ঋষি-মুনিসকলে সংগীতৰ নাদ বা ধ্বনিক ব্ৰহ্মা বুলি অভিহিত কৰিছে। স্বৰসমূহৰ উৎপত্তি, ৰাগ-ৰাগিনীৰ সৃষ্টি সকলো দেৱ দেৱতাৰ নামেৰে নামাকৰণ কৰিছে।

সংগীত অবিহনে মানুহৰ জীৱন অসম্পূৰ্ণ। সংগীতে পাষাণ হৃদয়ত, দয়া-মমতাৰ উদ্ৰেক কৰিব পাৰে। ক্ৰন্দনৰত শিশুক নিদ্ৰামগ্ন কৰিব পাৰে, ৰোগাক্ৰান্তজনক শান্তি দিব পাৰে। বৰ্তমান বিভিন্ন ৰোগৰ চিকিৎসাৰ বাবে সংগীতক ঔষধ হিচাপে ব্যৱহাৰ কৰা হৈছে। বিভিন্ন ঠাইত বেলেগ বেলেগ ৰোগৰ ৰোগীসকলে Music Therapy লোৱা দেখিবলৈ পোৱা গৈছে। উচ্চ ৰক্তচাপ, ষ্ট্ৰেচ, ডায়েবেটিছ আদি ৰোগৰ ৰোগীসকলে প্ৰতিদিনে এঘণ্টাকৈ সংগীত শুনিলে বহুত সুফল পোৱা দেখা যায়। স্বৰৰ সুনিৰ্দিষ্ট বিন্যাসে ৰোগীৰ শৰীৰ আৰু মনত বৈদ্যুতিক চুম্বকৰ দৰে কাম কৰে বুলি কোৱা হৈছে। স্মৃতি শক্তি বৃদ্ধি কৰিবলৈও সাংগীতিক চিকিৎসা উপযোগী।

আজিকালি বিদ্যালয় সমূহতো সংগীত শিক্ষা এক গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। বৰ্তমান বিদ্যালয়ৰ যোগেদি শিক্ষা দিব পৰাকৈ সংগীতৰ পাঠ্যক্ৰম প্ৰস্তুত কৰা হৈছে। বিদ্যালয় শিক্ষাৰ উপৰিও ব্যক্তিবিশেষে সংগীতৰ অনুষ্ঠান আৰম্ভ কৰি বহুতো ল'ৰা-ছোৱালীক একেলগে সংগীতৰ শিক্ষা প্ৰদান কৰা দেখা যায়। বৰ্তমান বিদ্যালয়ৰ যোগেদি শিক্ষা দিব পৰাকৈ সংগীতৰ পাঠ্যক্ৰম প্ৰস্তুত কৰা হৈছে। বিদ্যালয়ৰ যোগেদি ছাত্ৰ-ছাত্ৰীয়ে নিয়মিত ভাৱে এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত সংগীত শিক্ষা ল'ব পাৰে। সংগীত বিদ্যালয়ে ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ মূল্যৱান সময়ৰ সদব্যৱহাৰ কৰে। হিংসা, দ্বেষ, কুটিলতা, পৰশ্ৰীকাতৰতা আদিৰ পৰা আঁতৰাই সংগীতৰ মধুৰতা পৰিৱেশত সুন্দৰ জীৱন গঢ়ি তোলাত সহায় কৰে। সকলোৰে মনৰ হতাশা দূৰ কৰে সংগীত বিদ্যালয়বোৰ প্ৰতিষ্ঠা হোৱাৰ ফলত নতুন নতু প্ৰতিভাৰ সন্ধান পোৱা গৈছে।

মানুহৰ মনৰ লগত সুখ-দুখৰ অনুভূতি, হৃদয় উপলব্ধিৰ নিবিড় সম্পৰ্ক আছে। সংগীতে হৃদয়ত শান্তিৰ নিৰ্মি অনুভূতি সৃষ্টি কৰিব পাৰে, আনন্দৰ ভাব জগাই তুলিব পাৰে সংগীতৰ দুটা দিশ আছে - (ক) . আত্মিক, (খ সৌন্দৰ্য্যমূলক।

উভয় প্ৰকাৰৰ সংগীতেই মানুহৰ প্ৰাণৰ সুখ-শান্তিৰ ভা জগাই তুলি জীৱনৰ দুখ-কষ্ট, হিংসা-দ্বেষপূৰ্ণ পৰিৱেশৰ প সংগীতৰ মধুৰ জগতলৈ লৈ আনে। গায়কসকলে নিজৰ গায়কী বলত সংগীতক নিত্য নতুন ৰূপ দি মনোৰঞ্জন বৃদ্ধি কৰে। ৰচ কৰা সকলে ব্যক্ত কৰে মনৰ ভাৱ, সৃষ্টিশীল কলা-কৌশল আ অন্তৰ জয় কৰে লক্ষ লক্ষ শ্ৰোতাৰ। মানৱ মনত প্ৰভাৱ বিস্তা কৰিব পৰা শ্ৰেষ্ঠতম কলাই সংগীত। বিষাদময় জীৱনৰ ব্যৰ্থতা গ্লানি, মলিনতা সংগীতে দূৰ কৰি প্ৰাণত শান্তি দিয়ে, মন পবি কৰে। সংগীত হ'ল ভাৱ প্ৰকাশৰ মাধ্যম। লঘু সংগীত বা অন্যা লোকসংগীত সকলো জনসাধাৰণৰ আদৰৰ হয়। তাৰ লগে লগে জনসাধাৰণৰ, যুৱক-যুৱতী, ছাত্ৰ-ছাত্ৰী সকলো শ্ৰেণীৰ মানুহ উন্নত ৰুচী, প্ৰাচীন কলাৰ প্ৰতি শ্ৰদ্ধাৰ মনোভাৱ জীয়াই ৰাখিব বাবে শাস্ত্ৰীয় সংগীতকো জনপ্ৰিয় কৰিবৰ বাবে বিভিন্ন মাধ্যম যোগেদি চেষ্টা চলাই থকা হৈছে। ৰেডিঅ', টেলিভিছন, চিনেমা জলচা, সংগীত সন্মিলন আদিৰ অহাৰ আৰু উন্নত গায়ন আৰ বাদন শৈলীৰ লগত পৰিচয় হোৱাৰ সুযোগ লাভ কৰিছে এইসমূহ অনুষ্ঠানৰ যোগেদি নতুন গায়ক-গায়িকা সকলে জনসাধাৰণৰ ওচৰত পৰিচয় লাভ কৰিবলৈ সক্ষম হৈছে। নিজ প্ৰতিভা বিকাশ কৰিবলৈ সুযোগ লাভ কৰিছে। বিভিন্ন ঠাই সংগীত শিক্ষাৰ কৰ্মশালা অনুষ্ঠিত কৰি কণ কণ ল'ৰা-ছোৱালী পৰা আৰম্ভ কৰি ডাঙৰলৈকে সকলোৱে জ্ঞান লাভ কৰিবৰ বাবে সুবিধা লাভ কৰিছে। এই সুবিধাবোৰৰ বাবেই সংগীত শিল্পীসকলে খুব কম সময়ৰ ভিতৰতে অধিক জনপ্ৰিয়তা অৰ্জ কৰিবলৈ সক্ষম হৈছে। এনেবোৰ কাৰণৰ বাবে মানৱ জীৱনত সংগীতৰ প্ৰয়োজনীয়তা দিনক দিনে বৃদ্ধি পাইছে।


**স্নাতক প্ৰথম যাণ্মাসি**
**কলা শাখা**

অতিথি কলম



# একক মাতৃত্বঃ মায়া এঞ্জেল' আৰু চন্দ্ৰপ্ৰভা শইকীয়ানী

জুৰী বৰা বৰগোহাঞি

"I will not allow anybody to minimize my life, not anybody, not a living soul—nobody, no lover, no mother, no son, no boss, no President, nobody."

—Maya Angelou

*(মায়া এঞ্জেল' সদৃশ চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱনৰ এক গুৰুত্বপূৰ্ণ অধ্যায় আছে। চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱনৰ ওপৰত, তেওঁৰ কৰ্মৰাজী বিষয়ক যথেষ্ট আলোচনা হোৱা স্বত্বেও তেওঁৰ জীৱনৰ অতি গুৰুত্বপূৰ্ণ এই অধ্যায়টো সঠিক ভাৱে আলোচিত হোৱা নাই। এই প্ৰবন্ধৰ মাধ্যমেৰে মায়া এঞ্জেল'ৰ প্ৰসঙ্গৰে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ একক মাতৃত্বৰ অধ্যায়টোৰ সবৃস্তিত আলোচনা, প্ৰকৃত গৱেষণাৰ বিষয় হ'ব লাগে বুলি আহ্বান জনোৱা হৈছে।)*

উত্তৰ পূবৰ মহিলাৰ সামাজিক স্থান ভাৰতৰ কিছুমান ৰাজ্যৰ মানুহৰ বাবে বিস্ময়। উত্তৰ ভাৰতৰ ৰাজ্য কিছুমানৰ মহিলাই আমাৰ নাৰীৰ সামাজিক, ব্যক্তিগত তথা ৰাজনৈতিক স্থানৰ বিষয়ে জানি অভিভূত হৈ পৰে। স্বাধীনতাৰ ইমান বছৰৰ পিছতো সেইবোৰ ৰাজ্যত সাধাৰণ মহিলাতো বাদেই, উচ্চ শিক্ষিত মহিলাৰ স্থান হতাশাজনক। আমাৰ মহিলাৰ এই সন্মানজনক অৱস্থিতিৰ বাবেই আমাৰ উত্তৰ-পূব অঞ্চলৰ সামাজিক-সাংস্কৃতিক প্ৰেক্ষাপট ভাৰতৰ অন্য প্ৰান্তৰৰ পৰা পৃথক।

উত্তৰ পূবৰ মাতৃপ্ৰধান পাহাৰীয়া ৰাজ্যকেইখন বাদ দিও প্ৰান্তীয় ৰাজ্য অসমতো ঐতিহাসিক ভাবে মহিলাৰ স্থান সদায় এটা সন্মানীয় স্থানত আছিল। দীৰ্ঘ দিনৰ শাসনকৰ্তা আহোম সমাজত নাৰীক স-সন্মানে ৰখা হৈছিল। মহিলাৰ মৰ্য্যাদা হানিকাৰক কাম খুব কমেইহে কৰা হৈছিল। (সেইবাবেই কিজানি কিংবদন্তীৰ মতে জয়মতীক জেৰেঙা পথাৰৰ জনসমাগমৰ পৰা আঁতৰাই নিৰ্জন প্ৰান্তৰত শাস্তি দিয়া হৈছিল, মৃতদেহ ৰাইজৰ চকুৰ পৰা আঁতৰাই অজান মুলুকত পুতি ৰখা হ'ল।) ঐতিহ্যপূৰ্ণ মেছাগড়ৰ এটা অভিজাত বৰগোহাঞি পৰিয়ালৰ বোৱাৰী হিচাপে এই সন্মান, মৰ্য্যাদা ৰখা দেখা পাইছোঁ। অসমৰ অন্যান্য জাতি-জনজাতিৰ মাজতো মহিলাৰ স্থান সন্মানজনক। অৱশ্যে উচ্চ জাতৰ অভিজাত মানুহখিনিৰ মহিলাসকলে সামাজিক মৰ্য্যাদা অক্ষুণ্ণ ৰখাৰ স্বাৰ্থত নিজক সামাজিক ভাবে আবুৰকৈ ৰাখিছিল। ইয়াত হয়তো ব্যক্তিগত পচন্দ-অপচন্দ, পৰিয়ালৰ পৰম্পৰাই অগ্ৰাধিকাৰ পাইছিল।

কুৰি শতিকাত কঠোৰ সামাজিক ব্যৱস্থাত এই আবুৰতা বাধ্যতামূলক নাছিল। পৰোক্ষ ভাবে পুৰুষ আধিপত্যবাদ আৰু সামাজিক পাপবোধৰ ধাৰণা এটাৰ অৱস্থিতি অস্বীকাৰ কৰিব নোৱাৰি। (সেই সময়তে নৰকান্ত বৰুৱাই ৰচনা কৰিছিল 'ৰহিমলা ওৰনিৰ মাজেৰে/ৰহিমলা জোনলৈ নাচাবা/ খহিব পপীয়া তৰাহে...) শুনিবলৈ অপ্ৰিয় হলেও অসমৰ বহু (নিম্ন) জাতত মহিলাৰ অবাধ স্বাধীনতা আছিল। পোহাৰী সকলে বিচিত্ৰ বস্তু লৈ ঘৰে ঘৰে আহি ব্যৱসায় কৰিছিল। গাভৰু ছোৱালীয়ে বিহুতলীত মন খোৱা ল'ৰাক জীৱন সঙ্গী ৰূপে লোৱাৰ স্বাধীনতা আছিল।

সেই সময়ৰ সামাজিক, ব্যক্তিগত আৰু ৰাজনৈতিক বিষয়ত মহিলাসকলৰ সিদ্ধান্তৰ গুৰুত্ব উল্লেখনীয়। বৃহৎ যৌথ সংসাৰৰ দায়িত্ব এৰি শিক্ষা গ্ৰহণৰ বাবে ওলাই যোৱা মহিলাৰ হাৰ কম আছিল। উচ্চ শিক্ষাৰ বাবে অন্য ঠাইলৈ বা কলিকতালৈ যোৱাৰ পৰিবেশ এটা গঢ় লোৱা নাছিল। অসমত স্বাধীনতা পূৰ্বৰ শিক্ষা বিস্তাৰৰ গতি লেহেমীয়া। স্বাধীনতাৰ পিছত পশ্চিম বংগৰ পৰা বলা সংস্কাৰকামী বতাহ বা অনান্য কাৰনত শিক্ষা বিস্তাৰ ক্ষীপ্ৰ আৰু গতিশীল হৈ উঠে। লগে লগে মহিলাসকলৰ শিক্ষা গ্ৰহণৰ উৎসাহ উল্লেখযোগ্য হৈ উঠে। কলিকতালৈ গৈ উচ্চ শিক্ষা ললে। কেইবাখনো মহিলাৰ জীৱনী আৰু আত্মজীৱনীত শিক্ষিতা নাৰীয়ে কৈছে, তেওঁলোকৰ পিতৃ/স্বামী/ভাতৃৰ বাবেহে উচ্চ শিক্ষা সম্ভৱপৰ হৈছিল।

সেই স্বাধীনতা পূৰ্ব সমাজখনত শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ সাধন কৰিবলৈ নিৰাপদ পৰিয়ালৰ অভিজাত বেষ্টনীৰ মাজত আবুৰকৈ সোমাই থকা একাংশ মহিলাক ঘৰৰ পৰা ওলিয়াই অনাত চন্দ্ৰপ্ৰভা শইকীয়ানীৰ গুৰুত্ব কম নহয়। সামাজিক আৰু ব্যক্তিগত ভাবে মহিলাক সম-মৰ্য্যাদা দিলেও কিন্তু সৃষ্টিশীল কাম-কাজত পুৰুষ অধিপত্যবাদ তেতিয়াও চলিছিল (এই প্ৰবন্ধৰ লেখক উগ্ৰ-নাৰীবাদী নহয়)। সেয়ে তেওঁৰ নেতৃত্বত মহিলাৰ স্থান বিচাৰি কঠিন যোগাযোগৰ সময়তো এটা সামাজিক আন্দোলন আৰম্ভ কৰিছিল। (হয়তো তেওঁৰ এই ধাৰণাৰ পূৰ্ণাঙ্গ ৰূপ দিবলৈকে পৰ্য্যায় ক্ৰমে মহিলা সমিতিৰ পিছত লেখিকা সমাৰোহ বা সংস্থাৰ দৰে পৃথক মহিলাৰ অনুষ্ঠানৰ জন্ম হৈছিল।)

এতিয়াও চন্দ্ৰপ্ৰভা শইকীয়ানীৰ আংশিক জীৱনী পঢ়িলে মনত বিস্ময় হয়। তেওঁৰ জীৱন আধাৰিত গ্ৰন্থই সাহিত্য অকাডেমিৰ বঁটা পাইছে, লেখিকা সমাৰোহে তেওঁক স্মৰণ কৰি প্ৰতি বছৰে বক্তৃতানুষ্ঠান পাতিছে। আলোচনীবোৰে চন্দ্ৰপ্ৰভা শইকীয়ানী বিষয়ক বিশেষ সংখ্যা প্ৰকাশ কৰিছে। তেওঁৰ নাৰীবাদী আৰু সামাজিক ভুমিকাক লৈ বিশ্ববিদ্যালয়ত গৱেষকে এম. ফিল ডিগ্ৰী লৈছে। (সম্পূৰ্ণ পি. এইচ. ডি. কৰ্ম হোৱাৰ তথ্য লেখকৰ হাতত নাই)। হয়তো তেওঁৰ বিশাল কৰ্মৰাজীৰ উচিত মূল্যায়ন কৰাৰ যৎপৰোনাস্তি প্ৰচেষ্টা চলোৱা হৈছে।

তথাপি— বিগত সময়ত চন্দ্ৰপ্ৰভা শইকীয়ানীৰ বিষয়ে যিমান বিস্তৃত আলোচনা হৈছে তাত সচেতন (?) ভাবে যেন এৰি অহা হৈছে তেওঁৰ জীৱনৰ এক গুৰুত্বপূৰ্ণ অধ্যায়। একক মাতৃত্বৰ অধ্যায়। আজিৰ পৰা কেইবাদশকৰো আগত কুৰি শতিকাত এগৰাকী অবিবাহিতা নাৰীয়ে এটা সন্তান জন্ম দি অকলে ডাঙৰ কৰাটো ব্যক্তিগত আৰু সামাজিক ভাবে অসম্ভৱ আছিল। (এতিয়াও অসম্ভৱ। যৌন-কৰ্মীক লৈ এখন উপন্যাস লিখাৰ কামত দুজনমান স্ত্ৰী-ৰোগ বিশেষজ্ঞৰ লগত কথা হৈছিল। মৌখিক তথ্যত তেখেতসকলে মোক জনাইছিল মহানগৰ তথা চহৰ-নগৰৰ অভিজাত বহু যুৱতী অবৈধ গৰ্ভ লৈ মাজৰাতিও তেওঁলোকৰ চেম্বাৰৰ দুৱাৰত খটখটাই লগত শোক আৰু লোক লজ্জাৰ ভয়ত ত্ৰস্ত্ৰমান অসহায় শিক্ষিতা, আধুনিক মাকবোৰ)

বৰ্তমান বিশ্বত একক মাতৃত্বৰ ধাৰণাটো জনপ্ৰিয় হৈ উঠিছে। প্ৰাচ্যবাদী ৰক্ষণশীল বহু দেশে এই ধাৰণাক আঁকোৱালি লৈছে। বহু ভাৰতীয় তথাকথিত চেলিব্ৰেটিয়ে অকলে সন্তান

ডাঙৰ কৰিছে। ( সুস্মিতা সেন,পুনম ধীলন,অমৃতা সিঙ,ৰবিনা টেণ্ডন,কৰিস্মা কাপুৰ...) এই বিষয় লৈ সকলো মাধ্যমতে তেওলোকৰ বিষয়ে চৰ্চিত হৈছে। নাৰীবাদী চিন্তাৰে তেওলোকৰ কৰ্মক সলাগ লৈছে। তেওলোকৰ একক মাতৃত্বৰ লগত চন্দ্ৰপ্ৰভা শইকীয়ানীৰ ভূমিকাটো বহুত তফাৎ। অসমীয়া সমাজখনত চন্দ্ৰপ্ৰভা শইকীয়ানীৰ বিষয়ে সুদীৰ্ঘ কাল আলোচনা হোৱাৰ পিছতো তেওঁৰ একক মাতৃত্বৰ ক্ষেত্ৰত চৰ্চা-আলোচনা আশানুৰূপ নহয়। অসমীয়া নাৰী চন্দ্ৰপ্ৰভাৰ বিষয়ত বৰ্তমানলৈকে যিমান লেখা ওলাইছে আন কাৰোৰে ওলোৱা নাই চন্দ্ৰপ্ৰভা শইকীয়ানী বিষয়ক গ্ৰন্থবোৰত বা লেখাত বিষয়টোৰ আলোচনা প্ৰায় একে ধৰণৰ। প্ৰকৃততে গুৰুত্ব সহকাৰে চৰ্চা হব লাগিছিল। কিয়নো তেখেতে অসমত আৰম্ভ কৰা নাৰীবাদী তথা অসমৰ বৃহৎ সামাজিক সংস্কাৰ আন্দোলন এটাৰ লগত তেখেতৰ একক মাতৃত্বৰ ধাৰণাটো সংপৃক্ত হৈ আছে।

চন্দ্ৰপ্ৰভা শইকীয়ানীৰ এই ধাৰণাৰে আমি মনত পেলাও মায়া এঞ্জেল'ৰ কথা। প্ৰকৃত নাম মাৰ্গাৰেট এনি জনচন এঞ্জেল' (Marguerite Annie Johnson Angelou)। সমগ্ৰ জীৱনত সৃষ্টিশীলতাত চন্দ্ৰপ্ৰভা শইকীয়ানী মায়া এঞ্জেলৰ সমকক্ষ নহয়। বিশ্ববিখ্যাত কবি মায়া এঞ্জেল চন্দ্ৰপ্ৰভা শইকীয়ানীতকৈ বহুত সৰু। পৰিবেশ পৰিস্থিতি সম্পূৰ্ণ পৃথক। কাম কাজো বেলেগ। কিন্তু দুখন দেশৰ সামাজিক প্ৰতিকুল পটভূমিত দুই গৰাকী মহিলাৰ দায়িত্ব আৰু কৰ্মক একে দিশৰ পৰা চোৱাত বাধা নাই।

অন্য প্ৰতিষ্ঠিত লেখকৰ বৰ্ণাঢ্য জীৱনৰ তুলনাত মায়া এঞ্জেল'ৰ জীৱন বৰ বেদনাদায়ক। শৈশৰ কৈশোৰ বিষাদ, যন্ত্ৰণাৰে ভৰা। সৰুতেই মাক-দেউতাকৰ বিচ্ছেদ। মায়া এঞ্জেল' আইতাক আৰু তোলনীয়া পৰিয়ালত ডাঙৰ দীঘল হয়। বৰ্ণ-বৈষম্যৰ চিকাৰত শৈশৰ কাল তিক্ততাৰে আৰম্ভ হৈছে। মাত্ৰ সাত বছৰতে তোলনীয়া মাকৰ প্ৰেমিকৰ দ্বাৰা ধৰ্ষিত হৈছে। খুৰাকে সেই জঘন্য মানুহজনক হত্যা কৰোতে ভয় খাই বহু বছৰলৈ মুখৰ মাত হেৰুৱাই পেলাইছে। বহু বছৰ মৌন হৈ থকাৰ পিছত বৃত্তি পাই হাইস্কুল পঢ়িবলৈ লোৱা মায়া এঞ্জেল' বন্ধুৰ সতে সম্পৰ্ক হৈ এটা সন্তানৰ মাতৃ হয়। তাৰ পিছৰ কাল অবৰ্ণনীয়। পিতৃৰ স্বীকৃতি অবিহনে কিশোৰী মাতৃয়ে সন্তানৰ পোহপাল দিয়াৰ স্বাৰ্থত বিচিত্ৰ কাম কৰিব লগাত পৰে। একমাত্ৰ মহিলা বাছৰ কণ্ডাক্তৰ হৈছে, ৰাতিৰ ক্লাবত নাচিছে, বিখ্যাত চান ডিয়েগো বুথেলত যৌন কৰ্মী হিচাপে কাম কৰিছে। তিনিবাৰ বিয়া হৈ ভাগিছে।

এই সমগ্ৰ তিক্ত অভিজ্ঞতাৰ জীৱনে মায়া এঞ্জেল'ক পুনৰ জনম দিছে। ব্যক্তিগত ভাবে নিজক কঠোৰ কৰি তুলিছে। অনন্য নাৰীবাদী কৰিছে। শক্তিশালী ৰূপত অন্য এগৰাকী মায়া এঞ্জেল'ৰ জন্ম হৈছে। যি এই সমগ্ৰ দুৰ্দশাক পাহৰি নৃত্যশিল্পী, অভিনেত্ৰী, কবি, লেখক হিচাপে আৰু অসামৰিক অধিকাৰৰ সক্ৰিয় কৰ্মী (Activist on Civil Right) হৈ বিশ্ববিখ্যাত হৈ উঠিছে। আলোচ্য বিষয় এয়ে যে তেওঁৰ যি কষ্টকৰ অতীত তাক তেওঁ লুকুৱাবৰ অলপো চেষ্টা কৰা নাই। প্ৰতিটো ঘটনা সমাজৰ বাবে উন্মোচিত কৰি দিছে। সকলো মনোবেদনা লেখক হিচাপে পাঠকৰ লগত ভগাই লৈছে।

সেয়ে কিজানি তেওঁৰ ১৯৬৯ ত প্ৰকাশিত I Know Why the Caged Bird Sing নামৰ স্মৃতিকথা (memoir) -ই সাহিত্যৰ ইতিহাসত ধুমুহাৰ সৃষ্টি কৰিলে। The New York Times ত এইখন non-fiction শাখাত কেইবাবছৰো সৰ্বাধিক বিক্ৰীৰ তালিকাত থাকিল। পৰৱৰ্তী সময়ত ঘানাত অতিবাহিত কৰা কালছোৱাক লৈ All God's Children Need Traveling Shoes (1986) নামাঙ্কৰণেৰে আত্মজীৱনীমূলক গ্ৰন্থ লিখে। ১৯৯৪ প্ৰকাশিত Wouldn't Take Nothing for My Journey Now নামৰ অনুপ্ৰেৰণামূলক ৰচনা সংকলন প্ৰকাশ কৰে, য'ত তেওঁৰ ব্যক্তিগত জীৱনৰ কথাও লিখা আছিল। তেওঁৰ অন্য এখন আত্মজীৱনীমূলক গ্ৰন্থ A Song Flung Up to Heaven (2002)। ইয়াত তেওঁ আফ্ৰিকাৰ পৰা আমেৰিকালৈ ওলতি অহা আৰু তেওঁ একেলগে কাম কৰা দুজন মানৱ অধিকাৰ নেতাৰ লোমহৰ্ষক হত্যাকাণ্ডৰ পাছৰ পৰিস্থিতিৰ স'তে মোকাবিলা কৰিবলৈ কৰা যি সংগ্ৰাম সেয়া লিপিবদ্ধ হৈছে। নিজৰ জীয়েকলৈ লিখা Letter to My Daughter (2008) এখন উল্লেযোগ্য গ্ৰন্থ। যুৱতী-নাৰীসকলৰ অৰ্থপূৰ্ণ জীৱন যাপনৰ বাবে উপদেশমূলক ৰচনা সংকলনখন পৰৱৰ্তী প্ৰজন্মৰ বিশ্বৰ নাৰীৰ বাবে উল্লেখনীয় গ্ৰন্থ হৈ পৰিছে।

আফ্ৰিকান মূলীয় আমেৰিকান উপেক্ষিত এগৰাকী সাধাৰণ নাৰী এদিন বিশ্বত তৰা হৈ পৰিল। বিশ্বত নাৰীবাদী আন্দোলন, অসামৰিক অধিকাৰ আন্দোলন শক্তিশালী কৰি থৈ গ'ল। বৰ্ণ বৈষম্যৰ ভেদ ভাঙিব পৰাকৈ শক্তিশালী ৰূপত নিজক প্ৰতিষ্ঠা কৰি গ'ল। আফ্ৰিকান মূলৰ লেখক হিচাপে তেওঁৰ গ্ৰন্থ সৰ্বাধিক বিক্ৰী হৈছিল। তেওঁৰ লেখনিৰ অনুপ্ৰেৰণাই সমাজলৈ যুগান্তকাৰী প্ৰভাৱ আনিলে। আটাইবোৰ গ্ৰন্থই তেওঁৰ কঠোৰ

অতীতত পোৱা সকলো যন্ত্ৰণাৰ পিছত লিখা বাবে ইবিলাক বিশ্বৰ সকলো নাৰীৰ বাবে প্ৰেৰণাদায়ক হৈ পৰিল।

যিবোৰ ব্যক্তিগত অনুপ্ৰেৰণামূলক লেখনিৰে মায়া এঞ্জেল'ই নিজক প্ৰতিষ্ঠা কৰি গ'ল, অন্যলৈ প্ৰগতিশীল বাৰ্তা দি গৈছে তেনে লেখনি চন্দ্ৰপ্ৰভা শইকীয়ানীৰ নাই। অথচ, অবিবাহীতা মাতৃৰ সন্তান জন্মৰ পৰৱৰ্তী সময়ত সমাজখনে তেওঁৰ প্ৰতি দেখুওৱা আচৰণ, তেওঁৰ মানসিক হাহাকাৰ, মানসিক দৃঢ়তাৰ গ্ৰন্থ, যি বৰ্তমান সমাজখনত মূৰ দাঙি থকাৰ বাবে অনুপ্ৰেৰণামূলক হ'ব পাৰে তেনে গ্ৰন্থ আমাক দৰকাৰ আছিল। যিহেতু চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে পূৰ্ণাঙ্গ আত্মজীৱনী নাই লিখা, সেয়ে বহু কথাই হয়তো পাঠকৰ অগোচৰে থাকি গ'ল। পৰৱৰ্তী কালৰ জীৱনীবোৰে আমাক তেওঁৰ বলিষ্ঠ সামাজিক ভূমিকাক দেখুৱাইছে। কিন্তু ব্যক্তিগত শক্তিশালী মানসিক জীৱনটো আলোচিত কমকৈ হ'ল।

গৰ্ভৱতী হৈ প্ৰেমিকৰ দ্বাৰা প্ৰত্যাখিত হৈ অকলে সিদ্ধান্ত লৈছিল সন্তানটো জন্ম দিব। সিদ্ধান্তটো স্বাধীন আৰু একক আছিল। ( আমাৰ ভাব হয় ই এক ঐতিহাসিক সিদ্ধান্ত আছিল।) অবৈধভাবে গৰ্ভ ধাৰন কৰি সেইয়া যৌৱনৰ আৱেগিক ভুল বুলি নলৈ বাস্তৱ বুলি গ্ৰহন কৰিছে। সততাৰে স্বীকাৰ কৰিছে। সন্তানৰ পিতৃৰ নাম কৈছে। আমাৰ অসমীয়া ভাষাত প্ৰকাশিত শতাধিক প্ৰবন্ধত চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে বহুত কষ্ট আৰু ত্যাগেৰে অকলে সন্তানটি ডাঙৰ দীঘল কৰা বুলি উল্লেখ আছে। আমাৰ বোধেৰে এইয়া কোনো মাতৃৰ বাবে নতুন বাখ্যা নহয়। আমাৰ প্ৰশ্ন প্ৰচলিত ৰক্ষণশীল সমাজৰ মুখামুখি হবলৈ অবিবাহীতা ছোৱালীজনীয়ে (তেতিয়াৰ) সাহস আৰু প্ৰেৰণা ক'ৰ পৰা পাইছিল? কেৱল পিতৃৰ পৰা পোৱা প্ৰেৰণা? প্ৰেমিকৰ বাবে থকা অনুৰাগ ? (শেষ বয়সত ৰোগীয়া দণ্ডিনাথ কলিতাক ডিব্ৰুগড়ত খবৰ লবলৈ অহাৰ তথ্যও আছে। হয়তো সন্তানৰ পিতৃ হিচাপে তেওঁলৈ শ্ৰদ্ধা আছিল )

নিয়ম ভঙাৰ প্ৰত্যয়

যি গৰাকী চন্দ্ৰপ্ৰভা শইকীয়ানীক আমাৰ প্ৰজন্মই কিতাপৰ মাজত পালো, সেইগৰাকী নাৰীক নাৰীবাদী লেখিকা হিচাপে প্ৰতিষ্ঠা কৰা হৈছে। প্ৰায়বোৰ লেখকে স্বাধীনতা আন্দোলনত তেওঁৰ বলিষ্ঠ অৱদান, প্ৰতিবাদী কণ্ঠ, সংস্কাৰকামী নেত্ৰী হিচাপে তেওঁক প্ৰতিষ্ঠা কৰিছে। সকলোবোৰ লেখাতে তেওঁৰ অবিবাহীতা মাতৃ হোৱাৰ বিষয়টো উল্লেখ কৰিছে। অথচ প্ৰতিকুল মানসিক নিৰ্যাতনৰ মাজেৰে প্ৰতিষ্ঠা কৰা একক মাতৃত্ব ভূমিকাক একপ্ৰকাৰ নস্যাৎ কৰা হৈছে। এই ঘটনা যেন এগৰাকী নেত্ৰীৰ জীৱনত অৱধাৰিত আছিল কিন্তু এই ঘটনাৰ ঐতিহাসিক গুৰুত্ব আছিল। পৰৱৰ্তী দুই এক লেখকে এই কথা উনুকিয়াই গৈছে যে সন্তানটো ডাঙৰ কৰিবলৈ তেওঁৰ কষ্ট হৈছিল। আৰ্থি অনাটনত ভোগা সন্তান পালনৰ বাবে তেওঁক আপোন কৰিবলৈ সাহস নকৰা দণ্ডিনাথ কলিতাৰ পৰা অৰ্থভীক্ষা কৰিছিল। কি এগৰাকী অবিবাহীতা মহিলাৰ বাবে অৰ্থই সৰ্বস্ব নহয় অবিবাহীতা মাতৃৰ সন্তানটোক লৈ মুখামুখি হোৱা সামাজি ব্যক্তিগত জীৱন পৰিক্ৰমাই এইগৰাকী নাৰীক নিশ্চিতকৈ কঠো আৰু দৃঢ়মনা কৰিছিল। ভাব হয় চৌপাশে তেওঁৰ কাম-কাজ লৈ বিৰূপ আলোচনা হৈছিল। ঘৰখনক সামাজিক ভাবে এঘৰী কৰিছিল। সামাজিক বান্ধোনৰ মাজত অভ্যস্ত জীৱনত সেই শা নিশ্চযকৈ পৰিয়ালৰ বাবে কষ্টকৰ আছিল। সেইবোৰে তেওঁ ৰিক্ত নকৰাকৈ থকা নাছিল। তাৰ মাজেৰে হতাশ নহৈ সামাজি কাম কৰিবলৈ তেওঁৰ মনটো ডাঠ কৰিছিল।

প্ৰত্যক্ষদৰ্শীৰ মতে সন্তানটোৰ জন্মৰ পিছত সমাজ ওলাই অহা লেখিকাগৰাকীৰ খোজ-কাটল, চিন্তাৰ গ সম্পূৰ্ণৰূপে সলনি হ'ল। কালৈকো ভয় নকৰা ধৰণৰ দৃঢ় ভ এটা গঢ় লৈ উঠিল। জাতি-ভেদ নমনা হ'ল। সাহসী আ স্পষ্টবাদী হ'ল। বক্তৃতাবোৰৰ সুৰ সলনি হ'ল। ভাষা উদাত্ত আ শক্তিশালী হ'ল। সামাজিক অপমান শিৰত লৈ সমাজৰ হ কাম কৰিবলৈ অহৰহ উৎসাহ পালে। তেন্তে নিশ্চিতকৈ সু আৰু আমি কল্পনা কৰিব পৰাতকৈ বেছি প্ৰগতিশীল মন এ আছিল। প্ৰচলিতকঠোৰ ৰক্ষনশীল সামাজিক ব্যৱস্থাক অতিক্ৰ যাবলৈ সাহস আছিল সামাজিক, ব্যক্তিগত অপমানক সাহ আ শক্তিলৈ ৰূপান্তৰ কৰিছে। এইখিনি কথাই প্ৰকাশ হোৱাটো দৰকা আছিল। ইয়েই তেওঁ শক্তিশালী ভাবে প্ৰতিষ্ঠা কৰা নাৰীবা চিন্তাক তেওঁৰে উত্তৰকালত পৃথক ৰূপ দিলেহেঁতেন।

এইখিনিতে উল্লেখ কৰা প্ৰয়োজন— প্ৰচলিত পু আধিপত্য থকা সমাজখনেও তেওঁক হয়তো একেবাৰে অস্বী কৰা নাছিল। যাৰ বাবে কাম কৰিবৰ বাবে নিজাকৈ ঠাই অকণ উলিয়াই ল'ব পাৰিছিল কিন্তু তেওঁৰ মনৰ কঠোৰ জগত শক্তিশালী নাৰী-ভাৱনাৰ বিস্তৃতি? সমাজক উপেক্ষা কৰাৰ স আৰু দৃঢ়তা? তাৰ প্ৰকৃত বাখ্যা ক'তো নাই। পৰৱৰ্তী সময়ত বিষয় সামৰি প্ৰকৃত গৱেষণাৰ প্ৰয়োজন আছিল। সমসাম

ব্যক্তি, পৰিয়ালৰ (প্ৰয়াত পুত্ৰ অতুল শইকীয়াই তথ্য দিব পাৰিলেহেঁতেন) লোকৰ পৰা সমকালিন সমাজখনে তেওঁক দেখুওৱা আচৰণৰ বিষয়ে তথ্য পোৱা যাব। কিন্তু আজিকোপতি সেয়া নোহোৱাটো নিশ্চয় দুৰ্বলতা। ভাব হয় চন্দ্ৰপ্ৰভা শইকীয়ানীৰ একক মাতৃত্বৰ ধাৰণাটো বৌদ্ধিক আৰু সামাজিক ভাবে স্বীকৃতি দিবলৈ আমি এতিয়াও অনিচ্ছুক অপ্ৰিয় সত্য কিছুমানক মানি লব পৰাকৈ আমাৰ সমাজ এতিয়াও সাজু হোৱা নাই? বিশ্বজুৰি ক্ৰমে সহজ হৈ অহা একক মাতৃত্বৰ ধাৰণাৰে প্ৰভাৱিত হৈ আমাৰ উত্তৰকালৰ সন্তানসকলে এই পথ বাচি ললেও আচৰিত হ'ব লগা একো নাথাকিব। ক্ষীপ্ৰ গতিশীল সমাজত এসময়ত একক মাতৃত্ব একেবাৰে সাধাৰন কথা হৈ পৰিব। কিন্তু এটা যুগত এই ধাৰণাক দৃঢ়তাৰে মানি লোৱা চন্দ্ৰপ্ৰভা শইকীয়ানীৰ প্ৰতি আমি অন্যায় কৰিছোঁ।

ভাৱ হয় মায়া এঞ্জেল'ই কোৱাৰ দৰে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱনতো কোনো নাছিল যি তেওঁৰ জীৱনটো minimize কৰিব পাৰে। সমাজ, পৰিয়াল, বন্ধু-বান্ধৱী, প্ৰেমিক কোনেও তেওঁক minimize কৰিব নোৱাৰিলে। সেই সাহসেৰে তেওঁ সাহসী আছিল। সেই প্ৰেৰণাময় চিন্তাবোৰৰ পৰা আমাৰ পাঠক সমাজ বঞ্চিত হ'ল। এতিয়া নাৰীবাদী আন্দোলনৰ উত্তৰকাল (Post-faminism)তো লোক-লজ্জাৰ বাবে জন্ম হওতেই সন্তান ৰাজপথত পেলাই থৈ যায়।

মায়া এঞ্জেল'ৰ দৰে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ যথোচিত মূল্যায়ন হওক। সাহিত্যিক হিচাপে নহয় চন্দ্ৰপ্ৰভা শইকীয়ানী এগৰাকী পৃথক নাৰী হিচাপে চিহ্নিত হওক। কেৱল নাৰীবাদী নেত্ৰী, বিপ্লবী, সমাজ সংস্কাৰক আদি প্ৰাচীন উপাধি কিছুমানেৰে তেওঁক minimize কৰাটো উচিত নহয়। কুৰি শতিকাত নাৰী চেতনালৈ বিপ্লৱ অনা এইগৰাকী লেখিকাক আমাতকৈ প্ৰগতিশীল দৃষ্টিৰে চাব লাগে। তাৰ বাবে কিজানি আমিও চিন্তাৰে প্ৰগতিশীল হোৱাৰ দৰকাৰ।

সংযোজনঃ

১) বিতৰ্কিত ছবি 'পদ্মাৱত' মুক্তিৰ পিছত অভিনেত্ৰী শ্বৰা ভাস্কৰে যোৱা ২৭ জানুৱাৰীত প্ৰযোজকলৈ সতীদাহ যোৱা বিষয়ক কিছু গুৰুত্বপূৰ্ণ প্ৰশ্নৰে চিঠি লিখিছে। এগৰাকী নাৰী ধৰ্ষিতা হোৱাৰ পিছত বা বিধৱা হোৱাৰ পিছত জীয়াই থকাৰ সম্পূৰ্ণ অধিকাৰ থাকে। বিষয়টো চৰ্চিত হৈছে। চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে কুৰি শতিকাতে অন্য ৰূপত নিজৰ অধিকাৰ সাব্যস্ত কৰি পথ দেখুৱাই গ'ল। শ্বৰা ভাস্কৰ বা সঞ্জয় লীলা বানচালীয়ে কল্পনা কৰিব নোৱাৰা যুগতেই

২) হলিউদৰ এছলি জুদ আৰু ৰ'জ মেকগোৱান নামৰ দুগৰাকী অভিনেত্ৰীৰ স্বীকাৰোক্তিৰে আৰম্ভ হোৱা ইণ্টাৰনেটৰ 'Me too' নামৰ আন্দোলনটোৱে আজি নাৰীবাদী চিন্তাক বেলেগ পৰ্য্যায়লৈ লৈ গ'ল। ভাৱ হয় চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে এই মুলুকত তেতিয়াই সততাৰে এই আন্দোলন আৰম্ভ কৰিছিল

*(লেখকৰ একাষাৰঃ প্ৰবন্ধটো সম্পূৰ্ণ বুলি লেখকে দাবী কৰা নাই। কোনো সদাশয় পঢ়ুৱৈয়ে যদি চন্দ্ৰপ্ৰভা শইকীয়ানীৰ একক মাতৃত্বৰ ধাৰণাটোৰ ওপৰত কিবা গুৰুত্বপূৰ্ণ লেখা পাইছে অথবা লেখিছে এই বিষয়ে জনালে কৃতাৰ্থ হম।)*

সহায়ক গ্ৰন্থঃ

১. I KnowWhy the Caged Bird Sing(1969) Maya Angelou
২. Letter to My Daughter (2008) Maya Angelou
৩. চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱনী।
৪. বিভিন্ন আলোচনীত সিচৰতি হৈ থকা প্ৰবন্ধ।
৫. আন্তঃজাল।
৬. জ্যোতিপ্ৰসাদ আগৰৱালাৰ ভতিজী, লেখিকা, বিশিষ্ট সমাজকৰ্মী, তেজপুৰৰ মীনাক্ষী বৰুৱাৰ স'তে ব্যক্তিগত কথোপকথন।
৭. হেমলতা বৰুৱা (লেখিকা, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী, তেজপুৰ, বয়স ৯০)ৰ স'তে ব্যক্তিগত কথোপকথন।

সাহিত্য বিশেষ



# साहित्य और समाज

मालती बांगठा

**सा**हित्य और समाज का संबंध घनिष्ठ एवं अटुट माना गया है। इनमें से किसी एक के बिना दूसता महत्वहीन है। मानव जीवन को समाज से और समाज को साहित्य से अलग करने की कल्पना नहीं की जा सकती है। यह निर्विवाद सत्य है कि साहित्य का प्रभाव इतना गहरा एवं विस्तृ है कि मानव और समाज का जीवन बगैर साहित्य कौ शून्य समझा जाएगा।

साहित्य समाज का आइना है। साहित्य रूपी आइना से समाज का वास्तविक प्रतिबिंब देख जा सकता है। हर युग का सर्वश्रेष्ठ साहित्य अपने युग के विचारों द्वारा किसी न किसी रूप में अवश प्रभावित होता है। साहित्य के माध्यम से प्रत्येक युग की वाणी को स्पष्ट रूप से सुना जा सकता है समाज के अनेक क्रिया-कलापों को साहित्य के द्वारा सृजित किया जाता है तथा उसी समय से समा को विभिन्न प्रकार का ज्ञान प्राप्त होता है। साहित्य का मानव जीवन में अत्यधिक महत्वपूर्ण स्था इसलिए है कि साहित्य मानव जीवन को सुधारता ही नहीं बल्कि वह व्यक्ति का मनोविनोद भ करता है। साहित्य समाज के विभिन्न पहलुओं, विभिन्न दिशाओं से पाठकों को परिचित करवाक सच्चाई को उनके सामने लाता है।

साहित्य को व्यक्ति ओर समाज का उद्धारकर्ता समझा जाता है। किसी समाज की अट गहराई को हम तभी जान सकते हैं जब हम उस समाज के साहित्य से पूर्णतः परिचित होंगे। मान को विवेकशील, चिंतनशील, बुद्धिमान व सचेत प्राणी माना गया है। कियोंकि वह अपने आपक

अभिव्यक्ति करने का प्रयास करता है। व्यक्ति की अभिव्यक्त करने की यह प्रवृत्ति आगे चलकर साहित्य का रूप दारण करती है। साहित्य एवं समाज के पारस्परिक संबंध पर प्रकाश डालने से पहले हम साहित्य का अर्थ, परिभाषा और महत्व पर विचार करना आवश्यक समझते हैं। आचर्यो ने साहित्य की परिभाषा देते हुए बताया है की -

"साहित्य भावः साहित्यम"

साहित्य शब्द का अर्थ है 'सहित होने का भाव'। अर्थात सहित का अर्थ है 'साथ'। भाव की दृष्टि से सहित रूप ही साहित्य है। साहित्य की सर्जना के मूल में 'लोकमंगल' की भावना ही विद्यमान है। साहित्य का उद्देश्य मात्र मनोरंजन नहीं बल्कि समाज यदि भटक रहा है तो उसका समुचित मार्ग दर्शन करना भी है। समाज के लिए पीड़ा व समाज के कल्याण की दिशा में सोचना साहित्य का प्राथमिक उद्देश्य है, राष्ट्र कवि मैथिलीशरण गुप्त के शब्दों में -

"केवल मनोरंजन न कवि का कर्म होना चाहिए।
इसमें उचित उपदेश का भी मर्म होना चाहिए।।"

आचार्य रामचन्द्र शुक्ल ने साहित्य को 'जनता की चित्तवृत्तियों का संचित प्रतिबिंब कहाँ' तो आचार्य महावनीर प्रसाद द्विवेदी ने 'ज्ञान राशि का संचित कोष'। साहित्य को किसी एक नर्धारित देश-काल में सामूहिक मनोभावों की विशद अभिव्यक्ति माना जा सकता है। यह अभिव्यक्ति जितन्नी समृद्ध व जितनी समावेशी होंगी, उस राष्ट्र व उस समाज के उतने ही समृद्ध होने की निश्चितता व्यक्त की जा सकती है। भारत का साहित्य प्रारंभ से ही बेहद उन्नत तथा अपने समय की परिस्थितियों की स्पष्ट छवि अंकित करने वाला रहा है। 'ऋग्वेद' से प्रारंभ हुए संस्कृत साहित्य ने उस समय के समाज़ व राजनीति को स्पष्ट रूप से उल्लेखित किया। 'वेदव्यास' कृत 'महाभारत', 'बाल्मीकि'कृत 'रामायण', 'कालिदास' व 'भास' के नाटक भारतीय संस्कृत साहित्य की अमूल्य निधियाँ हैं, जिसमे उस दौर के समाज और जीवन का पूरा चित्रण मिलता हैं। अतः साहित्य व्यक्ति का संस्कार करता है। उसके भीतर छिपी देवता को जगाता है तथा पाशविकता का शमन करता हैं। तुलसीदास जी ने स्वीकार किया है कि कविता लोकमंगक का विधान करती है तथा वह गंगा के समान सबका हित करने वाली होती हैं।

"कीरति भनिति भूति भल सोई।
सुरसरि सम सब कहं हित होई।।"

साहित्य और समाज का अन्योंन्याश्रित सम्बन्ध है। यदि समाज शरीर है तो साहित्य उसकी आत्मा। देखा जाए तो साहित्य मनुष्ट के मस्तिष्क से उत्पन्न होता है क्योंकि मनुष्य समाज का अभिन्न अंग है। जन्म से मृत्यु तक मनुष्य समाज से जुड़ा रहता है वह चाह कर भी समाज से अलग नहीं हो सकता है। उसका पालन-पोषण, शिक्षा-दीक्षा तथा जीवन का निर्वाह समाज द्वारा ही होता है। मनुष्य समाज में रहकर अनेक प्रकार का अनुभव ग्रहण करता है एवं जब वह प्राप्त अनुभव को शब्द द्वारा अभिव्यक्त करता है तो वह साहित्य बन जाता है। और यही अभिव्यक्ति की शक्ति उस व्यक्ति को आगे चलकर साहित्यकार बना देता है। अतः जैसा समाज होता है वैसा ही साहित्यकार की रचना होती हैं और वैसी ही समाज की झलक उस साहित्यकार में देखने को मिलता है। साहित्य एवं समाज का संबंध एक ही सिक्के के दो पहलू एवं एक दूसरे के पूरक भी है। साहित्य का सृजन समाज के लिए एवं समाज द्वारा ही होता है। इसलिए साहित्य की आवश्यकता हर समाज में रही है। कहा गया है -

"अन्धकार है वहाँ जहाँ आदित्य नही है।
मुर्दा है वह देश जहां साहित्य नहीं है।।"

साहित्य वह सशक्त माध्यम हे, जो समाज को व्यापक रूप से प्रभावित करता है। यह समाज में प्रबोधन की प्रक्रिया का सूत्रपात करता है। लोगों को प्रेरित करने का कार्य करता है और जहां एक और यह सत्य के सुखद परिणामों को रेखांकित करता है, वहीं असत्य का दुखद अंत कर सिख व शिक्षा प्रदान करता है। अच्छा साहित्य व्यक्ति और उसके चरित्र निर्माण में भी सहायक होता है। यही कारण है कि समाज के नवनिर्माण में साहित्य की केन्द्रीय भूमिका होती है। इससे समाज के दिशा-बोध होता हैं और साथ ही उसका नवनिर्माण भी होता है। साहित्य समाज को संस्कारित करने के साथ-साथ जीवन मूल्यों की भी शिक्षा देता है। साहित्य समाज को संस्कारित करने के साथ-साथ जीवन मूल्यों की भी शिक्षा देता है एवं कालखंड की विसंगतियों, विद्रुपताओं एवं विरोधाभासों को रेखांकित कर समाज को संदेश प्रेरित करता है, जिससे समाज में सुधार आता है और सामाजिक विकास को गति मिलती है।

साहित्य में मूलतः तीन विशेषताएं होती हैं जो इसके

महत्व को रेखांकित करती हैं। उदाहरणस्वरूप साहित्य अतीत से प्रेरणा लेता है, वर्तमान को चित्रित करने का कार्य करता है और भविष्य का मार्गदर्शन करता है। साहित्य को समाज का दर्पण भी माना जाता है। हालांकि जहां दर्पण मानवीय बाह्य विकृतियों और विशेषताओं का दर्शन कराता है वहीं साहित्य मानव की आंतरिक विकृतियों और खुबियों को चिन्हित करता है। सबसे महत्वपूर्ण बात यह है कि साहित्यकार समाज में व्याप्त विकृतियों के निवारण हेतु अपेक्षित परिवर्तनों को भी साहित्य में स्थान देता है। साहित्यकार से जिन वृहत्तर अथवा गंभीर उत्तरदायित्वों की अपेक्षा रहती है उनका संबंध केवल व्यवस्था के स्थायित्व और व्यवस्था परिवर्तन के नियोजन से ही नहीं है बल्कि उन आधारभूत मूल्यों से है जिनसे इनका साहित्य समाज की उन्नति और विकास की आधार शीला रखता है। इस संदर्भ में अमीर खुसरू से लेकर तुलसी, कबीर, जायसी, रहीम, प्रेमचंद, भारतेन्दु, निराला, नागार्जुन तक की शृंखला के रचनाकरों ने समाज के नवनिर्माण में अभूतपूर्व योगदान किया है। व्यक्तिगत हानि उठाकर भी उन्होंने शासकीय मान्यताओं के खिलाफ  जाकर समाज के निर्माण हेतु कदम उठाए। कभी-कभी लेखक समाज के शोषित वर्ग के इतना करीब होता है की उनके कष्यों को वह स्वयं भी अनुभव करने लगता है। तुलसी, कबीर, रैदास आदि ने अपने व्यक्तिगत अनुभवों का सामाजीकरण किया था जिसने आगे चलकर अबिकसित वर्ग के प्रतिनिधि के रूप में समाज में स्थान पाया। मुंशी प्रेमचंद के एक कथन को यहाँ उद्धृत करना उचित होगा, ''जो दलित है, पीड़ित है, संत्रस्त है, उसकी साहित्य के माध्यम से हिमायत करना साहित्यकार का नैतिक दायित्व है।''

प्रेमचंद का किसान मजदूर चित्रण उस पीड़ा व संवेदना का प्रतिनिधित्व करता है जिनसे होकर आज भी अविकसित एवं शोषित वर्ग गुजर रहा है। साहित्य में समजा की विविधता जीवन-दृष्टि और लोककलाओं का संचरण होता है। साहित्य समाज को स्वस्थ कलात्मक ज्ञानवर्धक मनोरंजन प्रदान करता है जिससे सामाजिक संस्कारों का परिष्कार होता हैं। रचनाएं समाज की धार्मिक भावना, भक्ति, समाजसेवा के माध्यम से मूल्यों के संदर्भ में मनुष्य हित की सर्वोच्चता का अनुसंधान करती हैं। यही दृष्टिकोण साहित्य को मनुष्य जीवन के लिए उपयोगी सिद्ध करते हैं। साहित्य की सार्थकता इसी में है कि वह कितनी सूक्ष्म और मानवीय संवेदना के साथ सामाजिक अवयवों को उद्घाटित करता है।  साहित्य संस्कृति का संरक्षक और भविष्य का पथ-प्रदर्शक है। संस्कृति द्वारा संकलित होकर ही साहित्य लोकमंगल की भावना से समन्वित होता है। सुमित्रानंदन पंत की पंक्तियाँ इस संदर्भ में कहती है की -

''वही प्रज्ञा का सत्य स्वरूप
हृदय में प्रणय अपार
लोचनों में लावण्य अनुप
लोक सेवा में शिव अविकार।।''

निष्कर्षतः हम कह सकते हैं कि समाज और युग का प्रभाव साहित्य पर पड़ना अवश्यम्भावी है, जिससे समाज की प्रवृति अत्यधिक बलशाली होकर समाज को परिवर्तित करती है। जीवन रूपी यथार्थ ने जब भी सामाजिक परिवर्तन किया तब साहित्य ने उसकी अभिव्यक्ति के उत्तर-दायित्व को संभाला। साहित्य और समाज का सम्बन्ध अटुट एवं अगाध है। समाज की जीवन धारा में साहित्य कमल की भाँति खिला रहता है। समाज के तत्व का सार ही साहित्य रूपी नवनवीत है। अतः आवश्यकता इस बात की है कि साहित्यकार सामाजिक कल्याण को ही अपना लक्ष्य बनाकर साहित्य का सृजन करते रहे।

सहायक प्राध्यापक
हिन्दी विभाग



# সাহিত্য পাঠৰ প্ৰয়োজনীয়তা

নয়নমণি গগৈ

সাহিত্য এনে এবিধ সৃষ্টিকৰ্ম যে ই বিজ্ঞান, দৰ্শন, ইতিহাস, সমাজ বিজ্ঞান, অৰ্থনীতি ইত্যাদি জ্ঞানৰ বিভাগৰ পৰা সমল আহৰণ কৰে। আন বিভাগবোৰ তত্ত্বমূলক আৰু প্ৰধানকৈ সেইবোৰ যুক্তিৰ আধাৰত প্ৰতিষ্ঠিত, সাহিত্যত কিন্তু যুক্তিৰ জৰিয়তে লাভ কৰা জ্ঞানক আৱেগ-অনুভূতি আৰু কল্পনাৰ সৈতে যুক্ত কৰা হয়। প্ৰত্যেক মানুহৰে অন্তৰত আৱেগ-অনুভূতি কিছু নহয় কিছু পৰিমাণে থাকেই। এই কাৰণতে সাহিত্য ভাল নোপোৱা মানুহ একোজনেও গান শুনি বা চিনেমা চাই আনন্দ পায়।

মানৱ চৰিত্ৰ বা মানৱ মন অতি জটিল। না না প্ৰকৃতিৰ আশা -আকাংক্ষা, ক্ৰোধ-হতাশা, দুখ-বেদনা, তৃপ্তি-আনন্দ, প্ৰতিজন মানুহৰ মনত দেৱতাৰ দৰে আনন্দ আৰু ৰাক্ষসৰ দৰে জঘন্যতা -- দুয়োটাই আচৰিত ধৰণে ক্ৰিয়া কৰি থাকে। সেই বাবেই মানুহ হৈ জন্ম

লাভৰ অৰ্থনো কি, বা জীৱনৰ অৰ্থনো কি, সেই কথা জানিবলৈ মানুহ আকুল। এইবোৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ প্ৰয়াস কৰে সাহিত্যই। কাৰণ, কল্পনা আৰু সবজ্ঞাৰ যোগেদিহে এইবোৰ প্ৰশ্নৰ উত্তৰ পাব পাৰি। ধৰ্ময়ো মানুহ কোন পথে যাব লাগে বা জীৱনবো আচল অৰ্থনো কি এইবোৰ বিষয়ত মানুহক গভীৰ জ্ঞান দিয়ে। কিন্তু, ধৰ্মশাস্ত্ৰৰ ৰচনাৰাজিতকৈ সাহিত্যৰ চিত্ৰায়ন বেছি মুকলিমুৰীয়া, বেছি সহনশীল আৰু অনেক বেছি সুবিস্তৃত। সাহিত্যই নৈতিকতাৰ প্ৰয়োজনীয়তাক অস্বীকাৰ নকৰে। কিন্তু সফল আৰু সুন্দৰ জীৱন যাপনৰ বাবে মানুহে কত ধৰণৰ পৰিস্থিতি কত ধৰণৰ জটিল বিপৰ্যয়ৰ মাজেৰে যাব লগা হয় সেই কথা পুংখানুপুংখকৈ সাহিত্যই চিত্ৰায়িত কৰে। সাহিত্য সৃষ্টি হোৱা দিনৰে পৰা এইবিলাক কথা জানিবলৈ সাধনা কৰি আহিছে। মানৱ সভ্যতাৰ গৌৰৱ আৰু জ্যোতি এনে সাধনাই উজ্জ্বলাই তুলিছে। ভাষাক প্ৰাণৱন্ত, ঐশ্বৰ্যময় আৰু মহিমামণ্ডিত কৰি তুলিব পাৰে কেৱল সাহিত্যইহে। একো একোটা ভাষাৰ খ্যাতি আৰু গৌৰৱ নিৰ্ভৰ কৰে সেই ভাষাৰ মহৎ সাহিত্যিকসকলৰ ওপৰত। কালিদাসৰ ৰচনাৱলীয়ে সংস্কৃত ভাষাৰ জেউতি চৰাই তুলিছে। সাহিত্য পাঠৰ যোগেদি একোজন মানুহে নিজ মাতৃভাষাটোক আৰু অন্যান্য চহকী ভাষাবোৰক ভাল পাবলৈ শিকে। সাহিত্যই বিশ্ব মানৱৰ মনত ভ্ৰাতৃত্ববোধ গভীৰতৰ কৰি তোলে।

সাহিত্যই তাপিত অন্তৰ শাঁত কৰে। সাহিত্য আৰু কলা সংস্কৃতিয়ে মানুহক ব্যক্তিগত স্বাৰ্থপৰতা আৰু ব্যক্তিগত হতাশাৰ পৰা মুক্তি পোৱাৰ পথ দেখুৱায়। সেয়েহে সাহিত্য সভ্যতাৰ অপৰিহাৰ্য অংগ। সাহিত্য সমাজৰ দাপোণ। সমাজৰ ৰূপ সাহিত্যিকে বিভিন্ন ধৰণে দেখুৱায়। মানুহ একোজনৰ তেওঁ বাস কৰা সমাজখনৰ সৈতে যে সম্পৰ্ক কিমান গভীৰ সাহিত্যই সেই কথা আমাক প্ৰত্যয়জনক ভাৱে জনায়। পৃথিৱীৰ বিভিন্ন দেশৰ, বিভিন্ন সমাজবোৰৰ বিষয়ে সাহিত্যই আমাক জ্ঞান দিয়ে। লগতে এনে বিভিন্নতা থাকিলেও যে মূলতঃ সকলো মানুহ একে সেই কথাও সাহিত্যই যুগে যুগে আমাক জনাই আহিছে।

ভাৰতীয় নন্দন তত্ত্ব অনুসৰি ন প্ৰকাৰৰ ৰস সৃষ্টি কৰাটো সাহিত্যৰ প্ৰধান কাম। এই ৰসবোধে পাঠকৰ মনত ওখ খাপৰ আৰু সূক্ষ্ম ধৰণৰ আনন্দ জন্ম দিয়ে। এনে আনন্দই মানুহক সংস্কৃত, মাৰ্জিত আৰু সুৰুচি সম্পন্ন কৰি তোলে। লগতে ই মানুহৰ মনত সৌন্দৰ্যৰ চেতনা জাগ্ৰত কৰি তোলে। এই কাৰণতে ক'ব পৰা যায় যে সাহিত্যই একেলগে মানুহক মহৎ হ'বলৈ আৰু সুন্দৰৰ সাধক হ'বলৈ শিকায়, সুন্দৰৰ সাধনাই জীৱনক ভাল পাবৰ বাবে আমাক উদ্‌গনি দিয়ে। কলাৰ লক্ষ্য সুন্দৰৰ সাধনা আৰু সাহিত্য এবিধ কলা। ইংগিতময়তাৰ যোগেদি কলাই মানুহৰ মনলৈ বৈচিত্ৰ্যময় অনুভূতিবোৰ আনে।

আজি বিজ্ঞানৰ যুগত যদি সাহিত্যৰ প্ৰয়োজনীয়তা কমি আহিছে বুলি কোনোবাই কয়, তেন্তে সি তেনেই তৰাং যুক্তি হ'ব। কাৰণ, বিজ্ঞানে মানুহক ক্ষমতাশালী কৰি তুলিব পাৰিছে যদিও মানুহৰ মূল চাৰিত্ৰিক বৈশিষ্ট্যবোৰ বেলেগ কৰি দিব পৰা নাই। আজিও মানুহৰ জীৱন হাঁহি আৰু কান্দোনৰ বিচিত্ৰ সমাহাৰ। সেইবোৰ কাৰণতে মানুহে মহাভাৰত, ৰামায়ণ, ইলিয়াড, অ'ডিছি, ডিভাইন কমেডি আদি সাহিত্য-কৃতিবোৰক দিক্ নিৰ্ণায়ক নক্ষত্ৰ ৰূপে গণ্য কৰে। কুৰি শতিকাৰ শ্ৰেষ্ঠতম বৈজ্ঞানিকসকলেও মহৎ সাহিত্যিক সকলক প্ৰকৃত অৰ্থত দ্ৰষ্টা বুলি সন্মান কৰি আহিছে। জীৱনক পূৰ্ণ ৰূপত জানিবলৈ সাহিত্য আৰু বিজ্ঞান দুয়োটাৰে প্ৰয়োজন আছে। সমাজ এখনে ধাৰণ কৰি ৰখা প্ৰমূল্যসমূহ বিজ্ঞানে অকলশৰীয়াকৈ যোগান ধৰিব নোৱাৰে। সাহিত্যৰ প্ৰয়োজন ইয়াৰ বাবে অপৰিহাৰ্য। কাৰণ, মানুহৰ মনৰ খবৰ সাহিত্যিকৰ সমান কোনেও নাজানে বা নুবুজে।

বি. দ্ৰ. ঃ সংগ্ৰহ

স্নাতক তৃতীয় যান্মাসিক
কলা শাখা



সাক্ষ্যাৎকাৰ

সাক্ষাৎকাৰ

# প্ৰসিদ্ধ লেখিকা ৰীতা চৌধুৰীৰ সৈতে বাৰ্তালাপ

সাক্ষাৎ গ্ৰহণ : বন্যা হাজৰিকা

*(ৰীতা চৌধুৰী অসমৰ সাহিত্যিক জগতৰ এটি প্ৰভাৱশালী নাম। 'অবিৰত যাত্ৰাৰ' যোগেদি সাহিত্য ক্ষেত্ৰত প্ৰৱেশ কৰা সাহিত্যিকগৰাকীৰ প্ৰত্যেকখন গ্ৰন্থই পাঠকৰ মনত এক বিশেষ জোকাৰণিৰ সৃষ্টি কৰিবলৈ সক্ষম হয়। ২০০৮ চনত "দেওলাংখুই" উপন্যাসখনৰ বাবে তেওঁ সাহিত্য অকাডেমী বঁটা লাভ কৰে। তদুপৰি তেওঁ অসম সাহিত্য সভা বঁটা, অসম উপত্যকা বঁটাকে ধৰি কেইবাটাও বঁটা লাভ কৰিছে।*

*এই গৰাকী সাহিত্যিকৰ লগত হোৱা কথোপকথনৰ কিছু অংশৰ 'জ্যোতিষ্মান'ৰ পাঠকৰ বাবে প্ৰকাশ কৰিলো।)*

**ন**মস্কাৰ বাইদেউ। আৰম্ভণিতে আপোনাক গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ তৰফৰ পৰা অভিনন্দন জ্ঞাপন কৰিছোঁ। বৰ্তমান সময়ৰ অসমৰপ্ৰভাৱশালী লেখকসকলৰ ভিতৰত আপুনি আমাৰ সকলোৰে বাবে পৰিচিত। সকলো শ্ৰেণীৰ পাঠকৰ মাজতে আপোনাৰ জনপ্ৰিয়তা আছে। আমি যুৱ চামেও আপোনাৰ লেখাৰ মাজত বাস্তৱ জীৱনৰ এখন জীয়া ছবি দেখা পাওঁ। আপোনাৰ নিৰ্ভীক অথচ সাৱলীল সৃজনাত্মক লেখনিয়ে আমাক অনুপ্ৰাণিত কৰে। এই অনুপ্ৰেৰণাৰ আঁত

ধৰিয়েই আপোনাৰ লেখক জীৱন আৰু ব্যক্তি জীৱনৰ কিছু কথা জানিব বিচাৰি গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী " জ্যোতিষ্মান "ৰ তৰফৰ পৰা আপোনাৰ লগত কিছু কথোপকথন কৰিব বিচাৰিছোঁ।

নিশ্চয়, এই সাক্ষাৎকাৰৰ জৰিয়তে মোৰ মনোভাৱ প্ৰকাশ কৰিলে মই অত্যন্ত সুখী হ'ম।

**সম্পাদক ঃ** সাহিত্য জগতত প্ৰৱেশ কৰাৰ ধাৰণা আপোনাৰ মনত কেতিয়া আৰু কেনেদৰে আহিছিল?

**ৰীতা চৌধুৰী ঃ** আচলতে মই আগতীয়াকৈ ভাৱি বা কোনো পৰিকল্পনা কৰি সাহিত্য জগতত প্ৰৱেশ কৰা নাছিলো। অসম আন্দোলনৰ সময়ত মই যেতিয়া আত্মগোপন কৰি আছিলো, সেই সময়ত অসম সাহিত্য সভাই উপন্যাসৰ পাণ্ডুলিপি প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিল। সেই কথা জানিব পাৰি মই মোৰ প্ৰথম উপন্যাস "অবিৰত যাত্ৰা" লিখিছিলো। সেই প্ৰতিযোগিতাত মোৰ উপন্যাসখনে প্ৰথম পুৰস্কাৰ লাভ কৰিছিল। তেনেদৰেই মোৰ লেখক জীৱনৰ আৰম্ভণি ঘটিছিল ।

**সম্পাদক ঃ** সাহিত্য চৰ্চাৰ ক্ষেত্ৰত আপোনাৰ অনুপ্ৰেৰণাৰ উৎস কোন?

**ৰীতা চৌধুৰী ঃ** মই নিজেই মোৰ অনুপ্ৰেৰণাৰ উৎস। মই নিজৰ পৰাই শক্তি পাওঁ, সাহস গোটাওঁ। নিজক আগত ৰাখিয়েই মই আগবাঢ়ি যাওঁ। আচলতে অনুপ্ৰেৰণাৰ উৎস এটা নাথাকে। বিভিন্ন জনৰ বিভিন্ন কথাই, বিভিন্ন বিষয়ে মোক অনুপ্ৰাণিত কৰে। কিন্তু মূলতঃ মই নিজৰ পৰাই আগুৱাই যোৱাৰ শক্তি আহৰণ কৰোঁ।

**সম্পাদক ঃ** আপোনাৰ প্ৰথমখন উপন্যাস "অবিৰত যাত্ৰা" ৰ প্ৰকাশৰ আঁৰৰ কাহিনী সবিশেষ জনাব নেকি?

**ৰীতা চৌধুৰী ঃ** যিহেতু মই ইতিমধ্যে জনাইছোঁ যে অসম আন্দোলনৰ সময়ত মই আত্মগোপন কৰি আছিলো, সেয়েহে সেই সময়ত অনুষ্ঠিত বিভিন্ন কাৰ্যসূচীলৈ মই যাব পৰা নাছিলোঁ। আৰু যেতিয়া মই অসম সাহিত্য সভাই অনুষ্ঠিত কৰা প্ৰতিযোগিতাৰ বিষয়ে গম পাইছিলোঁ মই উপন্যাসখন লিখিছিলোঁ। তাৰ ফলাফল লাভ কৰাৰ সময়তে মোক জেললৈ নিয়া হৈছিল আৰু তেতিয়া মোৰ বয়সো কম আছিল। মোৰ উপন্যাসখনেও প্ৰথম পুৰস্কাৰ লাভ কৰিছিল। গতিকে, সকলে মিলি মোক লেখক হিচাপে এক পৰিচয় আগতেই দি দিলে মোৰ কাৰণে ক'ৰবাত অলপ সহজ হৈ পৰিছিল।

**সম্পাদক ঃ** আপোনাৰ এখন খুবেই সফল আৰু চৰ্চিত উপন্যা 'পপীয়া তৰাৰ সাধু'ত বাস্তৱ জীৱনৰ এক দুখলগা প্ৰতিচ্ছ দাঙি ধৰা হৈছে। সংবাদ ক্ষেত্ৰত প্ৰৱেশ কৰা এজনী সহজ সৰ ছোৱালী এচাম মুখা পিন্ধা ভদ্ৰ লোকৰ দ্বাৰা প্ৰতাৰিত হোৱা এক মৰ্মান্তিক কাহিনী প্ৰকাশ কৰিছে। এই বিশেষ গ্ৰন্থখন ৰচ কৰাৰ আঁৰত আপোনাৰ কি উদ্দেশ্য আছিল?

**The GIHI top 10 cities/metropolitan are in research innovation are:** New York, Bosto Cambridge-Newton, San Francisco-San Jose, Lond Baltimore-Washington, Paris, Chapel Hill-Durha Raleigh, Beijing, Los Angeles-Long Beach-Anahe and Tokyo.

**The GIHI top 10 cities/metropolitan are in innovation economy are:** San Francisco-San Jo Tokyo, Beijing, Shenzhen, Shanghai, Tel Aviv, Seo Kyoto-Osaka-Kobe, Seattle-Tacoma-Bellevue a Boston-Cambridge-Newton.

**The GIHI top 10 cities/metropolitan are in innovation ecosystem are:** San Francisco-San Jo New York, London, Boston-Cambridge-Newto Chicago-Naperville-Elgin, Los Angeles-Long Bea Anaheim, Amsterdam, Singapore, Seattle-Taco Bellevue and Philadelphia.

**Assistant Profess**
**Department of Comme**

***References :***

1) Aggarwal .K.K, "Creativity and Innovation: The Essentials for a Progressive Society". University News. Vol.58 No.06 February 10-16, 2020. P24.
2) https://www.diva-portal.org/smash/get/diva2:1118192/FULLTEXT01.pdf - "Building and managing an innovation hub". Downloaded on 08/02/2021
3) https://www.nature.com/articles/d42473-020-00535-9" Global Innovation Hub Index 2020" googled on 08/03/2021

ব্যক্তিত্ব

# FAMOUS INDIAN MATHEMATICIAN

**Deep Ghosh**
**Subhajit Ghosh**
**Priya Paul**



**ARYABHATA** : If it was not for Aryabhata, there would not have been a number '0'. Aryabhata was one of the greatest astronomer. He belonged to the Gupta dynasty and was the one to discover the value the number zero. He also gave to the world the value of pie up to four decimals.

**BRAHMA GUPTA** : He was the one to invent the Fibonacei identify. He also gave to the world the sine table as well as the Pythagorean triples. His most significant contribution was the introduction of "0" and the fact that it stood for nothing. In the 7th century, Brahmagupta discovered the first general formula for saving quadratic equations.

**BHASKARA** : His work in calculus and how it is applied to astronomical problems and computations is what makes him immensely popular.

**SRINIVASA RAMANUJAN** : Self taught Indian mathematician who coined the idea of "taxicab numbers". Ramanujan is most popular for his contribution in analytical theory of numbers, elliptic functions, continued fractions and infinite series.

**SATYENDRA NATH BOSE** : Best known for his stupendous work in quantum mechanics, Satyendra Nath Bose developed the statistical mechanics for bosons of a photon gas. He is also popular for his collaboration with Albert Einstein.

**CR RAO** : An Indian American mathematician most popular for his theory of estimation. The Rao Blackwell and the cramer. Rao the orem (both related to the quantity of estimators) are his top discoveries.

**PC MAHALANOBIS** : He was as the father of modern statistics in India, PC Mahalanobis was an Indian scientist and applied statistician. He is best known for being one of the members of the first planning commission of free India and for the Mahalanobis distance, a statistical measure.

**SHAKUNTALA DEVI** : One of the most popular female Indian mathematician of all time who was also known as the human computer. Her speed and accuracy in mental calculations were unbelieving. Shakuntala Devi Competed against a computer in Dallas to give the cube root of 188138517 and she won. Furthermore, she went ahead to compete with the world's fastest computer UNIVAC to solve the 23rd root of a 201 digit number and she won that too!

**Fields Medal** : The Fields Medal is regarded as one of the highest honors a mathematician can receive, and has been described as the mathematician's Nobel Prize. Although there are several key differences, including frequency of award, number of awards and age limits. The Fields medal is consistently regard as the top award in the field of mathematics worldw and in another reputation survey conducted by IRE in 2013 -14, the Fields Medal comes closely after Abel Prize as the second most prestigious internatio award in mathematics.

The name of the award is honour of Canad mathematician John Charles fields. Fields instrumental in establishing the award, designing medal himself, and funding the monetary component.

**Manjul Bhargava** : Manjul Bhargava (b 8th August 1974) is a Canadian Ameri mathematician. Bhargava was born to an Indian fan in Hamiton, Ontario, Canada, but grew up and atten school primarily in long Island, New York. His mo Mira Bhargava, a mathematician of Hofstra Univer was his first mathematics teacher. He is the profe of mathematics at Princeton University, the stiel professor of number theory at Leiden University, also holds Adjusts professorships at the Tata Insti of Fundamental Research, the Indian Institute Technology, Bombay and the University of Hyderal He known as primarily for his contributions to num theory.

Bhargava was awarded the Field Medal in 20 According to the International Mathematical Un Citation, he was awarded the prize "for develop powerful new methods in the geometry of numb which he applied to count rings of small rank an bound the average rank of elliptic curves".

**B. Com 5th Semes**



# অৰণ্য মানৱ পদ্মশ্ৰী যাদৱ মূলাই পায়েং

পম্পী গগৈ

আৰম্ভণি ঃ

আজিৰ সময়ত আমি মানৱ সমাজে নিজৰ অভাৱসমূহ পুৰণ কৰিবৰ বাবে প্ৰকৃতিৰ লগত বহুত হেতালী খেলা দেখা গৈছে। চহৰৰ ডাঙৰ ডাঙৰ অট্টালিকাৰ সংখ্যা বাঢ়ি গৈ আছে আৰু জংঘলৰ সংখ্যা কমি গৈ আছে। পৃথিৱীত প্ৰতি বছৰে জনসংখ্যা ১.১ শতাংশকৈ বাঢ়ি গৈ আছে; কিন্তু অক্সিজেন দিয়া মুখ্য উৎপাদন গছক আমি শেষ কৰি গৈ আছো। এইটো এটা ডাঙৰ চিন্তনীয় বিষয় হৈ পৰিছে।

কিন্তু আমাৰ মাজত এনেকুৱাও ব্যক্তি আছে যিয়ে পৰিৱেশৰ কথা ভাৱে। যি জনে অকলেই ১৩৬০ একৰ মাটি জংঘললৈ পৰিৱৰ্তন কৰিলে।

এই জন মহান ব্যক্তিয়ে হ'ল - 'অৰণ্য মানৱ পদ্মশ্ৰী যাদৱ মূলাই পায়েং।' যাৰ জীৱন আমাৰ সকলোৰে বাবে আদৰ্শ স্বৰূপ। বিনা স্বাৰ্থত তেওঁ আমাক ইমান ডাঙৰ উপহাৰ দিছে।

তেওঁক ভূত পূৰ্ব ৰাষ্ট্ৰপতি এ.পি.জে. আব্দুল কালামে - Forest Man of India নামৰ উপাধি প্ৰদান কৰে।

১৯৬৩ চনত যাদৱ মূলাই পায়েং দেৱৰ জন্ম হয় অসমৰ মিছিং জনজাতীয় ঘৰত। অসমৰ যোৰহাট জিলাৰ সমীপতে থকা মাজুলী জিলা পৃথিৱীৰ সৰ্ববৃহৎ নদী দ্বীপ। এই ঠাই সকলো ফালৰে পাৰ পানীৰে আগুৰি আছে। ব্ৰহ্মপুত্ৰ নদী ইয়াৰ সংলগ্ন। প্ৰতি বছৰে বানপানীয়ে ইয়াৰ আশে-পাশে থকা প্ৰায়বোৰ চৰ-চাপৰি অঞ্চল পানীৰ তলতে থাকে। এইবোৰ দেখি শুনি সৰুৰে পৰা যাদৱ পায়েং ৰ মনত ইয়াক বছোৱাৰ ইচ্ছা মনস্থ হয়। ১৬ বছৰৰ বয়সতে যেতিয়া দেখিছিল যে গছ-গছনি নথকা ফলত ইমান বাঢ়নী পানীৰ দ্বাৰা ধ্বংস হৈছে যে তেওঁ ২০ জোপা বাঁহ গছ ৰোপন কৰি ইয়াৰ শুভাৰম্ভণি কৰে। তেতিয়া চৰকাৰে তথা forest department ৰ তৰফৰ পৰা ২০০ হেক্টৰ মাটিত গছ ৰোপন কৰাৰ কথা ভাৱে তেতিয়া যাদৱ পায়েংয়েও তেওঁলোকৰ লগত বৃক্ষৰোপণ কামত নিয়োজিত হয়। ১৬ বছৰ বয়সতে তেওঁ এই কামত নিয়োজিত হৈছিল। যিসমূহ গছ ডাঙৰ হ'বলৈ দুবছৰ সময়ৰ প্ৰয়োজন হয়। দুবছৰ পাছতো তেওঁ থমকি ৰোৱা নাছিল। বৰঞ্চ তেওঁ এই কামত একান্তভাৱে নিজকে সপি দিছিল।

তেওঁ নদী দ্বীপ মাজুলিতে নিগাজিকৈ থাকিবলৈ লয় আৰু এটা ঘৰ সাঁজি লয়। তেওঁৰ পত্নী, দুজন পুত্ৰ আৰু জীয়েক এগৰাকীৰ সৈতে। তেওঁৰ পৰিয়ালৰ সকলো সদস্যই এই কামত সহায় কৰিবলৈ লয়। তেওঁ নতুন গছ ৰোপন কৰিবলৈ আৰু পুলি সমূহ সংগ্ৰহ কৰিবলৈ প্ৰতিদিনে জংঘললৈ যায়। যেতিয়া গছবোৰ ডাঙৰ হ'বলৈ ধৰিলে তেওঁৰ সমস্যা আৰু বাঢ়িবলৈ ধৰে। কাৰণ কিছুমান দুষ্ট প্ৰকৃতিৰ মানুহে পইচাৰ বাবে ডাঙৰ গছ তথা মূল্যৱান কাঠৰ গছ কাটিবলৈ আহে আৰু অৰণ্যৰ থকা জীৱন-জন্তু সমূহৰো অনিষ্ট তথা ক্ষতি সাধন কৰিবলৈ বিচাৰে কিন্তু অৰণ্য মানৱ যাদৱ পায়েঙে তৎক্ষণাত ফৰেষ্ট ডিপাৰ্টমেন্ট লগত যোগাযোগ কৰে আৰু এই সমস্যাৰ মোকামিলা কৰে।

তেওঁ কয় যে - জংঘলৰ গছ কটাৰ আগত মো আগত কাটিব লাগিব। তথাপিও গছ কাটিবলৈ বা ইয়াৰ অনি সাধন কৰিবলৈ দিয়া নহ'ব।

১৯৭৯ চনৰ পৰা ধাৰাসাৰে, অবিৰত ভাৱে তেওঁ কষ্ট সাধন কৰিছে আজি সেই কৰ্মই তেওঁৰ মনত ৰং সানি দিছে ১৩৬০ একৰ বিঘা মাটি অৰণ্যলৈ পৰিৱৰ্তন কৰিছে। এই অৰ তেওঁৰ নাম "MALAI FOREST" নামেৰেই জনা যা তেতিয়া ২০০৮ চনত এজন সাংবাদিকে এই অৰণ্যখনক দে তেতিয়া ইয়াৰ বিষয়ে জানিবলৈ ইচ্ছা প্ৰকাশ কৰে। ইয়াৰ পাছ তেওঁ যাদৱ পায়েংৰ লগত কথা-বতৰা পাতি; তেওঁৰ ওপৰ আধাৰিত এটা 'article' প্ৰস্তুত কৰে আৰু তেতিয়াৰে পৰা যাদ পায়েংদেৱক চিনি পাবলৈ ধৰে। যাদৱ পায়েংৰ এই কামৰ বা বহুতো সন্মানীয় পুৰস্কাৰে পুৰস্কৃত কৰা হৈছে। ২০১৫ চন তেওঁক ভাৰত চৰকাৰৰ দ্বাৰা পদ্মশ্ৰী সন্মান প্ৰদান কৰা হয়। এ ধৰণৰ ব্যক্তিয়ে আমাৰ প্ৰকৃত হিৰ'।

**সামৰণি ঃ**

যি নিজৰ জীৱন আৰু ভৱিষ্যতৰ কথা চিন্তা নক সমাজৰ হিতৰ বাবে কাম কৰে; এওঁ আমাৰ অনুপ্ৰেৰণা, আদ স্বৰূপ।

**স্নাতক তৃতীয় ষান্মাসিক (কলা শাখা**

অনুভৱ - অভিজ্ঞতা

# Life as a College Student



**Mousumi Dey**

College is a dreamland of students academic career. It is a fascinating parorama of enjoyment, freedom and friendship. Sweet memories and pleasures of college life are simply amazing. The first and the last day, group of friends, unexpected holidays, functions of curricular and extra curricular activities and adventures at hostel make college life the most memorable and unforgettable part of life.

"College life' is that phase in one's life
When one learns the most important
Lessons of life."

College life with more and more freedom and learning environment has a longer lasting effect on a student's life. The quality of the teachers and their effective teaching styles really make college life exceptional. The interaction of new and well – educated teachers and new classmates creates a different environment so that thoughts are changed, new hopes get generated and dreams become realities. The buildings are huge and impressive. There are big halls for functions and laws and playgrounds for games. Colleges have wonderful labs and libraries.

In college life, there is interaction with different people from different places and different fomilies so that a student is able to know about different traditions and styles. This has a good effect as personality. It also develops a spirit of unity, brotherhood and friendship. The most interesting part of college life is the tours and visits to different places. The tours with classmates and college fellows help in understanding each other. Everyone cares about someone. Group gathering and spending time with each other make those moments more memorable. These tours also develop the friendship for life.

College life is basically a route towards professional educations. From the professional point of view, college is the best place. It provides the best facilities and the best route to sources. If a career is properly started the destination becomes quite easy. College life is a very memorable part of life and one's career.

In the end, I can say that the college life is a beautiful blend of joys and memories. On the whole, every day spent in college is loaded with some colorful events such as freedom, special breaks, matches and functions. No doubt college life is an ideal part of academic life. Its charms can never fade away.

**B.Com 3rd Sem**

# Jorhat IGC(21) Shillong IGC NER PROCI Guwahati Shillong 18 Select

Ajay Sharm
Abhigyan Kacha

The Delhi Republic Day Parade the most efficace of the parades marki The Republic Day celebrations in India's defense capability and its cultural and soc heritage,

Being an Army NCC cadet. WQ Ajay Sarmah / Abhigyan Kachari 12 Ass (I) Coy, NCC. Also got an opportunity to participate in Republic Day Camp 202 As We were the participant in Republic Day Camp I would like to share my experien related to the events in this contest. There are only a few lucky one's who get experience that. For that, even if we need to lose outon our sleep for three mont an NCC Cadet from NER Directorate, Who is a part of the PM rally and rajpath have done 10 camps. We have competed with lakhs of cadets to be Rajpath cad and PM rally cadets. Not everyone gets the chance to salute the president and country was watching us, so it is a great feeling. First we attended the base camp Jorhat. Then took part in Inter-Group Competition then pre-RDC camp and th selection. We went to the PM's house and chief of Army for party. This camp always be our cut above journey in our entire NCC career.

H.S. 2nd year (commer
B.A. 5th S

রস ৰচনা



# জেউতী মাহীৰ কাহিনী

জুলি শইকীয়া

জেউতী মাহীৰ কাহিনী শুনিবলৈ শুৱলা। বয়স তেওঁৰ এতিয়া তিনিকুৰি, চাৰিমাহ, ছয় দিন। তথাপিও এতিয়াও তেওঁ চালে চকুৰোৱা, যেন সাইলাখ অপেশ্বৰীহে। দুগালত একেবাৰ তেজে ফুটু-ফুটু। ইচ্ প্ৰসাধন হ'বলা কমকৈ কৰে। মাহীয়ে নিজকে সাজি কাচি ৰখাটোৱেই মাহীৰ বাবে প্ৰধান কাম। এদিনাখন মাহী সাজি-কাচি ক'ৰবালৈ গৈ আছিল, তেনেতে পিছফালৰ পৰা আচৰিত ধৰণেৰে কোনোবাই মতা শুনিলে "হেৰা অপেশ্বৰীজনী তুমি আৰু ছল্লিশ বছৰ জীয়াই থাকিবা।" মাহীয়ে ইফালে সিফালে চাই কাকো দেখা নাপালে। নিজৰ ভ্ৰম বুলি ভাবি কিছুদূৰ গৈ আকৌ তেনেদৰে শুনা পালে। এইবাৰ মাহীয়ে মনতে ভাবিলে এইয়া হয়তু ভগৱানৰে আহ্বান। আৰু ছল্লিশ বছৰ যিহেতু জীয়াই থাকিমেই নিজকে আৰু অলপ সুন্দৰী কৰি তোলো।

জেউতী মাহীয়ে তাকে ভাবি গুণি পাৰ্লাৰলৈ গ'ল। পাৰ্লাৰত মাহীয়ে চুলি কাটি, ফেচিয়েল কৰি সাইলাখ যোল্ল বছৰকীয়া অপেশ্বৰজনী হৈ ওলাই আহিল। আহি থাকোঁতে হঠাৎ বাছ এখনে খুন্দিয়ালে। মাহী ক'ৰবাত ওফৰি পৰিল আৰু কিছুসময়ৰ পাছত মাহীৰ মৃত্যু হ'ল। মৃত্যুৰ পাছত মাহীয়ে সিপুৰীত ভগৱানক লগ পাই সুধিলে, "আপুনিতো মই আৰু ছল্লিশ বছৰ জীয়াই থাকিম বুলি কৈছিল, কিন্তু হঠাৎ মোক এনেকৈ মাৰি পেলালে কিয়?" ভগৱানে উত্তৰত ক'লে, "ধেৎ মই তোমাক চিনিকে পোৱা নাছিলো।"

স্নাতক পঞ্চম ষান্মাসিক
(কলা শাখা)

## ভ্ৰমন কাহিনী



# কমলাবাৰী ফেৰী ঘাটৰ হিৰণ্যময়ী সোঁৱৰণ

প্ৰণৱ পাঠ



মাজুলীৰ পৰা যোৰহাটলৈ প্ৰত্যাৱৰ্তনৰ সময়ত কমলাবাৰী ফেৰী ঘাটৰ সৰু হোটেলকেই
দেখি একাপ পিকা চাহ খোৱাৰ মন হ'ল। সময় তেতিয়া বিয়লি দুটা বাজিছে। হোটেল এখনৰ সন্মুখ
মটৰ বাইকখন ৰখাই প্লাষ্টিকৰ চকী এখনৰ ফালে আগুৱাই গ'লোঁ। কৃষ্ণ বৰণীয়া ক্ষীণ কায়াৰ বয়োজে
মানুহ এজন এখোজ আগুৱাই আহি অতি আদৰণীয় মাতেৰে চকী এখন মোৰফালে আগবঢ়াই দি
হয়ঙ্গ তেখতৰ নামেই বিৰুচন দাস। চকীখনত বহি চকু দুটা মুদি শান্তিৰ নিস্বাস লওঁতে "সময় হে ধ
চ'লো" শীৰ্ষক, ডঃ ভূপেন হাজৰিকাৰ এই গীতটি উচ্চ স্বৰত ভাঁহি আহি মোৰ কাণত প্ৰতিধ্বনি
হ'ল। গীতটি কৰ পৰা ভাঁহি আহিছে সন্ধান কৰিলোঁ। সন্মুখৰ টেবুলখনৰ এটাচুকত 'সন্তোষ' ব্ৰে
পুৰণা ৰেডিঅ'টোৰ পৰা গীতটি ভাঁহি আহিছে। ৰেডিঅ'টিৰ উপৰি টেবুলখন তামোল-পান, বিস্
কেকৰ টেমা, পানীৰ বটল, সিজোৱা কণীৰ দুখনমান প্লেট আৰু কেইটামান বন্ধ কাৰ্টুনেৰে পূৰ্ণ
আছিল। খুৰা, সুন্দৰ গীত শুনাইছে। লগে লগে উত্তৰ দিলে মনোৰঞ্জন বুজিছে। মনোৰঞ্জনৰ বাবে বি

খাব দিমনে? ব্যঙ্গাত্মক কথাযাৰত মানুহজনৰ মুখখনলৈ চাবলৈ বাধ্য হ'লো। মানুহজনে ব্যৱসায়ৰ সুৰত কথা পাতে যদিও কথাবোৰত আত্মীয়তাৰ গোন্ধ আছে। বিৰুচনৰ পৰা দৃষ্টি আঁতৰাই আনি ৰেডিঅ'টোত নিক্ষেপ কৰি দেখোঁ আকাশৰ ফালে প্ৰায় দুফুট দৈৰ্ঘ্যৰ এডাল তাঁৰ ৰেডিঅ'টোত সংলগ্ন কৰা আছে। প্ৰিয় হিন্দী গীতটি শুনাৰ লগতে সংলগ্ন হৈ থকা তাঁৰডালৰ কথা ভাবিলোঁ। এইডালবা আকৌ কিয়? গান শুনি ভাল লাগিছে খুৰা; কিন্তু ৰেডিঅ'টোত তাঁৰ ডাল কিয়বা সংলগ্ন কৰি ৰাখিছে, বুজি নাপালোঁ? তেখেতে তপৰাই উত্তৰ দিলে। এন্টেনাৰ, বুজিছে। নেটৱৰ্ক নাপায় বাবে লগাইছো। মানুহজনৰ ৰসাল কথাই পুনৰ হাঁহিবলৈ বাধ্য কৰালে। এই ৰেডিঅ'টোৰে মোক কিছু বছৰৰ আগলৈ ওভোতাই নিলে। সৰুতে ৰেডিঅ'ত অসমীয়া, হিন্দীৰ উপৰিও পাশ্চাত্য গীতৰ অনুষ্ঠান আকাশ বাণী ডিব্ৰুগড়, গুৱাহাটি, শ্বিলঙ, কহিমা আৰু মককচাং আদি কেন্দ্ৰৰ পৰা শুনা মনত পৰে। আজিকালি ৰেডিঅ' দেখিবলৈকে নাই। মানুহজনৰ কথা-বতৰা আৰু কাণ্ড-কাৰখানাই মোক কম সময়তে সন্মোহিত কৰিলে। মোৰ কাষতে সৰু শিকলি এডালেৰে দুখন চকী যুটি থোৱা লক্ষ্য কৰিলো। মনৰ কৌতুহল সামৰিব নোৱাৰি সুধিবলৈ বাধ্য হ'লো—"খুৰা, চকী দুখন এনেদৰে এৰাল দি কিয় ৰাখিছে?" কৰোণাৰ উপদ্ৰপ বাঢ়িছে। সেয়ে লক ডাউন। প্ৰকৃতাৰ্থত চকীবোৰ কেতিয়াবা গ্ৰাহকে বহিবৰ বাবে দূৰলৈ টানি নিয়ে। যাতে তেনে কৰিব নোৱাৰে তাৰ বাবে এই কাইদা কৰা হৈছে। কৰোনাই ধনী-দুখীয়া, ধুনীয়া-এলাগি কাৰো বিচাৰ নকৰে। কম্পিউটাৰত যি জনৰে নাম উঠে সেইজনকে লৈ যায়। কাষতে বহি থকা শ্ৰীমতী পিংকু (ববিতা) পাঠৰী আৰু সুন্দৰী মহিলা দুগৰাকীয়ে খিক্‌খিকাই হাঁহি উঠিল। ময়ো হাঁহি ৰাখিব নোৱাৰি তেওঁলোকৰ সতে যোগ দিলো। ব্ৰহ্মপুত্ৰ নদীৰ বিশাল বালি চৰত অস্থায়ী এখনি সধাৰণ হোটেল। হোটেলখনি সাধাৰণ যদিও হোটেলৰ গৰাকীজন কিন্তু অসাধাৰণ। এই বিৰুচন দাসে কমলাবাৰী ঘাটৰ অতীত আৰু বৰ্তামনৰ বহু কথাই জানে। তেখেতক ঘাটটোৰ অতন্দ্ৰ প্ৰহৰি বুলি কলেও অত্যোক্তি কৰা নহ'ব। বৰ্তমান তেখেতৰ বয়স প্ৰায় চাপন্ন বছৰ। চাপন্ন বছৰীয়া বিৰুচন দাসে জীৱনৰ চল্লিশটা বছৰে অৰ্থাৎ ১৯৭২ চনত ষষ্ঠ মান শ্ৰেণীত পঢ়ি থকা কালৰ পৰাই এই কমলাবাৰী ঘাটৰ ধকধকীয়া বগা বহল চোতালখনত হোটেল দি ফেৰী যাত্ৰী সকলক সেৱা কৰি আহিছে। চল্লিশ বছৰত বিশটাৰো অধিক ৰাডিঅ' শেষ কৰিছো বুলি কয়। তেখেতে মাৰফি, নেল'কচ, চনি, ভিকচ, ফিলিপচ, সন্তোষ ইত্যাদি ৰেডিঅ'ৰ নাম ক'লে। বহু ৰেডিঅ'ৰ নাম মই তেখেতৰ মুখত প্ৰথম বাৰ শুনিলো। তেখেতে পুনৰ বাৰ ক'লে আজি চল্লিশটা বছৰ এনেদৰে হাঁহি-স্ফুৰ্টিৰে দিন পাৰ কৰিছো। বেয়া নেপাব দেই। কথাষাৰ এনেয়ে ক'লো আৰু। দ্বিতীয় বাৰৰ বাবে চল্লিশ বছৰ বুলি কোৱাত চিৰিংকৈ মনলৈ ভাব এটা আহিল। তেখেতে এই ঘাটৰ বহু কথাই জানিব নিশ্চয়। এই বুলি চেষ্টা এটা কৰি চালো।

—"খুৰা, আপুনি কমলাবাৰী পাৰঘাটত চল্লিশ বছৰ আছে। ঘাটটোৰ বিষয়ে অলপ কওকচোন।"

—এই বিশাল ব্ৰহ্মপুত্ৰ পাৰা-পাৰ হ'বলৈ কমলাবাৰী আৰু শালমৰা এই দুটা প্ৰধান ঘাটেই এটা সময়ত আছিল। মানে ৰিলায়েন্স আৰু বি এছ এন এল। বৰ্তমান মুঠ ছটা ঘাট যেনে— চুমৈমাৰি, দক্ষিণপাট, অফলা, মাটমৰা এই ঘাটসমূহ নতুনকৈ আৰম্ভ হোৱা। আজিৰদৰে পূৰ্বতে ঘণ্টাই ঘণ্টাই ফেৰী নচলিছিল। ৰাতি পূৱা ন বজাত আৰু আবেলি ডেৰ বজাত মাত্ৰ দুখনহে ফেৰি চলিছিল। তেতিয়া ভাড়া আছিল মাত্ৰ ২০ পইচা আৰু এতিয়াও বেচি নহয়, ১৫ টকা। একাপ চাহৰ মূল্য ২০ পইচা। মাছ আৰু ভাত ১৫/২০ টকা মূল্যতো বিক্ৰি কৰিছিলো। আজিৰ দিনত ১০/২০/৩০ পইচাৰ মূল্যই নাই বা এই খুচুৰা পইচাবোৰ দেখিবলৈকো নাই। পূৰ্বতে নাওবোৰ single আছিল আৰু এতিয়া double হ'ল। পূৰ্বতে যাত্ৰীৰ ভীৰ কম আছিল কিন্তু এতিয়া বহুত বেছি হ'ল। যত্ৰীৰ ভীৰ বেছি হোৱাৰ বাবেই নতুন ঘাটবিলাক সৃষ্টি হৈছে।

—ফেৰীঘাটত কিবা পৰিৱৰ্তন দেখিছেনে?

—বৰ্তমানৰ অৱস্থিতিৰ পৰা প্ৰায় ৫ কি. মি. আগলৈ এই ঘাটটো আছিল। সমগ্ৰ ঠাইখন মিচিং জনবসতি প্ৰধান আছিল। গৰা খহনীয়াৰ বাবে বহু মাটি বাৰী নদীত জাহ গ'ল। নদীৰ পাৰবোৰত মিৰি মানুহৰ বসতি আছিল। মিৰি গাঁওবিলাক আছিল আলিমূৰ, এৰাবাৰি, চুমৈমাৰি, কলিয়াজান আৰু এলেঙী। প্ৰৱল গৰা খহনীয়াৰ বাবে এই গাঁৱৰ মানুহবোৰ বিভিন্ন ঠাইলৈ স্থানান্তৰিত হৈছিল। দক্ষিণ পাৰৰ কঁকিলামুখ আৰু ৰামপুৰ ইত্যাদিলৈ কিছু লোক প্ৰৱজন হৈছিল। নদী পাৰৰ মিৰি মানুহৰ বসতি অঞ্চলতে এবাৰ 'সাত ভনী'ৰ সভা অনুস্থিত হৈছিল। এই সভাত প্ৰায় তিনি হাজাৰ জন সমাবেশ হ'ব পৰা প্ৰদৰ্শনি মূলক এখন নাও সজোৱা হৈছিল। সাত ভনী'ৰ সভাত গীত পৰিবেশন কৰিবৰ

বাবে সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাদেৱ আহিছিল। বিশ্বৰ বৰেণ্য এই ব্যক্তিজনে বিৰুচন দাসৰ সৰু হোটেলখনিতে বহি আপং আৰু পোৰা মাছৰ জুটি লৈছিল। ওচৰৰ মিচিং গাওঁখনৰ পৰা দুকলহ পঃৰ আপং (চাউলৰ পৰা তৈয়াৰ কৰা পানীয়) যোগান ধৰি তেখেতক আপ্যায়ন কৰিছিল হেনো। 'সাত ভনী'ৰ ধাৰণাটিয়ে মোক অলপ খেলি মেলিত পেলাইছিল। এই সম্পৰ্কত কেইবাজনকো সোধ-পোছ কৰিও সবিশেষ জানিব নোৱাৰিলোঁ। শেষত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ অধ্যাপিকা জ্যোতিৰেখা বৰা বাইদেউৰ পৰা জানিব পাৰিছিলো যে পূৰ্বৰ 'সাত ভনী' অনুষ্ঠানটিয়ে এতিয়া 'মাজুলী মহোৎসৱ' ৰূপে প্ৰতি বছৰে মাজুলীত জাক জমকতাৰে উদযাপন কৰা হয়।

—হোটেলখনৰ পৰা কিমান উৰ্পাজন হয়?

—উৰ্পাজন বিশেষ নহয়; কিন্তু এই সৰু হোটেল ব্যৱসায়টিৰ পৰাই মোৰ দুয়োজন ল'ৰাক সংস্থাপিত কৰিববলৈ সক্ষম হৈছো। দুজনীকৈ কণ্যাৰো বিয়া দিলো। ঘৰখনো পকী ৱাল কৰিলো। তদুপৰি গোঁসাই (প্ৰাৰ্থনা গৃহ) ঘৰটিকো ইয়াৰ উপাৰ্জনেৰে নিৰ্মাণ কৰিলো। ইয়াৰ উপৰিও ভৱিষ্যতে খৰচ কৰিব পৰাকৈ সামান্য পৰিমানৰ ধনো সঞ্চয় কৰিছো। এতিয়া মই সম্পূৰ্ণ মুক্ত আৰু হৰি নামেই মোৰ পৰম ধন।

—হৰি নাম শ্ৰৱণ বা কীৰ্তন কৰি আপুনি খুউব ভাল পায় যেন লাগিছে? এটি শুনাব নেকি?

—হৰি নাম শ্ৰৱণ-কীৰ্তন কৰিববলৈ বেয়া পোৱা মানুহ আছে যদিও নাজানো। জীৱন সন্ধিয়া বেলাত হৰি নাম এটি ল'লেহে মন ভাল লাগে। এই বুলি কৈ আৰম্ভ কৰে—

ৰাম নাম পৰেনে মনত
হৰিৰ নাম পৰনে মনত
মনুষ্যৰ জনমলৈ....

—যাত্ৰী সকলৰ বিষয়ে কি ক'ব?

—এই ঘাতেৰে অনেক যাত্ৰী আহ-যাহ কৰিছে। এই ঘাটে আহ-যাহ কৰা স্মৰণীয় যাত্ৰী সকলৰ ভিতৰত স্বৰ্গীয় মাল গে অন্যতম। তেখেতে মোৰ হোটেলত বহি চাহ খাইছিল। ব কালতো তেখেতে এডাল লাখুটি লৈ যোৰহাটলৈ আহ-য কৰিছিল। কেতিয়াবা ডাঙৰ মাছ পালে ইয়াৰ পৰাই কি যোৰহাটলৈ নিয়ে। প্ৰাক্তন বিধায়ক ৰাজীৱ লোচন পেগু আ ৰাণী নৰহকো শুশ্ৰূষা কৰাৰ সৌভাগ্য হৈছে। ইয়াৰ উপৰি মাজুলীত চাকৰি কৰা মোৰ অপৰিচিত বহু উচ্চ পদস্ত লো নাম ক'লে। মানুহজনে দাবি কমা ব্যৱহাৰ নকৰাকৈ কম সময় যিমান কথা ক'লে সকলো বিলাক মনত ৰখা মোৰ বাবে স নাছিল। ইতিমধ্যে ফেৰীৰ ঘণ্টাধ্বনি বাজি উঠিল। ফেৰীৰ এ চুকত বহি সহধৰ্মীনী ববিয়ে মোলৈ অপেক্ষা কৰি আছি মানুহজনক ধন্যবাদ জ্ঞাপন কৰি পুনৰ লগ পোৱাৰ প্ৰতিশ্ৰু দি মটৰ বাইকখন ফেৰীত উঠালো। লগে লগে ক'ৰবাত ঘ হোৱাৰ দৰে জোকাৰণি এটা কৰি দক্ষিণ-পূৰমূৱাকৈ মহাবা বিশাল বক্ষত সোঁতৰ বিপৰীতমুখত আৰম্ভ হয় নৌ যাত্ৰা। প্ৰ আঢ়ে ঘণ্টাযোৰা নৌ যাত্ৰাৰ অন্তত আমি দক্ষিণ পাৰৰ ঘ (নিমাতী)ত উপস্থিত হওঁ। কমলাবাৰী ঘাটৰ পৰা নিমাতীঘাট সাধাৰণতে ডেৰঘণ্টা সময় লাগে যদিও জুলাই মাহত ব্ৰহ্মপু বাঢ়নী পানীৰ কোবাল সোঁতৰ বিপৰীতে যাব লাগে বাবে দে ঘণ্টাৰ ঠাইত আঢ়ে ঘণ্টা লাগিছিল। এনেদৰে বিৰুচন দা সন্নিধ্যৰে কমলাবাৰী পাৰ ঘাটৰ এটি হিৰন্ময়ী সোঁৱৰণেৰে সে দিনা শেষ কৰো মাজুলী যাত্ৰাৰ অধ্যায়।

বিঃ দ্ৰঃ— সদাশয় কোনো ব্যক্তিয়ে কমলাবাৰী ঘাটলৈ আহি বিৰুচন দাসৰ হোটেলত এসাজ খাই তেখেতৰ হাস্যৰসৰ সা ল'ব পাৰে।

অধ্যাপক, ইতিহাস বি
গোলাঘাট বাণিজ্য মহাবিদ্যা





# ছিক্কিম আৰু ডাৰ্জিলিং ভ্ৰমণ

ৰিণ্টীমণি শৰ্মা

সকলোৰে দৰে মোৰো এটা ভ্ৰমণপ্ৰিয় মন আছে তাতে আকৌ বন্ধু-বান্ধৱীৰ লগত ফুৰিবলৈ যাম। কথাষাৰ ভাৱিয়েই ভাল লাগিছিল। সেইদিনা আছিল দেওবাৰ ২০১৯ বৰ্ষৰ ২২ ডিচেম্বৰ প্ৰায় আবেলি ২ মান বজাত আমি সকলো ফৰকাটিং জংছনত একলগ হৈ ৰে'ল অহালৈ অপেক্ষা কৰিলো। ঠিক ৩ বজাৰ লগে লগেই ৰে'লৰ উকি কাণত বাজি উঠিল। আৰু আমি সকলো একলগ হৈ ৰে'লত উঠিলো। আমাৰ যাত্ৰাৰ গন্তব্য স্থান আছিল প্ৰকৃতিৰ অনবদ্য অৱদান থকা দুখন জনপ্ৰিয় ঠাই। সেই দুখন ঠাই হৈছে ছিকিম আৰু দাৰ্জিলিং। আমাৰ এই যাত্ৰাপথত আমি মুঠ ১৫ জন পঠিক আছিলো। তাৰে ভিতৰত তত্ত্বাৱধায়ক হিচাপে ৰাজনীতি বিভাগৰ দেৱজিত দত্ত ছাৰ আৰু মহাবিদ্যালয়খনৰ পুথিভঁৰালৰ কৰ্মচাৰী শ্যামলী বাইদেউ। ইয়াৰ বিপৰীতে ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক বিশ্বজিত আগৰৱালা, প্ৰাক্তন সাধাৰণ সম্পাদক দেৱজিৎ বৰা ছাত্ৰ একতা সভাৰ সভানেত্ৰী তথা মই ৰিণ্টীমণি শৰ্মা। আৰু মহাবিদ্যালয়ৰ প্ৰত্যেকটো বিভাগৰ পৰা একোজনকৈ নিৰ্বাচন কৰা ছাত্ৰ-ছাত্ৰী ক্ৰমে ভূগোল বিভাগৰ পূজা, হিচাপবিদ্যা বিভাগৰ সুস্মিতা, আৰু হিচাপ ৰক্ষক বিভাগৰ পাৰ্থ হাজৰীকা আৰু ইয়াৰ লগতে মই ভ্ৰমণ কৰিবলৈ যোৱা আন এটা সুযোগ হৈছে যে মই সভানেত্ৰী হোৱাৰ লগতে মোক মহাবিদ্যালয়ে ইতিহাস বিভাগৰ পৰা বাচনি কৰিছিল। ইয়াৰ লগতে অসমীয়া বিভাগৰ অংকিতা ভূগোল বিভাগৰ চিম্পী আৰু ৰিস্মা শইকীয়া, ইভানজ্যোতি দত্ত, দ্বীপৰাজ আৰু শুভ্ৰ য়ে সম্পূৰ্ণ নিজা খৰচেৰে আমাৰ যাত্ৰাপথত সংগ দিছিল।

গেংটক আৰু ডাৰ্জিলিং চোৱাৰ হেপাঁহত আমি সকলোবোৰ উৎফুল্লিত হৈ পৰিছিলো। কিমান যে হেঁপাহ আছিল এনেদৰে ফুৰিবলৈ যোৱাৰ। ৰে'লত উঠি খিৰিকীৰ বাহিৰলৈ চাই চাই কিছু কথা ভাবি থাকোতেই শ্যামলী বাইদেউৱে ধুনীয়াকৈ তিয়াই অনা মগু অলপ আনি সকলোকে খাবলৈ দিছিল। ক্ৰমান্বয়ে সন্ধিয়া হৈ আহিছিল। বাহিৰৰ পৃথিৱীয়ে আন্ধাৰৰ ফালে গতি কৰিছিল। ৰে'লৰ ভিতৰত সকলোৱে হাঁহি স্ফূৰ্তি কৰি পাহৰি পেলাইছিলো বিষণ্ণতাবোৰ।

ধাৰাবাহিকতাৰ পৰা আঁতৰি এখন নিজা পৃথিৱীৰ মাজত। কথাৰ মাজতে খোৱা-বোৱাৰ কথা তত্ত্বাৱধায়ক দেৱজিৎ ছাৰে আমাক বাৰেপতি সোঁৱৰাই দিছিল। প্ৰত্যেক মুহূৰ্ততে ছাৰে আমাৰ খোৱা-বোৱাৰ হিচাপ লৈছিল। খোৱা-বোৱা কৰি কথা-বতৰা পাতি ৰাতি ১২ মান বজাত আমি টোপনিত লালকাল হৈ পৰিছিলো আৰু সকলো নিজ নিজ ঠাইত শুই পৰিছিলো। এনেদৰেই ৰাতি পাৰ কৰি ৰাতি পুৱা ৬ বজাত আমি নতুন জলফাইগুৰি পাওঁ। তাত ৰে'লৰ পৰা নামি গেংটকলৈ যাবলৈ টাটা চ'মত উঠো। শিলিগুৰিৰ পৰা প্ৰায় এঘণ্টা মান বাট যোৱাৰ পাছত এখন হোটেলত আমি সকলোৱে খোৱা-বোৱা কৰি অলপ সময় তাত থকা শিলাময় নদীখনৰ প্ৰাকৃতিক পৰিৱেশ উপভোগ কৰিলো। তাৰ পাছত পুনৰবাৰ গন্তব্য স্থানৰ অভিমুখে আমি সকলো ৰাওঁনা হ'লো। গেংটকলৈ শিলিগুৰিৰ পৰা ওপৰলৈ উঠি যোৱাৰ পথটোৰ দৃশ্যই সকলো কথা পাহৰাই প্ৰকৃতিৰ লগতে সকলোকে বিলীন কৰি পেলাইছিল। এখন সুগভীৰ নদীৰ কাষে কাষে ছিক্কিমলৈ যোৱা পথটি অতি সুচল আছিল। তাৰ মাজে মাজে চালকজনে হিন্দী গান বজাই গৈছিল। গানৰ ঝংকাৰে যাত্ৰাতি আৰু অধিক মনোৰম কৰি তুলিছিল। কিন্তু আমি যিহেতু অসমীয়া সেইবাবে যাত্ৰা পথত অসমীয়া গান নহ'লে চলিব নে? তেনে সময়তে অংকিতা, সুস্মিতাই অসমীয়া গান বজালে আৰু তেতিয়াই সকলোৱে মনবোৰ উৎফুল্লিত হৈ উঠিল। যাত্ৰা পথত প্ৰায় ৬ ঘণ্টা সময় অসমীয়া গান শুনা চালকজনেও অসমীয়া গীতৰ প্ৰেমত পৰি তেওঁ এইদৰে ক'লে - "আচামিছ চংগ বহুত আচ্ছা হে।" তেতিয়া আমাৰ মনটো আৰু ভাল লাগিল। এনেদৰেই গৈ গৈ আমি প্ৰায় ১২ মান বজাত গেংটকত উপস্থিত হ'লো। আমাক গাড়ীয়ে যিখিনি ঠাইত নমাইছিল তাৰ পৰা হোটেললৈকে আমাক নিবলৈ টেক্সীসমূহ ৰখাই থোৱা হৈছিল। টেক্সীত উঠি আমি সকলোৱে এম. জি. মাৰ্টৰ হোটেল হাইৱে লৈ গ'লো। আৰু আমি তাত গৈ পাই স্বস্তিৰ নিশ্বাস এ ৰোমৰ ভিতৰলৈ সোমাই গৈ গা-পা ধুই খোৱা-বোৱা ক আবেলি ৩ মান বজাত ওচৰতে থকা বৌদ্ধ মনেষ্ট্ৰি, হাতে তৈয়াৰ কৰি বিক্ৰী কৰা কেন্দ্ৰ এম্পৰিয়াম আৰু তাৰ কায থকা জলপ্ৰপাতৰ প্ৰাকৃতিক দৃশ্য উপভোগ কৰিলো। আৰু তা আমি সকলোৱে ছিক্কিমৰ সামাজিক পোছাক পৰিধান কৰি ফ' তোলাত ব্যস্ত হ'লো। তাৰ পাছত কাঞ্চনজংঘাৰ দৰ্শন স্থ পৰিদৰ্শন কৰো তাৰ পাছত সৰু সৰু কিছুমান বস্তু বজাৰ ক হোটেললৈ গুচি আহিলো। তাতে অলপ সময় জিৰণি লৈ সন্ধি হোৱাৰ লগে লগে গেংটকৰ মাজমজিয়াত থকা এম. জি. মাৰ্ট বুলি ফুৰিবলৈ ওলালো। সঁচাই গেংটকখন ইমান চাফা সেইক প্ৰশংসা নকৰি নোৱাৰিলো। যেতিয়া এম. জি. মাৰ্টত ৰ লাইটবোৰ জ্বলি উঠাৰ লগে লগে তাৰ নান্দনিক দৃশ্যই সকলো মোহাচন্ন কৰি তোলে। এনেদৰেই অলপ সময় তাত পাৰ ক পুনৰ আমি হোটেললৈ আহি খোৱা-বোৱা কৰি নিদ্ৰাদেৱ কোলাত শুই পৰো। সেইদিনাৰ বিশেষ কাৰ্যসূচী বুলি ক'ব সেইয়াই আছিল। কিয়নো আগদিনা সকলোৰে টোপনী খ হৈছিল যাৰ পৰিপেক্ষিতত আমি সকলো ভাগৰুৱা পৰিছিলো। সেইবাবে সেইদিন সোনকালেই শুই পৰিছিলো।

পাছদিনা পুৱা শুৱাৰ পৰা উঠিবলৈ বহুত এল কৰিছিলো। তাত ইমানেই ঠাণ্ডা আছিল যে ঠায়ে ঠায়ে ব বৰফ পৰিছিল। কাপোৰৰ বাহিৰলৈ হাতখন উলিয়ালে নিমিষ হিমচেঁচা হৈ পৰিছিল। বৰফৰ দেশলৈ যোৱাৰ প্ৰবল হেঁপা বাবে সকলো কষ্ট আওঁকাণ কৰি ৪ বজাতে শোৱাৰ পৰা উ গৰম পানীলৈ বাট নাচাই ঠাণ্ডা পানীয়েই গা ধুইছিলো। আ সকলোতকৈ হাঁহি উঠা কথাটো হৈছে যে ঠাণ্ডাত কাপো বোজা শৰীৰে কঢ়িওৱাটোৱে টান হৈ পৰিছিল। ৰাতিপুৱা ৬. বজাত ছিক্কিমৰ মূল কেন্দ্ৰ গেংটকৰ পৰা সু-উচ্চত অৱস্থি সৰ্বজন সিং বাবা মন্দিৰ আৰু চংগু হ্ৰদলৈ বুলি আমাৰ যা আৰম্ভ হৈছিল।

উৎকণ্ঠী আৰু সীমাহীন আনন্দই সেইসময়ত আম সকলোকে আপোনা পাহৰা কৰি তুলিছিল। মাজে মাজে কি কথাই আমাৰ মাজত হাস্যৰসৰ সৃষ্টি কৰিছিল। শিলত লা আমি উঠি যোৱা গাড়ীখন জপিয়াই উঠিছিল। তেনে অৱস্থা দেৱজিতৰ হাতৰ পৰা তাৰ ম'বাইল ফোনটো গাড়ীৰ চী তলত সৰি পৰিছিল আৰু সেই সময়ত আমাৰ মাজত হি

ভাষাটোৱে অতি জনপ্ৰিয়তা লাভ কৰিছিল। অসমীয়া আৰু হিন্দীৰ সংমিশ্ৰণত সকলো আপোন-পাহৰা হৈ পৰিছিলো। দেৱজিতৰ হাতৰ পৰা যেতিয়া ফোনটো সৰি পৰিছিল সি তেতিয়া চিঞৰি চিঞৰি কৈছিল - "মবাইল গিৰ গেয়া এতিয়া কিয়া হ'গা।" ইয়াৰ পৰাই ভ্ৰমণ যাত্ৰাত হিন্দী ভাষাৰ হাস্যৰসিক কথনৰ শুভাৰম্ভ ঘটিছিল। প্ৰায় ৫ ঘণ্টা সময়ৰ বাট ওপৰলৈ উঠি গৈ গৈ সৰ্বশেষত সৰ্বজন সিং বাবা মন্দিৰত উপস্থিত হৈছিলো। বৰফৰ শুভ্ৰ আচ্ছাদনৰ মাজত অৱস্থিত এই মন্দিৰভাগ পাবলৈ বাটত বহুটো সেনা চাউনি অতিক্ৰম কৰি আহিব লগা হয়। সেনা সকলৰ কষ্টৰ বৰ্ণনা নিজ চকুৰে প্ৰত্যক্ষ কৰি এটা কথা উপলব্ধি কৰিছিলো যে কেৱল চৰকাৰে মাহেকত দিয়া দৰমহা কেইটাৰ আশাত তেওঁলোকে ইমান কষ্ট সহ্য কৰা নাই। দৰাচলতে দেশমাতৃক হেৰুৱাৰ ভয়ত ইমানখিনি অসহ্যকৰ কষ্টকো নেওঁচি দেশ-মাতৃক সেৱা আগবঢ়াই আহিছে। সেইবাবে ভগৱানক দূৰৈৰ পৰা প্ৰাৰ্থনা কৰি কৰিছো তেওঁলোকক সদায় যাতে ভালে ৰাখে। সহজ অৰ্থত ক'বলৈ গ'লে এই ঠাইখিনি অতি দুৰ্গম। কিয়নো সমভূমিৰ পৰা যিমানেই ওপৰলৈ উঠি যোৱা হয়, সিমানেই অক্সিজেনৰ মাত্ৰা কমি আহে আৰু ম'বাইলৰ নেটৱৰ্ক নাইকীয়া হৈ পৰে। কেৱল মাত্ৰ তাত BSNL ৰ চিম, ব্যৱহাৰ কৰা সকলেহে নেটৱৰ্কৰ সুবিধা লাভ কৰিব পাৰে। সৰ্বজন সিং আছিল এজন ভাৰতীয় সৈনিক। যিজন সৈনিক মৃত্যুবৰণ কৰাৰ তিনিদিনৰ পাছত বৰফৰ মাজত তেওঁৰ মৃতদেহ উদ্ধাৰ কৰা হৈছিল। আৰু সেই ঠাইতে তেওঁৰ নামত এই মন্দিৰ নিৰ্মাণ কৰাইছিল। আৰু মই অধ্যয়ন কৰি পোৱাৰ মতে তেওঁৰ মৃত্যু হৈছে যদিও প্ৰত্যেক দিনা ৰাতিয়েই তেওঁ নিজৰ বুট জোতা পৰিধান কৰি সেই ঠাইখিনিত তেওঁৰ শ শৰীৰ আত্মাই বিচৰণ কৰি ফুৰে। সেইবাবে তেওঁ ব্যৱহাৰ কৰা প্ৰত্যেকটো বস্তুৱেই এই ঠাইত সুন্দৰকৈ সজাই ৰখা হৈছে। আৰু তেওঁ শোৱা বিচনাখনৰ প্ৰত্যেকটো বস্তুৱেই প্ৰত্যেক দিনাই চেদেলি-ভেদেলি হৈ থাকে। আৰু তাত থকা কৰ্মচাৰীসকলে সেইবোৰ প্ৰত্যেক দিনাৰ পুৱাই সুন্দৰকৈ সজাই তোলে। আৰু তেওঁ পৰিধান কৰা বুট জোতাযোৰ বোকা আৰু ধূলিৰে পূৰ্ণ হৈ থাকে। আৰু সেই জোতাযোৰ ও প্ৰত্যেকদিনাই চাফা কৰা হয়। ইয়াৰ লগতে এটা আচৰিত কথা যে তেওঁৰ নামত ভাৰত চৰকাৰে পেঞ্চনৰ ব্যৱস্থা কৰি দিছে। আৰু সেইয়া পইচা সময়ে সময়ে তেওঁৰ ঘৰলৈ প্ৰেৰণ কৰা হয় বুলি উল্লেখ কৰিছে।

এইদৰে আমি সৰ্বজন সিং বাবা মন্দিৰ দৰ্শন কৰি বৰফৰ মাজত কিছু আলোকচিত্ৰ সংগ্ৰহ কৰো। তাৰ পৰা উভতি আহি সকলোকে চাংগু হ্ৰদৰ কাষত অলপ সময় কটাই এম. জি. মাৰ্টলৈ বুলি ৰাওঁনা হওঁ। আৰু সেই সময়ত আমাৰ গাড়ীখন তললৈ যিমানেই নামি আহিছিল সিমানেই আমাৰ কাণ দুখন তাল মাৰি সম্পূৰ্ণ বন্ধ হৈ গৈছিল। অৱশেষত সকলো প্ৰত্যাহ্বান অতিক্ৰম কৰি আমি এম. জি. মাৰ্ট পালোহি। তাত হাত-মুখ ধুই সকলোৱে খোৱা-বোৱা কৰি বজাৰ কৰিবলৈ ওলাই গ'লো। সকলোকে বজাৰ কৰি হাঁহি-স্ফূৰ্তিৰ মাজেৰে সন্ধিয়াৰ সময়খিনি অতিবাহিত কৰিলো। আৰু লগতে আমাৰ সৌভাগ্য যে সেইদিনা আছিল ২৪ ডিচেম্বৰ অৰ্থাৎ খ্ৰীষ্টমাৰ্চৰ আগদিনা আৰু সেইবাবে সেইদিনা এম. জি. মাৰ্টখন সুন্দৰকৈ আলোকসজ্জাই সজ্জিত কৰি তাত সংগীতৰ অনুষ্ঠান আয়োজন কৰিছিল। আৰু আই সেই অনুষ্ঠান উপভোগ কৰি অতিশয় প্ৰশান্তি লাভ কৰিছিলো। ইয়াৰ পাছতে আমাৰ প্ৰায় বজাৰ কৰি সমাপ্ত হৈছিল আৰু আমি হোটেললৈ যাবলৈ ওলালো সঁচা। কিন্তু অহা বাটটো আমি যে পাহৰি থাকিলো কথাৰ চলতে কোনেও ধৰিবকে নোৱাৰিলে। অৱশেষত ৪-৫ পাক একে টাইতে ঘূৰি ঘূৰি ৰাস্তা বিচাৰি নাপালো। তাৰ পাছত দেৱজিতে আমি থকা হোটেলখনলৈ ফোন কৰি এইদৰে ব্যক্ত কৰিলে - "হাম মানে ঘোম গেয়া এতিয়া কিয়া কৰেগা।" ইয়াৰ লগতে অংকিতাই এজন দোকানীক ক'লে - "ভায়া এক পলিথিন দিজিয়ে, এইটো নহয় সেইটো দিজিয়ে।" তাৰ পাছত সিহঁতৰ কথাত আমি সকলোৱে হাঁহি হাঁহি আমোদ লাভ কৰিলো। ইয়াৰ পাছত হোটেলৰ দাদা এজন আহি আমাক হোটেললৈ লৈ যায়। খোৱা-বোৱা কৰি অংকিতা, ৰেখা, পূজা, সুস্মিতা আৰু মই মিলি গোটেইকেইজনীয়ে গান বজাই নাচি-বাগি অলপ হাঁহি-স্ফূৰ্তি কৰিলো। এইদৰে দিনটোৰ অৱসাদ দূৰ কৰি শুই পৰিলো নিদ্ৰাদেৱীৰ কোলাত।

পাছদিনা পুৱাতে উঠি আমিন সকলোৱে প্ৰকৃতিৰ ৰাজকুঁৱৰী দাৰ্জিলিঙলৈ বুলি যাত্ৰা আৰম্ভ কৰিলো। প্ৰায় ৪-৫ ঘণ্টা যাত্ৰা কৰাৰ পাছত আমি দাৰ্জিলিঙৰ এক সুন্দৰ পৰিৱেশত উপস্থিত হ'লোগৈ। আৰু আমাৰ যাত্ৰাৰ তত্ত্বাৱধায়ক সকলে ৰুদ্ৰ ভৱন নামৰ হোটেলখনত থকাৰ ব্যৱস্থা কৰি দিলে। আৰু আমাৰ সৌভাগ্য যে আমি থকা হোটেলখনৰ বেলকণিৰ পৰা দাৰ্জিলিঙৰ শাৰি-শাৰিকৈ থকা চাহ বাগান আৰু সু-উচচ কাঞ্চনজঙঘা পৰ্বতমালা চ-চক্ষুৰে প্ৰত্যক্ষ কৰিবলৈ সক্ষম হ'লো।

তাৰ পাছত আমি আবেলি সময়ত দাৰ্জিলিঙৰ জৈৱিক উদ্যান আৰু লগতে থকা বিজ্ঞান সংগ্ৰহালয় চাবলৈ ওলাই গ'লো। আৰু তাত টিকট কাটি উদ্যানৰ ভিতৰলৈ সোমাই গ'লো। তাত বিভিন্ন প্ৰজাতিৰ জীৱ-জন্তু, চৰাই-চিৰিকতি দেখিবলৈ পালো আৰু তাৰ লগতে থকা বিজ্ঞান সংগ্ৰহালয় পৰিদৰ্শন কৰি বিভিন্ন অজ্ঞাত তথ্য আহৰণ কৰিবলৈ সক্ষম হ'লো। ইয়াৰ পাছতে আমি সকলোৰে মিলি দাৰ্জিলিঙৰ গৰম চাহৰ সোৱাদ লৈ হোটেললৈ উভতি আহিলো। খোৱা-বোৱা কৰি সকলোৰে অলপ নাচি বাগি উৎপাত কৰিলো। ইয়াত আমাক দেৱজিত ছাৰ আৰু শ্যামলী বাইদেৱে সংগ দিলে।

পাছদিনা পুৱতি নিশা ২ বজাতে শোৱাৰ পৰা উঠি গা-পা ধুই টাইগাৰ হিলচত সূৰ্যোদয় চাবলৈ গ'লো। তাত যথেষ্ট ঠাণ্ডা পৰিছিল যদিও মনৰ সাহসতে ঠাণ্ডাকো নেওঁচি সূৰ্যোদয় চাবলৈ উৎসুক হৈ পৰিছিলো। যদিও সেইদিনা ঘন কুঁৱলী পৰাৰ বাবে ভালদৰে সূৰ্য্য উদয় হোৱা দেখা পোৱা নগ'ল। তাৰ পৰা উভতি আহি আমি খোৱা-বোৱা কৰি বজাৰ কৰিবলৈ ওলাই গ'লো। বস্তুৰ দাম সমভূমিৰ তুলনাত বেছি যদিও ভ্ৰমণৰ চীনস্বৰূপে কিছুমান বস্তু ক্ৰয় কৰি আনিলো। ইয়াৰ লগতে ডাৰ্জিলিঙৰ চাহপাত আনিবলৈ নাপাহৰিলো কিন্তু সকলোৰে। বজাৰত ব্যস্ত পূজাই দোকানী এগৰাকীৰ লগত ঘনিষ্ঠ হৈ কথা বাৰ্তা পাতি সৰ্বশেষত তাই আন্তৰিকতাৰ খাতিৰত কৈ আহিল যে- "বেহেনজি ৰ'ক' দেই।" আৰু লগে লগে সকলোৰে মাজত আপুনা-আপুনি হাঁহিৰ খুৱাকৰ থুনপাক উঠিল। এইদৰে সকলোৰে বজাৰ সমাপ্ত কৰি হোটেললৈ আহিলো। আৰু সেইদিনা মাধুৰ্য্য দাদাৰ জন্মদিন উপলক্ষে হোটেলতে এক সুন্দৰ অনুষ্ঠানৰ আয়োজন কৰিলে। আৰু দাদাৰ জন্মদিন বুলি সকলোৰে হাঁহি-স্ফূৰ্তি কৰি দাদাৰ বিশেষ দিনটোত সুন্দৰকৈ এসাজ ভাত খাই সকলোৰে জীপাল সন্ধিয়াৰ আনন্দ উপভোগ কৰিলো (আজি মাধুৰ্য্য দাদা আমাৰ মাজত নাই যদিও দাদাক পুনৰ এবাৰ সুঁৱৰিছো। তেওঁৰ আত্মাই চিৰশান্তি লাভ কৰক।) এইদৰে আমি অতি সুন্দৰকৈ চিনটো অতিবাহিত কৰিলো।

পাছদিনা দিনৰ ১১ বজাত গোলাঘাটলৈ বুলি আমাৰ উভটনি যাত্ৰা আৰম্ভ হ'ল। ডাৰ্জিলিঙৰ পৰা নিউ জলফাই গুৰিলৈ কেকুৰিৰ ভাজে ভাজে কুঁৱলিৰ শুভ্ৰ আচ্ছাদনৰ মাজে মাজে প্ৰায় ৬ ঘণ্টা সময় যাত্ৰা কৰি অৱশেষত শিলিগুৰিত উপস্থিত হওঁ। কিন্তু আমাৰ দুৰ্ভাগ্য যে সেইদিনা আমাৰ ট্ৰেইনখন ৬ বজাত যাত্ৰা কৰাৰ সলনি ৰাতি ১১ বজালৈ যাত্ৰাৰ সময় পিছোৱা যায়। ৬ বজাৰ পৰা ১১ বজালৈকে ইফালে-সিফালে ঘূৰি ফু সময়বোৰ অতিবাহিত কৰো। ১১ বজাত সকলোৰে ট্ৰেইন উঠি ৰাতিপুৱা প্ৰায় ৯.৩০ বজাত গুৱাহাটীত উপস্থিত হওঁ। বজাত পুনৰ ৰে'লত উঠি ঘৰমুৱা হওঁ।

যাত্ৰাপথৰ এজন সংগী পাৰ্থক গুৱাহাটীতে বিদা দিছিলো। গুৱাহাটীৰ পৰা গোলাঘাটলৈ অহা যাত্ৰাৰ সময়ছোৱা আমি ইমানেই কথা পাতি আহিছিলো যে বহুতৰে মৌন সময়বো জীপাল কৰিবলৈ সক্ষম হৈছিলো। যিমানেই আমাৰ উভতনি গন্তব্য স্থান সমাগত হৈ আহিছিল আমাৰ মনবোৰ সিমানেই বে লাগি আহিছিল। কিয়নো আমি ৬ টা দিন একেলগে থাকি এ পৰিয়ালৰ দৰে হৈ পৰিছিলো আৰু সকলোকে একোটাকৈ নিজ নামৰ উপৰিও কৰ্ম-কাণ্ডৰ ওপৰত নিৰ্ভৰ কৰি উপৰুৱা নামে মাতিছিলো। যেনে -

চিকেন বিৰিয়ানী অংকিতা

| | |
|---|---|
| ভাগিন | ইভানজ্যোতি |
| মিহি গুণ্ডা | পাৰ্থ |
| চামেলী | শ্যামলী বাইদেউ |
| কালকেতু | পূজা |
| ইলিচমাছ | সুস্মিতা |
| লালপাণ্ডা | দ্বীপৰাজ |
| ৰাহু | দেৱজিত |

এইদৰে কিছুমান খুহতীয়া কথাৰ অন্তৰালতে সকলো একোটাকৈ উপৰুৱা নাম দিয়াৰ বাবে আমাৰ যাত্ৰাৰ সময়খি আৰু অধিক সুমধুৰ হৈ উঠিছিল। এইদৰে চাওঁতে চাওঁ ফৰকাটিং জংছনত সকলোকে বিদায় দি পূজা আৰু মই ভ্ৰম সকলো স্মৃতি বুকুত বান্ধি ইমানতেই ছিক্কিম আৰু ডাৰ্জিলি ভ্ৰমণৰ পৰিসমাপ্তি ঘটালো।

সৰ্বশেষত আমাৰ যাত্ৰাটি সাফল্যমণ্ডিত কৰি তোলা বাবে ধন্যবাদ গোলাঘাট বাণিজ্য মহাবিদ্যালয় আৰু ধন্যবা তীৰ্থ ট্ৰেভেল এজেঞ্চিৰ সমূহ কৰ্মকৰ্তা। বিশেষভাৱে ধন্যবা জনালো মৃদুল ভূঞা দাদা আৰু ধ্ৰুৱজ্যোতি চৌধুৰী দাদালৈ

সভানে
ছাত্ৰ একতা সভা, ২০১৯-২০ ব

## ছন্দশিল্প

# অৱশেষ

পৰিস্মীতা গগৈ

আপোন বতাহ জাক
আহে আৰু উভতি যায়
ভাৱনাৰ সূতাডাল কঁপি কঁপি থৰ লাগে।
আৰম্ভণিবোৰ শেষ হয়,
আৰু শেষবোৰ স্বাভিমানী হৈ উভতি আহে।
সন্দেহবোৰ সলনি হয়,
শেষ নহয়
তথাপি তোক ভালপাওঁ
তইটো মোৰ জীৱন
মোৰ স্বাভিমান।

স্নাতক পঞ্চম ষান্মাসিক
কলা শাখা

# ফাগুন

বিশ্বজিৎ গগৈ

ফাগুন, তই আকৌ আহিলি
ফাগুনী বতাহজাকে দিলে
তই অহাৰ জাননী
ধূলিয়ৰী বাটৰ পলাশ শিমলুৱে
তোক জনাইছে আদৰণি
তই অহাৰ আনন্দত
নঙঠা বিৰিখেও তুলিছে
আনন্দৰ কিৰিলি
ফাগুন তই আকৌ আহিলি।

স্নাতক তৃতীয় ষান্মাসিক
কলা শাখা



# আশা, সপোন অনন্যা

অৰূপা বৰা

জীয়ৰীহঁতৰ লিহিৰী আঙুলিৰ মাজত
থৰকাচুতি হেৰুৱা
বোকা পানীৰ যুদ্ধত
নিজৰ স্থান ঘোষণা কৰি
তুমি হেনো আঘোণ হোৱা ....
সোণাৰুবুলীয়া আঘোণ
মোৰ শ্ৰমিক পিতাইৰ আশা মাথোন
দুখিনী আইৰ কাচিৰ সপোন
নামি আহিছা শাওণ....
তুমি ........
নামি আহিছা শাওণ....

স্নাতক প্ৰথম ষান্মাসিক
কলা শাখা

# অকালতে হেৰাই যোৱা

অভিলাষ দত্ত

মাত এষাৰ নিদিয়াকৈ
ঘৰৰ সন্মুখত হুমুনিয়াহ এটি থৈ
তেওঁ গুচি গ'ল।
তেওঁৰ ঘন উশাহত
বকুল জোপাৰ পাতবোৰ কঁপিছে
তেওঁ বাৰু শুনিছেনে?
আছেনে বাৰু তেওঁৰ ষষ্ঠ ইন্দ্রিয়
সক্রিয় হৈ?
দেখিছেনে তেওঁ
ধনশিৰি সোঁতত থমকি ৰোৱা
মৌ বৰয়লি জাক।
তেওঁক লগ পাবলৈ কোনোবা আছে নেকি বৈ
তিনি মুনি বাটৰ সন্ধ্যা খহাই,
কটনা কটা আইৰ সেঁতা হাঁহিটোলৈ
আজি মনত পৰিছেনে তেওঁৰ?
নুমাওঁ নুমাওঁ টিপ চাকিটো জ্বলাই
নিশা ওপৰলৈ আছেনে বৈ
বঢ়া ভাত একাঁহী লৈ?
আমি অন্ধলাবোৰে তেওঁক দেখা নাই।
দশ হৰিণৰ চিএঞৰটোও শুনা নাই
এতিয়া মাথোঁ নীৰৱতাৰ দূৰন্ত আঙুলিয়ে
নামহীন এক যন্ত্রণা
তেওঁ বাৰু শুনিছেনে?

স্নাতক প্রথম যান্মাসিক
কলা শাখা



# ভালপোৱাৰ ভাৱনাৰে

নমিতা গ

তোমাৰ ভাৱনাৰে হেঁপাহৰ উপত্যকাত
ৰৈ থাকো মই
বসন্তৰ আমোলমোল দুপৰীয়া
অথবা শীতৰ নিজান ৰাতিও
বাট চাই থাকো তোমালৈ

সেউজীয়াৰ ঠিকনা লৈ তুমি আহিছিলা
বাৰিষাৰ গুণগুণনি এটি হৈ
জীপাল কৰি তুলিছিলা মোৰ জীৱন

সপোনাৰ দলিচাত আমি ওমলি আছিলো
জোনাকৰ সাগৰত নিজক হেৰুৱাইছিলো
তোমাৰ মৰমৰ সুবাসত ৰচিছিলো
অনাগত জীৱনৰ এসাগৰ সপোন

কিন্তু নিষ্ঠুৰ সময়ে খহাই নিলে
সপোনেৰে ওপচা আমাৰ প্রেমৰ সৌধ
এতিয়া মৰহা ফুলৰ সুবাসত
আন্দোলিত হৈ উঠে মোৰ হেঁপাহৰ আকাশ।

স্নাতক পঞ্চম যান্মা
কলা

# অনুভৱৰ টুকুৰাবোৰ

দিপশিখা বৰুৱা

প্ৰাপ্তিবোৰ ক্ৰমান্বয়ে হেৰাই গ'ল
দুচকুৰে বৈ আহিল হেৰুৱাৰ বেদনা
বাঢ়ি আহিল সেই
নিসংগতাপ্ৰিয় ৰাতিবোৰ
হৃদয়ত সাঁচি ৰখা সপোনবোৰ
নাজানো আজি ক'ত
নিষ্ঠুৰ নিয়তিয়ে মচি নিলে
মধুৰ সপোনবোৰ
আলসুৱা আশাবোৰ
অপ্ৰাপ্তিতে সুখি হ'ব খোজো আজি
প্ৰাপ্তিবোৰ হেৰুৱা দুখ মচি
কেতিয়া জিলিকি উঠিব
ওঁঠৰ মিঠা হাঁহিতি
ৰংঙিন সপোনেৰে
এটি পূৰ্ণ জীৱন সজাবলৈ

স্নাতক তৃতীয় ষান্মাসিক
কলা শাখা



# অশান্ত মনৰ গৰ্জন

জয়া দলে

হৃদয়খন কেতিয়াবা ৰঙীণ হৈ যায়
প্ৰেমময় হৈ মন
বুকু ভৰুণ হৈ যায় মৰমেৰে,

মৰম উঠলি উঠে
আৱেগবোৰ বুকুতে হেঁচি
পোৱা নোপোৱাৰ হিচাপবোৰ কৰি কৰি
কথা পাতিবৰ মন যায় তোমাৰ লগত যি টি

এই বয়সেই নিলাজৰ উদ্ধত
যৌৱনৰ সঘন আমনি যে - সেইবাবে
আপোন কৰি ল'বৰে মন যায় তোমাক তৎকাল

চকু মুদ যায় দেখোন জনা নজনা কাৰণবশত
পিছে
ৰঙীণ হৈ থাকোঁতেই মই
আহিবাচোন এদিন শাওণৰ বৰ্ষণমুখৰ সন্ধিয়াপৰত
মাপ লৈ চাম একেলগে
আমাৰ মৰমৰ দীঘ বাণীবোৰ।।

স্নাতক তৃতীয় ষান্মাসিক
কলা শাখা

# তোমালোক ইমান ধুনীয়া

সবিতা শইকীয়া

তোমালোক ইমান ধুনীয়া
ধুনীয়া তোমালোকৰ শেৱালি কোমল স্বপ্নাতুৰ হিয়াৰ গলি।
প্ৰত্যাশাই জিলমিল জোনাক ছটিওৱা শংখৰ নিনাদ
অতৃপ্ত বাসনাৰ ওঁঠত লাগি ধৰা এচামুচ গভীৰ নীলা।
মই বিচৰা আটাইবোৰ সংগ-নিসংগ স্তব্ধতাৰ
আৱাজ তোমালোক। এই যে তোমালোকে কিবা এটাৰ সন্ধান কৰা
মই তেতিয়া বাঢ়ি অহা গছবোৰলৈ চাওঁ
ভাৱো এইবোৰ তোমালোকৰ বাবেই ধুনীয়া।
সকলো আৰ্তনাদৰ হুমুনিয়াহ মুচি তোমালোকে ছটিয়াই যোৱা
সূৰ্য আলিংগনৰ সেন্দুৰীয়া আলি।
মনবোৰ বৰ দূৰন্ত
খোপনি ধৰা বৰ টান
তথাপি তোমালোকে চিহ্নিত কৰা
ধুমুহাৰ মুকুট পিন্ধা সেউজীয়া আলি।
তোমালোকৰ চেতনাই শীতৰ লঠঙা শিমলুজোপাই পিন্ধি থকা
সোতোৰা পৰা আন্ধাৰবোৰ পোহৰ কৰে
ধুনীয়া .........
তোমালোক ইমান ধুনীয়া
কোনো দূৰত্বকে তোমালোকে দূৰত্ব নোবোলা
সেয়েহে তোমালোক ধুনীয়া
তন্দ্ৰাতুৰ মানুহৰ তোমালোক নিৰ্মেঘ আকাশ।
আশাৰ হ্ৰদত মণিক বিচাৰি বিচাৰি
তোমালোকে ফুলত পৰা তেজৰ দাগ মোহাৰি যোৱা
সাৱটি ধৰা এইমাত্ৰ উৰি অহা
পখিলাৰ এটি লাস্যময়ী সাজোন।।

অধ্যাপিকা
অসমীয়া বিভাগ



# জীৱন

বিদ্যাশ্ৰী দা

কোনেও যিটো বুজা নাই
অথবা বুজাৰ চেষ্টাৰ কৰা নাই
সেয়াই কিজানি জীৱন।
মৃগনাভিৰ সুঘ্ৰাণকাতৰ হৰিণটোৰ দৰেই
জীৱনৰ সংজ্ঞা বিচাৰি
ভ্ৰমি ফুৰে প্ৰতিটো জীৱই
ওৰেটো জীৱন।

তৃতীয় ষাণ্মাসি
কলা শা



## "MAA"(Mother)

**Sneha Bakshi**

Let me make this straight,
Let me make this clear,
To the lovely person who
brought me here
and showered me with the care,
You are amazing.
You are awesome like everytthing.
So all other troubles can be
forever to my next.
You are the one who showed
me the light and always
said me and appreciated
me that my future is going to be bright.
I love you so much more than,
any other I am so glad to have
You as my Mother.

**B.A. 3rd Sem**

## Eternity of Love

**Mouna Rani Dey**

Love is eternity with eternal of love.
Love is eternal as long as it lasts.
Love is not love which alters when
things get tough;
Its like the star; an ever fixed mark;
Whose worth's unknown, although
its height can be measure.
Love is unique and vivid, where even
the reign of God couldn't control.
through storm, wind and heavy rain
it will withstand every pain.
Love altern not with the brief hours,
weeks on by appearance;
But bears it out ever to the edge of doom.
True love faces and overcome any
problem and does so forever;
But it does not change when it find
changes in the loved one.
Love that changes with circumstances
Change, is not define love but it is
mere lust.
Love is not rude,
It is not self-seeking,
It keeps not the record of wrongs,
But rejoices with the truth.
Love always trust, it remains eternal;
Never dies, Never expires.

**B.A. 3rd Sem**

# The Long Last Days

**Shrutika Paul**

The memories of the long last days
Flood my mind,
And I get transported to the days
When the tree next to my house.
Would beckon me to pluck the ripe mangoes growing
The swing, swaying in the gentle breezs,
Would lift me up and put me down again.
This would continue
Till the Sun went down the horizon.
Neither the season nar my hunger pangs.
Could come between my play and me.
Grandma's stories and her soothing touch,
And our beautiful garden with the dancing flowers,
Would fill my heart with happiness,
And I would sleep, dreaming about the fireflies.
That brightened the night sky.
Those days have passed,
But the memories still linger,
The tree is no more,
But I can still hear the echoes of my childhood friend
The birds, butterflies and the crickets,
Jumping and singing, as they play.
The hugs open fields have vanished,
Instead, large buildings fill up the space
I seldom see the night sky with the twinkling stars.
I seldom hear the morning songs of the birds
Yes I hope
That someday. I shall sing along with the birds again.
Dance with the butlerflies,
And wont the bright fireflies again.
As I dream - I gaze peacefully at the sky.

H.S. 1st year
Commerce



# Nature's Love

**Dharitry D Phu**

The gentle breeze, the flowers and leaves
Makes my heart pure and clean
The beauty of flowers and the rainy shower
Soothe my eyes and make me forget about the h
Chirping of birds makes me happy
Seems like they are singing.
The sky full of clouds in such a beauty
Guessing shapes and matching them
with things becomes my duty
Nature is flooded with beauty and joy
Spreading smiles and making me enjoy.

**B.A. 5th**

# कयी कहते हैं "जय माता दी"?
# नारी की आवाज

**साहील गुप्ता**

मुझे हैं, फेंका,
मुझे है रोंदा,
मुझे हैं वेचा,
ये कयी भूल जाते हैं इंसान
कि मुझसे ही तो उनका अस्तित्व है।
फेकते हुए दर्द नही आता।
रोंदते हुए घिन नहीं आती।
बेचते हुए शर्म नही आती।
तो क्यों करते हैं, जय माता दी,
माता भी तो एक स्त्री है।
इंसान जब ना करे किसी स्त्री की कदर,
उसे कोई हक नही माता का नाम पुकारनें का।
क्या गलती है मेरी,
जो हुआ इंसान ऐसा शैतान
ये असीम गुनाह कर के भी,
कैसे खुद से निगाह मिला पाता है इंसान।
आज के दौर मे कहाँ है लड़कियां
लड़की से कम
हर कदम कंधा मिलाए खड़ी है लड़कियां
तब भी हम हमे अबला नारी क्यो कहते है
हमें भी वो समान दर्जा दो।
लेकिन
मुझे है फेंका।
मुझे है रोंदा।
मुझे है बेचा।

उच्चतर माध्यमिक द्वितीय वर्ष
बाणिज्य

# पुलवामा के शहीद सैनिको को सलाम

**राज सिंह**

तिरंगे मे ऐसे लिप्त कर सोया है।
इस वतन के लिए शहीद हुए है,
सामने से नही छुप कर वार किया
उन्होने सामने आते तो
वफादारी याद दिला देते तुमको
पुलवामा मे 40 जवान हमारे मारे थे,
वो मरे नही शहीद हुए
एक बार उस माँ का सोचो
जिसने आधा शरीर देखा होगा,
क्या बीती होगी
उस बीवी पर भी जो,
अभी तक सज सवर कर बैठी थी
अभी तो निकला था सुहाग घर से
ऐसे कैसे हो गया
ना बिगुल बजा ना
ना एलान हुआ
जंग हुई और सब खतम हो गया,
एक एक का सीना फोलाद का था
क्या कायरो की तरह छुप कर हमला
किया था,
इस नफरत की आंधी मे हमारे चालीस
जवान शहीद हो गए
ये सोच ना लेना काफिरों की हिंदुस्तान
डर जाएगा।
इन शोली के जाने से आग अभी भड़केगी।
जब जबान तु हे मिलेगा सास तु हारी
अटकेगी।
इंतेजार करो उस वक्त का जब तु हारी
तस्वीर दीवार पर लटकेगी।।
जय हिन्द।।

उच्चतर माध्यमिक द्वितीय वर्ष
बाणिज्य

কথাশিল্প

# অৱন্তিকা - এক অসম্পূৰ্ণ অধ্যায়

হোমেন শইকী

পাতলীয়া বৰষুণজাকে দুপৰীয়া বেলাতেই চহৰৰ গোটেই বাট পথবোৰ প্ৰায় জনশূণ্য কৰি পেলাই কোনোবাই দৌৰি গৈ দোকানবোৰত সোমাইছে, কোনোবাই গাড়ীৰ ভিতৰত আৰু কোনোবাই ফুটপাথত ... লাইন হোটেলবোৰত। বৰষুণৰ পৰা পৰিত্ৰাণ পাবলৈ য'ত যেনেকৈ পাৰিছে তেনেকৈয়ে বৈ দিছে। ইজনে সিজ... লগত কথা পাতিবলৈ কাৰো সময় নাই! সম্ভৱ ইচ্ছাও নাই। সকলোৰে এটাই চিন্তা বৰষুণজাক কেতিয়া এৰি... বৰষুণ এৰিলেই যেন আকৌ ব্যস্ত হৈ পৰিব চহৰখন, মানুহবোৰ, গাড়ী মটৰবোৰ।

মই ভাড়াঘৰত থাকো। ৰাজনীতি বিভাগত মাষ্টাৰ ডিগ্ৰী কৰিবলৈ বুলি চহৰলৈ আহিছিলো। নিজৰ জিলাখন... ইউনিভাৰ্চিটি নাই বাবে ডিব্ৰুগড় ইউনিভাৰ্চিটিতেই এডমিছন কৰিলোহি। এডমিছন কৰা পোন্ধৰদিন মান পিছত... ভাড়াঘৰ এটা চাই থাকিবলৈ লৈছিলো। এতিয়া প্ৰায় এমাহ মান হৈছে ৰুমত থকা। ক্লাছবোৰো লাহেকৈ আৰ... হৈছেই। কিতাপ কিনা, ৰুম চিজিল কৰা ... এইবোৰতেই এইকেইদিন ব্যস্ত। আচলতে ৰুম চিজিল কৰা মানে প্ৰ... দিনাখনেই আহি যি ঝাৰু দিলো সেইয়াই। আজি ঘৰৰ পৰা মা দেউতা আহিম কৈছে। সেইকাৰণে আকৌ ওলাই... পাল্টাই ঝাৰুটো মাৰি ৰুমটো অলপ চাফ-চিকুণ কৰিলো প্ৰায় এমাহ মানৰ মূৰত। ৰুমটো চিনি নাপায় বাবে ... ষ্টেণ্ডলৈকে আগবাঢ়ি যাম বুলি কৈ থোৱা আছে। সময়তকৈ অলপ আগতেই ওলালো। কিতাপ এখনো কিনি... আছিল।

কিতাপখন কিনি মোবাইলটো চালো বাছ পাবহি হোৱাই নাই, এতিয়াও বহুত সময় বাকী। বৰষুণজাকো ... আছে। সেয়ে কফি একাপ খাওঁ বুলি ৰেষ্টোৰাঁ এখনত সোমালোগৈ। টেবুলবোৰলৈ চালো প্ৰায় ভৰ্তি হৈ আছে... অৱশেষত চুকত থকা টেবুলখন চাই চকু বৈ গ'ল। কোন বহি আছে তাত? পাতল গুলপীয়া চুৰিডাৰ এযোৰ পি... আছে। হাতত মোবাইলটো লৈ কিবা চাই আছে। টেবুলত একাপ কফি। কোন আছিল তাই...? অহ মনত পৰি... এতিয়া। দুবছৰ আগতেই দেখা পোৱা এজনি ছোৱালী। অৱন্তিকা...। কিন্তু তাই ইয়াত কেনেকৈ...? বাৰু যি... নহওক বুলি কৈ তাইৰ ওচৰলৈ বুলি আগবাঢ়ি গ'লো।

অৱন্তিকা..

আৰে আপুনি। (মূৰ দাঙি চাই অলপ চিএঃৰিয়ে দিলে। বৰফূৰ্তিবাজ ছোৱালী কথা পাতি খুব ভাল পাই...

হয়, চিনি পাইছা? (অলপ আচৰিত ধৰণে সুধিলো)

কিয়, পাহৰিলো ভাবিছে নেকি? আপুনিহে পাহৰি গৈছিল চাগে। (কথাযাৰত যেন বেলেগ এটা সুৰহে আছিল)

মই কিয় পাহৰিম বুলি কৈ ওচৰতে থকা চকী এখনত বহি ল'লো।

বাকী খবৰ খাতি কোৰা!

বৰ এটা ভাল নহয়। মাৰ বেমাৰ। সেইকাৰণে ডাক্তৰৰ ওচৰত দেখুৱাবলৈ ইয়ালৈ আহিছো। আপোনাৰ কওক, বিন্দাছ নে?

হিঃ হিঃ

মোৰ ভালেই।

..........

..........

কফি খাবা?

খাইয়ে আছো। চিধা উত্তৰ।

আকৌ এবাৰ? প্লিজ...

ঠিক আছে, নহ'লে আকৌ বেয়া পাব নহয়।

হুম।

তাইৰ ভিজি থকা চুলিখিনি পিছফাললৈ ঠেলি দিলে। ঠিক দুবছৰ আগতেও তাই একেই কৰিছিল। মই তেতিয়া বি. এ. ছেকেণ্ড ইয়েৰ। সেইদিনাখনো বৰষুণ দি আছিল। তেতিয়া মই কলেজৰ তিনিআলিৰ দোকাখনত বৈ আছিলো। তাইয়ো ঘপককৈ গাড়ীৰ পাৰ নামি দোকানখনতে সোমালেহি, যিহেতু কলেজৰ সন্মুখত গাড়ী ৰখাবলৈ নিদিয়ে। দোকানখনত সোমাইয়ে লগৰজনীৰ ওচৰত বৈ আগৰ পৰা ভিজি থকা চুলিখিনি ঠিক কৰি লৈছিল। দোকানখনত বৈ থকা এগালমান ল'ৰা-ছোৱালীৰ ভিতৰত যেন আমি দুটাহে ব্যস্ত। তাই লগৰজনীৰ লগত কথা পতাত আৰু মই তাইক আঁৰ চকুৰে চোৱাত। তেতিয়াই গম পাইছিলো তাই খুব কথা পাতে বুলি। মাজে মাজে আকাৰ ইংগিত দাঙি লগৰজনীক মোৰ ফালে দেখুৱাই। হয়তো মোৰ কথাই কিবা কৈছে। এবাৰ চকুৱে চকুৱে পৰিলত কাণ মূৰ গৰম হৈ গৈছিল। যেন বুকুত বিজুলীহে মাৰিলে। এনেকৈয়ে অলপ পৰ চলিল। তাৰ পিছত বৰষুণ এৰিলে আৰু তাই গ'লগৈ। আৰু তাই কলেজত সোমোৱালৈকে মই চাইয়ে থাকিলো। নাজানো কি হৈছিল। সেইদিনাখনেই আছিল প্ৰথম আৰুশেষ দেখাদেখি। নামটো কেনেবাকে গম পাইছিলো অৱন্তিকা বুলি। সেইদিনাখনৰ পৰা তাইৰ লগত কোনোদিন দেখা দেখি হোৱা নাই। তেনেকৈয় পাৰ হৈ গ'ল দুটা বছৰ।

আজি পুনৰ আকস্মিকভাৱে দেখা দেখি হৈছো প্ৰায় দুটা বছৰ পিছত। মোৰ নিচেই কাষত। হয়তো কোনোদিন লগ পাম বুলি ভবাও নাছিলো। আজি একেবাৰে কাষত পাই এক অবুজ শিহৰণ জাগি উঠিছে। কি এইয়া.. ভালপোৱা নেকি? ভালপোৱা যদি কেনেকুৱা ভালপোৱা? একপক্ষীয় প্ৰেম নেকি? যদি নহয়েই তাইতো কোৱা নাই ভাল পাওঁ বুলি। হয় ই নিশ্চিত। একপক্ষীয় প্ৰেম। তাইক সন্মুখত পাই তাইৰ নামত যেন এটা কবিতাকে ৰচি দিম।

ক'ৰেনো এপাহি নিয়ৰসনা শেৱালী
দেখা দিছাহি মোক পূৰ্ণিমা ৰাতিত।
তোৰ সুৱাস যেন মোৰ চিৰচিনাকী
মাথো এবাৰ কোৱা
এই শেৱালী কেতিয়াও নসৰে বুলি!
পাৰ কৰি দিম ওৰেটো ৰাতি
কবিতা ৰচিম প্ৰতিটো নিশাত
মৰমবোৰ বিলাই দিম পুৰতি তৰাক।

তেনেতে তাইৰ ফোনটো বাজি উঠিল। কিৰিং কিৰিং হেল্ল'...

..........

অহ ঠিক আছে গৈ আছো। এইবুলি কৈ তাই ঘপককৈ বহাৰ পৰা উঠিল।

... মই যাবগৈ লাগিব। ডক্টৰ আহিব সময় হৈছে।

... অহ ঠিক আছে।

.. বাই তেন্তে।

... অ'কে বাই।

এনেকৈ তাই আকৌ গ'লগৈ। দি গ'ল মাথোঁ অকনমান সময়ৰ স্মৃতি। বৰ মধুৰ।

চেহ্ ফোন নাম্বাৰটো লোৱাই নহ'ল নহয়। মইয়ো যে কি পাগল। অৱন্তিকা... বৰ ধুনীয়া নাম। মোবাইলটো চালো বাছ পাবহি হৈছে। বৰষুনজাকো এৰিছে। এটা অপ্ৰাপ্তি অথচ মধুৰ স্মৃতি লৈ বাছ ষ্টেণ্ডলৈ বুলি ৰাওনা হ'লো।

স্নাতক পঞ্চম ষান্মাসিক
কলা শাখা



# চিৰন্তন

তাৰ্কিছ আহমে

বাতৰি কাকতৰ এটি সৰু বিজ্ঞাপন, কলমটো হাতত লৈ ময়ুৰীয়ে ভাবিলে উকা কাগজখনত বহুত দিনৰ পৰা ভাবি থকা গল্পটোৰ আৰম্ভণি ক'ৰ পৰা কৰিব। তাই লিখা-মেলা কৰি যাবৰ বাবেই ঋতুৰাজে বৰ মৰমেৰে তাইৰ হাতত কলমটো তুলি দিছেহি। বিয়া হোৱানো কিমান দিন হৈছে, প্ৰায় ছয়-সাত মাহ। বি.এ. ফাইনেল দিয়েই বিয়া হ'ল। বিয়াৰ আগত কিমান যে গল্প, কবিতা লিখিছিল তাই আৰু ঋতুৰাজেও তাইৰ প্ৰতিটো লিখাই আগ্ৰহেৰে পঢ়িছিল। বিয়াৰ পাছৰে পাৰ লেখা-মেলাবোৰ একেবাৰে বাদ দিয়াৰ নিচিনাই হ'ল। লিখিবলৈ বহিলে তাইৰ চকুত পৰে বেৰত লাগি থকা মকৰাজালবোৰ, নাইবা লেতেৰা হোৱা পৰ্দাখন। বৃদ্ধা শাহুৱেকৰ মাত শুনি খপ-জপকৈ কলমটো টেবুলতে থৈ ময়ুৰী ৰুমৰ পৰা ওলাই আহিল। শাহুৱেকৰ মূৰৰ পকা চুলিকেইডাল, সোতোৰা-শোতোৰ পৰা গালখন চাই তাই নিজকে কল্পনা কৰি চায়। শোতোৰা-শোতোৰ গালেৰে পকা চুলিৰ ময়ুৰী আৰু বৃদ্ধত্বই গৰকি যোৱা তাইৰ ভাৱধাৰাবোৰ। ময়ুৰীয়ে শাহুৱেকে শিকাই দিয়া কিছুমান নীতি-নিয়ম সশ্ৰদ্ধাৰে পালন কৰি যায়। কিন্তু কিছুমান যুক্তিহীন নিয়ম উলংঘন নকৰিলেও মানি ল'বলগীয়া কথাটোৱে তাইৰ অন্তৰাত্মা জোকাৰি যায়। ময়ুৰীৰ যদি পুত্ৰ সন্তান হয় শাহুৰ পুৰণিকলীয়া ভাৱধা বোৰেৰে বান্ধি নাৰাখে বোৱাৰীজনীক। ঋতুৰাজৰ পত্নী, ঘ সৰু বোৱাৰী, এটা সময়ত কাৰোবাৰ মাক বুলি 'ময়ুৰী' নামটো অস্তিত্ব হেৰাই যাব নেকি।

"বেঙ্গেনা পুলিকেইটাত পানী দিলানে?" তন্ময় হৈ থ ময়ুৰীয়ে বৰজনাকৰ মাতত সম্বিৎ ঘূৰাই পালে। ইচ কাগে ভৰাবলৈ আহি কি যে ভাবি আছিল। সন্ধিয়া হ'বৰে হ'ল। বাৰ বেঙ্গেনা, জলকীয়া পুলিকেইটাত পানী দি থাঁকোতে তাই ভাবি তাইৰ অস্তিত্ব আছেইচোন। বোৱাৰীৰূপে, গৃহিনীৰূপে। ত দিয়া পানীৰ স্পৰ্শত পুলিকেইটা জীপাল হৈ উঠে। তাই নিলে মজিয়াখন নিকা হৈ পৰে। দাগ লগা পৰ্দাখন চাফা পৰে, বেৰৰ মকৰাজালবোৰ আঁতৰি পৰে। অস্তিত্ব তা এনেকৈয়ে বিচাৰিব জানিব লাগিব। ইয়াৰ মাজেৰেই আগব আহিব এটি সপোন। এয়াই হয়তো চিৰন্তন....।

স্নাতক তৃতীয় ষান্মাসি
বাণিজ্য শ

# Breaking Barriers

**Abdul Rajak**

"What the hell is this lockdown! I am dying in this house! It sucks!" Bloody corona! That day Rishi came late, drunk, shooting and approaching Towards his home. His voice was becoming louder and louder as he was heading towards his home.

All this is happening because of this whore. Mum! Where is she? She spents a lot of money in her luxuries. Now my paket is empty. This pori Never saves a rupee. I become penniless," Rishi Shouted over his wife Pori. He started beating her with his belt, hit her here and there. He kicked and smashed the cupboard. He had been trying to choke her to death again and again. "Save me! Save me! He will kill me now! Come fast! Save me!" said Pori on a phone to Raju from her husband's home. He wondered but he knew what was happening to his sister.

"Where have you reached ? Where are you? Call the police! Did you inform the police? Come fast! Come! He chocked my neck! He will kill me now!," repeated Pori. This time she was breathing heavily as if a village dog was running after her.

Raju along with this mother, his elder brother and a man known to Raju's elder brother, (who had a good attachment with police) arrived in a car to save Pori. She was standing in front of her sister-in-law's house. It was 1 k.m. away from her husband's house. She was standing with her two little daughters, her mother-in –law and the family of Pori's sister-in-law in front of the house near the road.

Pori started crying, "He broke all everything and all the furniture's. I managed to hide the T.V from his eye. He punched me on my head. He squeezed my neck until I was supposed to death. He was all drunk."

Pori and her daughter, managed to sit in the car. They would go to the police station at midnight. As they were moving ahead, a man was waving his hand standing almost in the middle of the road unsteadily. One of his legs of his trouser was on his knee and the other leg was on his ankle. He was Rishi, Pori's husband. They passed him, still he was waving his hand holding his gaze to the car.

In the car, the man, known to Raju's brother asked Pori, "He had done this to you many times. You were about to die this time. What are you thinking about? What are you going to do this time ?

Pori was still crying. She said, "It's all over! Soon it would be ten years of my marriage. He didn't change. He would never change. He would never be a good one. I won't come back this time. This time he has to be punished. But I am worried about these two little girls. What would happen to my daughters? Could they live without their father ? Could I manage ? I just think of those little girls, eight and the other is si…six… six… years old!"

Soon the car rushed through the dark road leaving a dark place away, taking Pori and her daughters to a brighter place where her past won't haunt her anymore.

**B.A. 3rd Sem**

# অ মন তৰা একেটা ছাতিতে দুজনকৈ দৰা

দিব্যজ্যোতি ৰাজখো

ৰজনী পেহীয়ে হাততে চোতাল সাৰিবলৈ দীঘল বাঢ়নিডাল লৈ দুৱাৰ খুলি ওলাই গ'ল। পুহমহীয়া জাৰৰ দিন।

- অ সৌটো বসন্ত নহয়নে?

- অ হয় হয় পেহী।

- কাইলৈ তই আহিবিচোন গাড়ীখন লৈ।?

- আকৌ বিয়া ওলাইছে নেকি?

- এহ ৰহ অ মৰিবলৈ ধৰাটো, বিয়া কি এনেকৈ ওলোৱা বস্তু নেকি। বৰুণ ককায়ে বৰগুৰি চাপৰিৰ সোণাৰামৰ জীয়েকৰ ঠিকনাটো দিছিল। তাৰ পৰাই গৈ আহিবি। যদি ভাগ্য ফুলে এইবাৰ মিঠাই খাবলৈ পাবি।

- হে পেহী, এইবাৰ চাবচোন ভাগ্য ফুলিবই ফুলিব। মুঠতে এইবাৰ আপুনি উৰুলি দিবলৈ পাবই পাব। মই কাইলৈ পুৱা আঠ বজাতে আহি আপোনালোকৰ পদূলিত উপস্থিত হ'মহি।

হওঁক আজি বহুদিনৰ মূৰত ৰজনী পেহীৰ মুখত হাঁহি বিৰিঙিছে। প্ৰসংগ বৰগুৰি চাপৰিৰ সোণাৰামৰ জীয়েক।

- কাইলৈ বেলি মাজ আকাশলৈ যোৱালৈ শুই নাথাকিবি। মই বসন্তক ক'লো, কাইলৈ সোণাৰামৰ ঘৰলৈ যাব লাগিব। ছোৱালী চাবলৈ। কাপোৰ কানি কেইটা আজিয়ে ই দি থবি। পুৱা লৰালৰি হ'ব।

পৰিমল ওজা, ৰজনী পেহীৰ একমাত্ৰ ল'ৰা। গোটে গাঁওখনৰ ভিতৰত হয়তো এনে এজন চাপৰ আৰু ক'লা ল বিচাৰি পোৱা নাযাব যিজনে পৰিমলৰ ফেৰ মাৰিব পাৰি একপ্ৰকাৰে পৰিমল ওজা ল'ৰা হৈ থকা নাই। বৰ্তমান দু দুবছৰ বয়সত ভৰি দিছে পৰিমলে। কিন্তু ৰজনী পে কথামতেহে সকলোৱে পৰিমলক ল'ৰা বুলি কয়। ৰজনী পে মতে বিয়া নপতালৈকে সকলো পুৰুষেই ল'ৰা। এয়া ৰজ পেহীৰ আইন। বেচেৰী বয়সে আঁচুৰা ৰজনী পেহীয়ে পৰিম বিয়াখনক লৈ আশা এৰি দিয়া নাই। ৰজনী পেহীৰ সদায় এ কথা - "তোৰ বিয়াখন কেনেবাকৈ পাতিব পাৰিলে মই নি হৈ যমপুৰীলৈ যাব পাৰিম।"

কেতিয়াবা পেহীয়ে এইবোৰ কথা গান গোৱাদি থাকে তেতিয়া পৰিমলৰ ধৈৰ্য্যৰ সীমা চেৰাই যায় আৰু তেতি সি কৈ পেলায় - "হেৰৌ মা, বিয়া পাতো বুলিলেই পা পেলোৱা বস্তু নহয়, এটা চাকৰি লাগিব যিটো মোৰ ভাগ নাই, দেখিবলৈ অলপ ধুনীয়াও হ'ব লাগিব। মোৰ দৰে চা

কলীয়া এটাক কোনে ছোৱালী দিব কচোন তয়ে। ব্ৰইলাৰ ফাৰ্মখনৰ ব্যৱসায়টো আৰম্ভ কৰিছিলোহে তাতো গাঁওখনৰ মানুহৰ নীতি নিয়মবোৰৰ বাবে সিমানতে বন্ধ কৰিবলগীয়া হ'ল। দিনটো পকা কাম কৰি কৰি গোটোৱা পইচা কেইটাই তোৰ ঔষধতে খৰচ কৰো নে, বিয়াখন পাতিবলেকে সাচি থওঁ নে নে ঘৰটোৰ মেৰামতি কামতে খৰচ কৰোঁ। বাকী খোৱা, পিন্ধাৰ খৰচবোৰ আছেই।"

পৰিমলে যেতিয়া এনেকৈ কৈ পেলায় তেতিয়া ৰজনী পেহীৰ বুকুখনত শোকটোৱে খুন্দা মাৰি ধৰে। পেহীয়ে বহু চেষ্টা কৰি পৰিমলৰ আগত নকন্দাকৈ থাকে। পেহীয়েও হয়তো জানে ঘৰখনৰ সমস্যাবোৰ আৰু পৰিমলেও জানে হয়তো মাকৰ মনৰ বেদনা সেয়ে হয়তো পৰিমলে মাকৰ কথা শুনি বাৰে বাৰে বিয়াৰ বাবে ছোৱালী চাবলৈ যোৱাত কৃপনালি নকৰে।

- অ বসন্ত পালিহি নেকি? আমাৰ ইয়াৰ ওলাই হৈছেই আৰু ৰ।

- অ হ'ব দিয়ক পেহী। মই ৰৈছো বাৰু।

- অ বসন্ত শুনচোন, ছোৱালীৰ মাক বাপেকে কিবা কিবি অকাই পকাই সুধা যেন গম পালে তই আমাৰ ইয়াক কথা ক'বলৈ নিদিবি। জানই নহয় ই ভালকৈ কথা ক'ব নাজানে। পৰাপক্ষত ছোৱালীৰ ঘৰৰ পৰা যি সুধে তয়ে উত্তৰ দিবলৈ চাবি।

- অ হ'ব বাৰু আপুনি চিন্তা নকৰিব পেহী।

প্ৰতি নিশা বিয়াৰ চিন্তাত টোপনি নোযোৱা পৰিমল আজি বসন্তৰ লগত ছোৱালী চাবলৈ ওলাল। সময়মতে সোণাৰামৰ ঘৰো পালেগৈ দুয়ো।

- অ পালাহিনে। মোক বৰুণে কৈয়ে থৈছিল আজিয়ে তোমালোক আহিবা বুলি। আহা আহা ভিতৰলৈ সোমাই আহা।

হওঁক বাৰু পৰিমলৰ চিন্তা একা কমিলে। নহ'লে বাৰে বাৰে 'মই আপোনাৰ ছোৱালীক চাবলৈ আহিছো' বুলি কৈ থাকি পৰিমলে বৰ অস্বস্তি অনুভৱ কৰে। ভিতৰত বহি থাকোতেই ভিতৰৰ পৰা চাদৰ মেখেলা পিন্ধি সদ্যস্নাতা পচিশ-ত্ৰিশ বছৰীয়া এগৰাকী যুৱতীয়ে হাতত চাহ জলপান লৈ ওলাই আহিল।

- ঐ বুজিছ, ছোৱালীজনী বৰ বেয়া নহ'ব যেন লাগিছে। তোৰ লগত মিলিব।

জলপান খায় থাকোতেই বসন্তই খুঁচ মাৰি পৰিমলক ক'লে। পৰিমলৰ যেন লাজটোৱে নাকতে ধৰিলে।

- অ বাৰু কোৱাচোন এতিয়া ছোৱালী এইজনীয়ে আৰু আমাৰ। তোমাৰ বা পচন্দ হৈছে নে নাই?

- অ হৈছে হৈছে, ভাল মিলিব।

বসন্তৰ চাৎতকৈ পেহীয়ে অহাৰ পৰত কোৱা কথাষাৰ মনত পৰি সোণাৰামক কৈ পেলালে।

- অ আপোনালোকৰ ছোৱালীৰ বা আকৌ পচন্দ হৈছে নে নাই সেইটোওটো জানিব লাগিব। নে কি কোৱা পৰিমল।

- অ হয় হয় বসন্ত।

- অ হৈছে।

- তেন্তে আজিয়ে বিয়াৰ তাৰিখ ঠিক কৰাই ভাল হ'ব।

- অ হয় হয়, দৰা কইনাৰ মত আছেই যেতিয়া অহা মাহতেই বিয়াৰ তাৰিখ পেলাব লা গে।

"কিন্তু বিয়াৰ দিন পেলোৱাৰ আগত দৰা কইনাকটো অকলে অলপ স্বাধীন হৈ কথা পাতিবলৈ দিব লাগে।" - সোণাৰামৰ পত্নীয়ে মাত লগালে।

- অ বসন্ত যোৱা, দুইটাই অলপ কথা পাতি আহা।

সোণাৰামৰ কথাষাৰিয়ে যেন বিনা মেঘে বজ্ৰপাত পেলালে বসন্ত আৰু পৰিমলৰ মূৰৰ ওপৰত। পৰিমলৰ মুখখন ৰঙা ক'লা হৈ পৰিল যেন অসহায় এইবাৰো সি। বসন্তই কিবা এটা ক'বলৈ লওঁতেই পৰিমলে হাততে খামুচি ধৰিলে। পৰিমলে হয়তো নিজকে অপমানিত বোধ কৰিলে। বসন্তয়েও হয়তো বুজি পালে পৰিমলৰ অৱস্থা।

- যোৱা বসন্ত, কথা পাতি আহা। দুয়োৰে মত মিলিলে বিয়াৰ তাৰিখ ঠিক কৰিহে যাম আৰু।

- তোমাৰ ঘৰৰ কাম কৰা ল'ৰা নেকি এইজন বসন্ত?

বসন্তই আৰু একো ক'ব নিবিচাৰিলে। বসন্ত সোণাৰামৰ জীৰ লগত বাহিৰলৈ ওলাই গ'ল।

- আচলতে কথাটো তেনেকুৱা নহয়...

- মইও কথা এটা ক'ব বিচাৰো। মই ঘৰৰ একমাত্ৰ ছোৱালী, মই মোৰ নিজৰ পচন্দৰ মতেহে বিয়াত বহিব বিচাৰোঁ।

- সঁচা অৰ্থত মই তোমাৰ দৰাজন নহয়। তোমাৰ দৰা..

- জানোঁ মই মোৰ দৰা তুমি যে নহয়...

- তেন্তে কি কৰিবা এতিয়া?

- তুমি আজি বিয়াৰ তাৰিখ ঠিক কৰি থৈ যোৱা। বাকী সময়ত দেখা যাব।

মাঘৰ একৈশ তাৰিখ। মাঘৰ একৈশ তাৰিখ, মাঘৰ

একৈশ তাৰিখ কৰি কৰি বসন্ত আৰু পৰিমল দুয়ো ঘৰ পালেহি। ঘৰৰ পদূলিমুখ পায়ে বসন্তই নিজৰ মাৰুটি কাৰখনৰ হৰ্নটো বজালে। ৰজনী পেহীজনী বেমাৰী দেহাৰে দৌৰি আহিল।

- কি হ'লগৈ? পচন্দ কৰিলেনে আমাৰ ইয়াক।

- হ'ল মা, কিন্তু মোক নহয়। বসন্তকহে পচন্দ কৰিলে। আজি পুহৰ ২৮ তাৰিখ হ'লেই, মাঘৰ ২১ তাৰিখে বসন্তৰ বিয়া সোণাৰামৰ জীৰ লগত।

পৰিমলে হাঁহি এটা মাৰি ক'লে। বসন্ত যেন নিৰুপায়। কাক কি উত্তৰ দিব। পৰিমলে আংশিক হাঁহি হাঁহি ভিতৰলৈ সোমাই গ'ল। অলপো খং কৰা নাই বসন্তক। পৰিমলে ইয়াত কেৱল নিজৰ ৰূপ, গুণ আৰু আৰ্থিক অৱস্থাৰ অভাৱৰ ওচৰতহে খং কৰিছে।

চাওঁতে চাওঁতে আজি মাঘৰ ১৯ তাৰিখ পালেহি। অনুস্তুপীয়াকৈহে দৰাৰ ঘৰখনত নিয়মকণ কৰিছে। কইনা ঘৰৰ ৰভাখন অৱশ্যে বৰ ডাঙৰকৈ তৰিছে। দুয়োখন ঘৰত বিয়াৰ উৎসৱমুখৰ পৰিৱেশ। সোণাৰামৰ গা সাতখন আঠখন হৈ আছে। পৰিমলে বসন্তৰ ছাতি ধৰিব। বসন্তই সমানে সমানে বজাৰ কৰি আনিছে দুয়োটাৰ বাবেই।

"অ মন তৰা একেটা ছাতিতে দুজনকৈ দৰা, মালা পিন্ধাজনে ছোৱালী পাব, ছাতি ধৰাজনে মুখলৈ চাব।"

দৰা আহিল অৱশেষত। ঢোলে দগৰে কি যে আনন্দৰ পৰিৱেশৰ সৃষ্টি হয় দৰা অহাৰ পৰত। কিন্তু ...

- ক্ষমা কৰিব সোণাৰাম বৰদেউতা। আপোনাক শহুৰ দেউতা বুলি মতাৰ অধিকাৰ এই বসন্তৰ ওচৰত নাই। আপোনাৰ জোঁৱাই মই নহয় এইজনহে...

কি হৈ গ'ল এইবোৰ পৰিমলে অলপো বুজি নাপা[illegible] গম নাপালে। পৰিমলৰ মুখত প্ৰশান্তি ভৰা হাঁহি, অলপ ভ[illegible] অলপ লাজ, অলপ আত্মগ্লানি... কি বুলি ক'ব সমাজক এতি[illegible] সি, ৰভাৰ তলিত একে সাজ পিন্ধি থকা বসন্তক কৰ কি সি[illegible]

- তুমি একো কৰ নালাগে পৰিমল, যি ক'ব লাগে ম[illegible] কম আজি। দেউতা প্ৰতিগৰাকী ছোৱালীৰে নিজা এটা মন থা[illegible] নিজস্ব পচন্দ থাকে। প্ৰথম বসন্ত আৰু পৰিমলে মোক চাব[illegible] অহা দিনাই মোৰ পচন্দ হৈছিল পৰিমলকহে। বসন্তক মই [illegible] কথা কৈছিলোঁৱে কিন্তু তোমালোকৰ পচন্দ আছিল বসন্ত আ[illegible] মোৰ পচন্দ পৰিমল। পৰিমল ৰূপে, গুণে বসন্তৰ দৰে ন[illegible] পাৰে কিন্তু তাৰটো এটা ভাল মন আছে, প্ৰতিগৰাকী না[illegible] প্ৰতি শ্ৰদ্ধা আছে, কাম কৰি খোৱাৰ পৰাকৈ নূন্যতম যোগ্য[illegible] আছে। পৰিমলৰ ঘৰখনৰ অৱস্থাৰ কথা মোক বসন্তই সিদি[illegible] কৈছিল। পৰিমলৰ জীৱনত, পৰিমলৰ ঘৰখনত এগৰা[illegible] বোৱাৰীৰ প্ৰয়োজন আছে। গতিকে দেউতা পৰিমলৰ সে[illegible] পিন্ধাত মই নিজকে ভুল বুলি নাভাবো কোনোক্ষেত্ৰত।

- হেৰৌ পৰিমল জোঁৱাই, কি চায় আছা, হোমৰ [illegible] শেষেই হ'ব এতিয়া। যদি মোৰ জীক নিজৰ কৰিব বিচাৰা তে[illegible] সোনকালে হোমৰ গুৰিত বহাহি।

স্নাতক পঞ্চম ষান্মাসি[illegible]
কলা শা[illegible]

# প্রতিবেদন...

# সভাপতিৰ প্ৰতিবেদন...

জয়জয়তে আমাৰ ঐতিহ্যমণ্ডিত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীবৃন্দ, ছাত্ৰ-একতা সভাৰ সকলো বিষয়ববীয়া তথা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

২০১৯-২০ বৰ্ষৰ গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভানেত্ৰী হিচাপে নিৰ্বাচিত কৰাৰ বাবে সমূহ বাণিজ্যিয়ানৰ ওচৰত মই চিৰঋণী।

অসম মোলোকৰ গোলঘাট জিলাৰ মাজমজিয়াত অৱস্থিত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ স্বৰ্গীয় পুনাৰাম নেওগ ছাৰৰ সবল প্ৰচেষ্টাত প্ৰতিষ্ঠা হোৱা এই মহাবিদ্যালয়খনে বৰ্তমান সময়লৈকে নিজৰ মৰ্য্যাদা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। এই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ এটি গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত হৈ মই সঁচাকৈয়ে গৌৰান্বিত। মহাবিদ্যালয়খনিত ভৰি দিয়াৰ দিন ধৰি মনত মাথো এটাই হেঁপাহ সেইয়া হৈছে শিক্ষাগুৰুসকলক ওচৰৰ পৰা পোৱা অৰ্থাৎ তেওঁলোকৰ কৰ্মৰাজিৰ দ্বাৰা নিজকে অনুপ্ৰাণিত কৰা। মোৰ কাৰ্য্যকালত মোৰ বহুতো কাম কৰাৰ ইচ্ছা আছিল। কিন্তু সেইয়া সম্পূৰ্ণৰূপে সফল হৈ নুঠিল। সেই সময়ত নাগৰিকত্ব সংশোধনী আইনৰ বাতিল আৰু ক'ৰুণা ভাইৰাছৰ দৰে মহামাৰীৰ উপস্থিতিৰ ফলত মোৰ কাৰ্য সফলভাৱে ৰূপায়িত কৰিব নোৱাৰিলো তাৰ বাবে মই মহাবিদ্যালয়ৰ সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী আৰু আমি পৰিস্থিতি অনুযায়ী মহাবিদ্যালয়ৰ ক্ৰিড়া সপ্তাহ, সৰস্বতী পূজা আদি অনুষ্ঠানবোৰ অনুষ্ঠিত কৰি মনৰ হেঁপাহেৰে সকলো কামৰে দায়িত্ব লৈ সুচাৰুৰূপে পালন কৰিবলৈ চেষ্টা কৰিছিলো। যিবোৰ কামে মোৰ মনত এক প্ৰকাৰৰ প্ৰশান্তিৰ সৃষ্টি কৰিছিল।

মই যেতিয়া সভানেত্ৰী পদত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ মনত সাহস গোটাব পৰা নাছিলো, তেতিয়া মোৰ বিভাগীয় শিক্ষাগুৰুসকলে মোক যথেষ্ট সাহস দিবলৈ সক্ষম হৈছিল। আৰু পৰৱৰ্তী সময়ত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুৰ মন্তব্যত অনুপ্ৰাণিত হৈ আগুৱাই যাবলৈ সক্ষম হৈছিলো। মহাবিদ্যালয় সপ্তাহত মোক যেতিয়া সংগীত বিভাগৰ দায়িত্ব আৰ্পন কৰিছিল। তেতিয়া মোক এই ক্ষেত্ৰত অনামিকা বাইদেউ আৰু সুনাক্ষী বাইদেৰে বিশেষভাৱে সহায় কৰিছিল। আৰু লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুৰে সহায়ৰ হাত আগবঢ়াই আমাক আৰু অধিক উৎসাহী কৰি তুলিছিল। এইদৰে এটা বছৰৰ বাবে সভানেত্ৰীৰ পদটো আছিল যদিও প্ৰত্যেকজন শিক্ষাগুৰু, অগ্ৰজ আৰু অনুজ সকলৰ প্ৰত্যেকটো কথাই মোৰ মনত শিলত কটা সোণোৱালী আখৰৰ দৰে আজীৱন জিলিকি থাকিব।

সৰ্বশেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল ক্ৰটিৰ বাবে শিক্ষাগুৰু আৰু অগ্ৰজ অনুজ সকলৰ ওচৰত ক্ষমাপ্ৰাৰ্থী হৈ ৰ'ম। বৰ্তমান সময়ত অনুজ সকলৰ উজ্জ্বল ভৱিষ্যত কামনা কৰাৰ লগতে মহাবিদ্যালয়খনিৰ লগত জড়িত প্ৰত্যেকজন ব্যক্তিৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো।

ৰিণ্টীমণি শৰ্মা
সভানেত্ৰী
২০১৯-২০ বৰ্ষ

# উপ-সভাপতিৰ প্ৰতিবেদন...

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল ব্যক্তিৰ নিস্বাৰ্থ ত্যাগ, কঠোৰ পৰিশ্ৰমৰ বিনিময়ত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ে আজি এই ৰূপ পাবলৈ সক্ষম হৈছে সেইসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ। যিসকল ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু মহাবিদ্যালয়ৰ শুভাকাংক্ষী আমাৰ মাজৰ পৰা চিৰদিনলৈ হেৰাই গৈছে সেইসকলৰ প্ৰতিও জনাইছোঁ একাঁজলি শ্ৰদ্ধাঞ্জলি। লগতে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি উপাধ্যক্ষ মহোদয় মোৰ চিৰপূজনীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দৰ লগতে ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া, বন্ধু-বান্ধৱী তথা ভাইটি-ভন্টি সকলোলৈকে মান্যানুসাৰে মোৰ শ্ৰদ্ধা আৰু মৰম জ্ঞাপন কৰিছোঁ।

২০১৯-২০ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাত বিনা প্ৰতিদ্বন্দ্বিতাৰে উপ সভাপতি ৰূপে মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ বাবে সেৱা আগবঢ়াবলৈ সুযোগ দিয়া সেইসকল ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

এখন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰতিজন বিষয়ববীয়াৰ বহুতো কৰণীয় থাকে। মোৰ কাৰ্যকালৰ সময়ত সভাপতি, সাধাৰণ সম্পাদকৰ লগতে ছাত্ৰ-একতা সভাৰ সকলো বিভাগীয় বিষয়ববীয়াসমূহ লগ লাগি মহাবিদ্যালয়ৰ বিভিন্ন কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ যৎপৰোনাষ্টি চেষ্টা কৰিছিলো আৰু লগতে ছাত্ৰ-ছাত্ৰীসকলৰ অভাৱ-অভিযোগসমূহ সাধ্যনুসৰি দূৰ কৰিবলৈ চেষ্টা কৰিছিলোঁ। ২০২০ বৰ্ষত মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহটি অনুষ্ঠিত হৈছিল আৰু মহাবিদ্যালয়ৰ সপ্তাহৰ প্ৰতিটো কাৰ্যসূচী সুচাৰুৰূপে সাফল্যমণ্ডিত হোৱা বুলি মোৰ বিবেচনা হয়। তাৰ উপৰিও মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা শিক্ষক দিৱস, প্ৰতিষ্ঠা দিৱস, শংকৰদেৱৰ তিথি, নৱাগত আদৰণি সভা, সৰস্বতী পূজা, বিদায় সভা আদি সকলো ধৰণৰ কাৰ্যসূচীতে সভাপতি, সাধাৰণ সম্পাদকৰ লগতে ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়া দৃঢ়ভাৱে জড়িত আছিলো আৰু বিভিন্ন ধৰণৰ কাম-কাজসমূহে সুচাৰুৰূপে পৰিচালনা কৰিবলৈ অশেষ চেষ্টা কৰিছিলো।

ছাত্ৰ একতা সভাৰ এবছৰীয়া কাৰ্যকালৰ সফলতা আঁৰত থকা প্ৰতিটো ক্ষেত্ৰতে দিহা-পৰামৰ্শ, উৎসাহ-উদ্দীপনা যোগোৱা মহাবিদ্যালয়ৰ সন্মানীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ছাত্ৰ-ছাত্ৰীৰ সৰ্বোত্তমুখী বিকাশত অৰিহণা যোগোৱা মহাবিদ্যালয়সমূহৰ ভিতৰত এক অন্যতম গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ এজন সদস্য হ'বলৈ পায় নিজকে গৌৰাৱান্বিত অনুভৱ কৰিছোঁ। আৰু মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ক্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।

শেষত পুনৰবাৰ সকলোলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা কৃতজ্ঞতা জ্ঞাপন কৰিলো আৰু লগতে ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ জয়যাত্ৰা অক্ষুণ্ণ থকাৰ শুভ কামনাৰে -

"জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যাল।"

"জয়তু ছাত্ৰ একতা সভা।"

"জয় আই অসম।"

**হৃদয় ৰঞ্জন খাটনীয়াৰ**
**উপ-সভাপতি**
২০১৯-২০ বৰ্ষ

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন...

গোলাঘাট বাণিজ্য মহাবিদ্যালয়, হে মোৰ অপূৰ্ব। তুমি নৈ, তুমি নদী যোৱা বৈ চিৰপ্ৰবাহমান হৈ, প্ৰতিজন বাণিজ্যিয়ানৰ বাবে তুমি *এক জলপ্ৰপাত। তোমাৰ বুকুতেই আমাৰ অলেখ সপোন।*

*পোনপ্ৰথমে গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত পোণাৰাম নেওগ ছাৰৰ লগতে সেই সকল মহান ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰিছো* যিসকলে গোলাঘাট বাণিজ্য মাহবিদ্যালয় নামৰ প্ৰতিষ্ঠানটিৰ সৃষ্টিত অহোপুৰুষাৰ্থ কৰিছিল। এই ব্যক্তি সকলৰ মহান ত্যাগ আৰু ঐকান্তিক প্ৰচেষ্টাৰ ফলত জ্ঞানৰ মন্দিৰ গোলাঘাট বাণিজ্য মহাবিদ্যালয় প্ৰতিষ্ঠা হ'ল। জ্যোতি নগৰ নামৰ সেই সময়ৰ পিছপৰা অঞ্চলটিত জ্ঞানৰ বীজ ৰোপণ কৰিছিল, যাৰ ফলত আজি গোলাঘাট জিলাৰ এখনি আগশাৰী মানৱ সম্পদ গঢ়া কমাৰশাল ৰূপে গোলাঘাট বাণিজ্য মহাবিদ্যালয় চিহ্নিত হৈছে। নতুন আহিছে পুৰণি গৈছে, এই অহা যোৱা বাট সদায়ে জিলিকি আছে জ্যোতিস্মান হৈ।

গোলাঘাট বাণিজ্য মহাবিদ্যালয় এক আৱেগ এক অনুভূতি প্ৰতিজন বাণিজ্যিয়ানৰ স্বাভিমান। মহাবিদ্যালয়খনিত নামভৰ্তি
কৰা দিনৰে পৰা মহাবিদ্যালয়খনিৰ সৈতে এক আত্মিক সম্বন্ধ গঢ় লৈ উঠিছিল, সেই আত্মীকতা চিৰস্থায়ী। মহাবিদ্যালয়খনিৰ প্ৰতি
থকা মৰম ভালপোৱাৰ বাবে মহাবিদ্যালয়খনিৰ প্ৰতি এটা দায়িত্ববোধ কৰিছিলো। এই দায়িত্ববোধেই কালক্ৰমত ছাত্ৰ একতা সভাৰ
মজিয়াত থিয় দিবলৈ সাহস আৰু প্ৰেৰণা যোগাইছিল। ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মই সাধাৰণ সম্পাদকৰ
পদত জয় লাভ কৰিছিলো আৰু মহাবিদ্যালয়ৰ সকলো কামত নিজক নিমজ্জিত কৰিবলৈ পাই সুখী হৈছিলো। আমি শপত লৈছিলো
মহাবিদ্যালয়খনিক নেতৃত্ব দিবলৈ মহাবিদ্যালয় আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীন উন্নয়নৰ বাবে আমাৰ দ্বাৰা সম্ভৱ সকলোখিনি চেষ্টা
আগবঢ়াবলৈ। আমি এখনি ছাত্ৰ একতা সভা আৰু গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ এটা অংশ হিচাপে মহাবিদ্যালয়ৰ সকলো কামতে
মহাবিদ্যালয়খনিক উন্নতিৰ পথত আগুৱাই নিয়াত আমি কাম কৰি যাব চেষ্টা কৰিছিলো।

২০১৯ চনৰ ২ অক্টোবৰ তাৰিখে আমি গান্ধী জয়ন্তী পালন কৰিছিলো আৰু বহুতো অন্যান্য কাৰ্য আৰু নিৰ্মূল প্লাষ্টিক ব্যৱহাৰ
বন্ধ কৰাৰ ওপৰত সজাগতা সৃষ্টি কৰিবলৈ মহাবিদ্যালয় পৰা "Ban of single use plastic" নামৰ Procession বাহিৰ
কৰিছিলো।

৯ অক্টোবৰ তাৰিখে গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ৪৭ সংখ্যক প্ৰতিষ্ঠা দিৱসত মই এজন সাধাৰণ সম্পাদক হিচাপে
মোৰ নেতৃত্বত ছাত্ৰ একতা সভাৰ সকলো সদস্যই প্ৰতিষ্ঠা দিৱসৰ সকলো কামতে যেনে পতাকা উত্তোলন, স্মৃতি তৰ্পন, বৃক্ষ ৰোপণ
আদি সকলো কাৰ্য্যতে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক সহযোগ কৰিছিলো। ৪৭ সংখ্যক প্ৰতিষ্ঠা দিৱস দুদিনীয়াকৈ আয়োজন কৰা হৈছিল।

১৬ অক্টোবৰ তাৰিখে এখনি মুকলি সভা আয়োজন কৰা হৈছিল আৰু সেই সভাখনৰ মুখ্য অতিথি হিচাপে ড° নন্দ সিং
বৰকলাক নিমন্ত্ৰণ জনোৱা হৈছিল। প্ৰত্যেক বছৰৰ দৰে ২০১৯ বৰ্ষৰ প্ৰতিষ্ঠা দিৱসৰ দিনায়ে আমাৰ মহাবিদ্যালয়ৰ "পানচৈ" আলোচনীখনি
ছাত্ৰ একতা সভায়ে উন্মোচন কৰিছিল।

সাধাৰণ সম্পাদক হিচাপে মোৰ প্ৰথমটো পদক্ষেপ আছিল মহাবিদ্যালয়ৰ ক্ৰিকেট, ফুটবল আৰু বক্সিং দলটিক ডিব্ৰুগড়
বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃ মহাবিদ্যালয় ক্ৰিকেট, ফুটবল আৰু বক্সিং প্ৰতিযোগিতাত যোগদান কৰাই তেওঁলোকক ক্ৰীড়াৰ ক্ষেত্ৰত
আগবঢ়াই নিয়াত সুযোগ প্ৰদান কৰা। বক্সিং দলটিয়ে দুটাকৈ সোণৰ পদক লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম
হৈছিল। বিভাগীয় সম্পাদক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত গড়গাঁও মহাবিদ্যালয় অনুষ্ঠিত
হোৱা আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত যোগদান কৰোৱাত ছাত্ৰ একতা সভা ২০১৯-২০ বৰ্ষ সক্ষম হৈছিল।

মহাবিদ্যালয়ৰ কৃতী ছাত্ৰ-ছাত্ৰী সকলক এক শিক্ষামূলক ভ্ৰমণৰ বাবে ছিক্কিম আৰু দাৰ্জিলিং অভিমুখে মোৰ নেতৃত্বত লৈ
যোৱাত মই সক্ষম হৈছিলো আৰু আমাৰ এই শিক্ষা মূলক ভ্ৰমণ সাফল্যমণ্ডিত হৈছিল। ছাত্ৰ একতা সভা ২০১৯-২০ বৰ্ষৰ কাৰ্যকালত
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃ মহাবিদ্যালয় খো-খো প্ৰতিযোগিতাখনি ৪ আৰু ৫ নবেম্বৰ তাৰিখে আমাৰ মহাবিদ্যালয়ত
অনুষ্ঠিত হৈছিলে আৰু এজন সাধাৰণ সম্পাদক হিচাপে মই মোৰ দায়িত্বখিনি নিয়াৰিকৈ পালন কৰিব চেষ্টা কৰিছিলোঁ।

মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠা, ছাত্ৰী জিৰণি কোঠা, ছাত্ৰী নিবাস মেৰামতিৰ বাবে অধ্যক্ষ মহোদয়ক এখনি পত্ৰৰ যোগেদি
অৱগত কৰিছিলো। মহোদয়ে এই ক্ষেত্ৰত তাৎক্ষণিক ভাৱে ব্যৱস্থা লৈছিল আৰু মেৰামতিৰ কাম অতি কম সময়ৰ ভিতৰত সম্পূৰ্ণ
কৰি তুলিছিল। মহাবিদ্যালয়ৰ "ডিজিটেল ক্লাছৰুম"টো যান্ত্ৰিক বিজুতিৰ ফলত বন্ধ হৈ থকা বুলি গম পোৱাত তাৎক্ষণিক ভাৱে অধ্যক্ষ

মহোদয়ৰ লগত আলোচনা কৰি ব্যৱহাৰযোগ্য কৰি তুলিবলৈ সক্ষম হৈছিলো।

**বাৰ্ষিক মহাবিদ্যালয় ক্ৰীড়া সপ্তাহ ২০২০ :** ২১ জানুৱাৰী পৰা ২৫ জানুৱাৰীলৈকে ছাত্ৰ একতা সভাৰ উদ্যোগত অনুষ্ঠিত হৈছিল। মহাবিদ্যালয়ৰ অধ্যক্ষ অনুপ কুমাৰ দাসদেৱৰ দ্বাৰা পতাকা উত্তোলনৰ জৰিয়তে ২১ জানুৱাৰী পুৱা ৯ বজাত বাৰ্ষিক মহাবিদ্যালয় ক্ৰীড়া সপ্তাহ আৰম্ভণি ঘটে আৰু অধ্যক্ষ মহোদয়ৰ বহুমূলীয়া ভাষণে আমাক উৎসাহিত কৰি তুলে। উক্ত দিনকেইটাত ছাত্ৰ-ছাত্ৰীসকলে বিশেষ পাৰদৰ্শিতাৰে মহাবিদ্যালয় সপ্তাহত অংশগ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰীসকলক ক্ৰীড়াৰ লগত জড়িত কৰাত এই ক্ৰীড়া সপ্তাহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ২৫ জানুৱাৰী তাৰিখে ক্ৰীড়া সপ্তাহৰ শেষৰ দিনটোত মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠান আয়োজন কৰা হৈছিল আৰু উক্ত অনুষ্ঠানৰ মুখ্য অতিথি ৰূপে উপস্থিত আছিল অৰণ্য মানৱ, পদ্মশ্ৰী যাদৱ পায়েঙ দেৱ, তেখেতৰ সহজ সৰল ব্যক্তিত্ব আৰু বহুমূলীয়া ভাষণে আমাক অনুপ্ৰাণিত কৰিছিল। সভাৰ শেষত বৰ্ণাঢ্য কাৰ্যসূচীৰে এক সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰা হৈছিল আৰু সেই অনুষ্ঠানৰ মুখ্য আকৰ্ষণ অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী দীপলীনা ডেকাৰ গীত পৰিৱেশনে সকলোকে মুগ্ধ কৰি তুলিছিল।

২৯ জানুৱাৰী তাৰিখে ছাত্ৰ একতা সভাৰ উদ্যোগত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী আইৰ পূজা ভাগ অতি সুন্দৰ আৰু নিয়াৰিকৈ অনুষ্ঠিত হয়।

কৰোণা মহামাৰী সময়ছোৱাত ছাত্ৰ একতা সভা আৰু মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্তৃপক্ষৰ সহযোগত মাস্ক আৰু চেনিটাইজাৰ বিতৰণৰ লগতে জনসাধাৰণক সজাগ কৰিবৰ বাবে বিভিন্ন পদক্ষেপ হাতত লোৱা হৈছিল লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে মই শিক্ষক শিক্ষয়িত্ৰীসকলৰ পৰামৰ্শ মৰ্মে অনলাইন ক্লাছৰ সুবিধা কৰি দিছিলোঁ। মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ আৰু প্ৰথম ষান্মাষিকৰ নামভৰ্ত্তি ছাত্ৰ-ছাত্ৰী সকলৰ সুবিধাৰ্থে মহাবিদ্যালয়ৰ প্ৰাঙ্গনত ছাত্ৰ একতা সভাৰ উদ্যোগত নামভৰ্তি সহায়ক এটি কেন্দ্ৰ মুকলি কৰিছিলো আৰু এই কেন্দ্ৰৰ জৰিয়তে বহুতো ছাত্ৰ-ছাত্ৰীক সহায় কৰিবলৈ সক্ষম হৈছিলো।

কৰোণা মহামাৰীৰ ফলত সৃষ্টি হোৱা ভয়ংকৰ পৰিৱেশৰ বাবে ৪৮ সংখ্যক প্ৰতিষ্ঠা দিৱস অনুষ্টোপিয়াকৈ পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, বন্তি প্ৰজ্বলন আদি কাৰ্য্যসূচীতে সামৰি উদ্‌যাপন কৰা হৈছিল। সাধাৰণ সম্পাদক হিচাপে মোৰ শেষৰটি কাৰ্যসূচী আছিল নৱাগত আদৰণি সভা। ১২ ফেব্ৰুৱাৰী ২০২১ তাৰিখে আটক ধুনীয়াকৈ আয়োজন কৰা হৈছিল। উক্ত সভাত মুখ্য অতিথি হিচাপে উপস্থিত আছিল সদৌ অসম ছাত্ৰ সন্থাৰ সন্মানীয় সভাপতি দীপাংক কুমাৰ নাথ ডাঙৰীয়া। সভাৰ অন্তত বৰ্ণাঢ্য কাৰ্য্যসূচীৰে আয়োজন কৰা হৈছিল এক সাংস্কৃতিক অনুষ্ঠান। সাংস্কৃতিক অনুষ্ঠানত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী সানিধ্য ভূঞাৰ গীত পৰিৱেশনে সকলোকে আপ্লুত কৰিছিল।

গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতি কৰিব লগীয়া বহুতো সপোন বুকুৰ মাজত থাকিল। কৰোণা মহামাৰীৰ ফলত আমাৰ ছাত্ৰ একতা সভাৰ কাৰ্যকালৰ অধিকাংশ সময়েই মহাবিদ্যালয় বন্ধ অৱস্থাতে পাৰ হ'ল বুলি ক'ব পাৰি। তথাপিও সাধাৰণ সম্পাদকৰ প্ৰতিটো দায়িত্ব আৰু কৰ্তব্য নিষ্ঠাসহকাৰে কৰি যোৱাৰ চেষ্টা কৰিছিলো। ছাত্ৰ ছাত্ৰীৰ প্ৰতিটো সমস্যাক নিজৰ সমস্যা ৰূপে সমাধান কৰাৰ চেষ্টা কৰিছিলো। সাধাৰণ সম্পাদক হিচাপে কিমানদূৰ সফল হ'ব পাৰিছো সেইয়া আপোনালোকে বিচাৰ কৰিব, কিন্তু সদায় প্ৰতিটো সময়ত সমূহ বাণিজ্যয়ানৰ কাষত আছিলো, আছো আৰু থাকিম। সাধাৰণ সম্পাদক হিচাপে কাৰ্যকালত থকা সময়চোৱাত বহুতো নজনা কথা শিকিলো। জীৱনত বহুতো নতুন নতুন অভিজ্ঞতা লাভ কৰিবলৈ সক্ষম হ'লো। ২৪/১০/২০১৯ ৰ পৰা ১২/২/২০২১ৰ লৈকে মোৰ এই প্ৰায় ডেৰ বছৰৰ কাৰ্যকালত মোক প্ৰতিটো ক্ষেত্ৰত সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ছাৰকে প্ৰমুখ্য কৰি সকলো শিক্ষাগুৰু মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ তথা সমূহ বাণিজ্যিয়ান, প্ৰাক্তন বাণিজ্যিয়ানৰ ওচৰত মই চিৰকৃতজ্ঞ। মই চিৰকৃতজ্ঞ আমাৰ ছাত্ৰ একতা সভাৰ প্ৰতিজন সদস্যৰ ওচৰত যাৰ সহায় সহযোগিতা, দিহা পৰামৰ্শ অবিহনে আমাৰ ছাত্ৰ একতা সভাখন কেতিয়াও আগুৱাই যাব নোৱাৰিলে হয়।

আকৌ কওঁ, সাধাৰণ সম্পাদক হিচাপে কিমান সফল সেইয়া আপোনালোকে বিচাৰ কৰিব কিন্তু ভৱিষ্যতেও আপোনালোকে সদায় মোক আপোনালোকৰ কাষত পাব। আগন্তুক দিনত আগুৱাই যোৱাৰ ক্ষেত্ৰত আপোনালোক সকলোৰে সহায়-সহযোগিতা, দিহা পৰামৰ্শ আন্তৰিকতাৰে কামনা কৰিলোঁ। শেষত যদিহে কেতিয়াবা ভুলক্ৰমে কৰ্তব্যৰ তাড়ণাত পৰি জ্যেষ্ঠ জনৰ ওচৰত অবাধ্য আৰু কনিষ্ঠ জনৰ প্ৰতি কঠোৰ হৈছিলো, সেয়ে সকলোৰে ওচৰত এই সুযোগতে ক্ষমা বিছাৰিলো।

।। জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়।।

।। জয়তু ছাত্ৰ একতা সভা।।

।। জেউতি চৰাই যাওঁ।।

।। জয় আই অসম।।

**বিশ্বজিৎ আগৰৱালা**
সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা ২০১৯-২০ বৰ্ষ

# সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন...

জয়জয়তে যিসকল মহান ব্যক্তিৰ ত্যাগৰ বিনিময়ত গোলাঘাট বাণিজ্য মহাবিদ্যালয়খনি গঢ় লৈ উঠিলে সেই মহান ব্যক্তি, শিক্ষাবিদ, সমাজকৰ্মীসকলক মই অভিনন্দন জ্ঞাপন কৰিছোঁ। এই মহাবিদ্যালয়খনিয়ে বহুতো ছাত্ৰ-ছাত্ৰীৰ জীৱনত পোহৰ তুলিবলৈ সক্ষম হৈছে।

২০১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ 'সহকাৰী সাধাৰণ সম্পাদিকা'ৰূপে মই এটি গধুৰ দায়িত্ব গ্ৰহণ কৰিছিলো। শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সহায় সহযোগিতা, মৰম আৰু অনুপ্ৰেৰণা পাই মই মোৰ কাৰ্যভাৰ চলাই নিয়াত যথেষ্ট সুবিধা পাইছিলো। তেখেতসকলৰ ওচৰত সেয়ে মই সদায় চিৰ কৃতজ্ঞ। কিন্তু Covid - 19 (ক'ৰোণা মহামাৰী)ৰ কাৰণে বিদ্যালয়খনিত বেছিদিন কাৰ্যভাৰ গ্ৰহণ কৰিব নোৱাৰিলো। হঠাৎ মহাবিদ্যালয় বন্ধ হৈ গ'ল। তিনিটা বছৰৰ সলনি মহাবিদ্যালয়ত মই ডেৰটা বছৰহে যাব পাৰিলো। সেই অলপ দিনতে মই মহাবিদ্যালয়খনিৰ পৰা সকলো দিশতে যথেষ্ট জ্ঞান আহৰণ কৰিলো। এটা গধুৰ দায়িত্ব যথেষ্ট নিষ্ঠা সহকাৰে পালন কৰিবলৈ চেষ্টা কৰিছিলো। মোৰ কাৰ্য-কালত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতাত যেনে - দৰা-কইনা প্ৰতিযোগিতা, ভেশচন, কাবাদী, ৰচী টনা আদিত অংশ গ্ৰহণ কৰিছিলো লগতে বিভিন্ন অনুষ্ঠানসমূহ অনুষ্ঠিতও কৰিছিলো।

এই কাৰ্যকালৰ সময়চোৱাত মোৰ অজানিতে হৈ যোৱা ভুল-ক্ৰটীৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমা বিচাৰিছো।

আপোনালোকৰ আশীৰ্বাদেই মোৰ ভৱিষ্যৎ জীৱনটো আগুৱাই লৈ যাব পাৰিম বুলি ভাবিছো। সদৌ শেষত সকলোকে প্ৰণাম জনাই মহাবিদ্যালয়খনি যাতে এখন জাকত-জিলিকা প্ৰতিষ্ঠান হৈ উঠে তাৰ কামনাৰে শেষত মোৰ প্ৰতিবেদন সামৰণি মাৰিছো।

সংগ্ৰাম যদি জীৱনৰ এটি নাম
সেই সংগ্ৰাম হওক তোৰ প্ৰিয়
দুই হাতে চকু দুটি ঢাকি ধৰি তই
অকলে উচুপনো কিয়?
- ড° ভূপেন হাজৰিকা।

তব্বাচুম নুৰিন
সহঃ সাধাৰণ সম্পাদক
২০১৯-২০ বৰ্ষ

# আলোচনী বিভাগৰ সম্পাদকৰ প্ৰতিবেদন...

শিক্ষাৰ পোহৰেৰে, জ্ঞানৰ সাহসেৰে মনত সত্য নিষ্ঠতা লৈ আজি ওলাই আহিছে সহস্ৰ তাৰকা সমাজ সাধনৰ দিশে।

গোলাঘাট জিলাত ছাত্ৰ-ছাত্ৰীৰ মাজত জ্ঞানৰ পোহৰ সিঁচাৰ উদ্দেশ্যেৰে আজিৰ পৰা প্ৰায় ৪৯ বছৰ আগতে স্থাপিত কৰা হৈছিল গোলাঘাট বাণিজ্য মহাবিদ্যালয়, গোলাঘাট জিলাৰ বাণিজ্য শিক্ষাৰ প্ৰথমখন শিক্ষানুষ্ঠান স্থাপনৰ ক্ষেত্ৰত যিসকল হিতাকাঙ্খী মনীষী জড়িত আছিল তেওঁলোকক গভীৰ শ্ৰদ্ধা নিবেদন কৰিছো।

এখন মহাবিদ্যালয়ৰ সহস্ৰ ছাত্ৰ-ছাত্ৰীক প্ৰতিনিধিত্ব কৰাৰ সৌভাগ্য লাভ কৰিছিলো। সকলোৰে সহায়-সহযোগিতা, উৎসাহ, প্ৰেৰণা, উপদেশৰ মাজেৰে গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ২০১৯-২০ বৰ্ষৰ আলোচনী সম্পাদকৰ দৰে এটা গুৰুত্বপূৰ্ণ পদত নিৰ্বাচিত হৈছিলো। প্ৰতিশ্ৰুতিবদ্ধ হৈছিলো, মহাবিদ্যালয়খনৰ উন্নতিৰ দিশত বিশেষকৈ সাহিত্যিক জগতখনৰ উত্তৰণৰ দিশত কাম কৰি যোৱাৰ বাবে।

আলোচনী সম্পাদিকা হিচাপে মহাবিদ্যালয়ৰ প্ৰতি থকা দায়িত্ব পালন কাৰ প্ৰথম সুবিধা পাইছিলো। মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'পানচৈ' প্ৰস্তুতৰ যোগেদি। দেৱাল আলোচনীখন প্ৰস্তুত কৰাত সকলোৰে যথেষ্ট সহায় সহযোগিতা আগবঢ়াইছিল। বিশেষকৈ মোৰ অগ্ৰজ 'ভৈৰৱ দা, শ্বাকীল দা, উদয়াদিত্য দা, বন্ধু স্বাধীন, জয়া আৰু তাৰকিচৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম। মহাবিদ্যালয়ত সাহিত্যৰ ক্ষেত্ৰত অতিকৈ গুৰুত্বপূৰ্ণ অনুষ্ঠান আছিল বাৰ্ষিক 'মহাবিদ্যালয় সপ্তাহ'। মহাবিদ্যালয় সপ্তাহত সাহিত্যৰ উত্তৰণৰ বাবে বিভিন্ন সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। থলীতে লিখা সাহিত্য প্ৰতিযোগিতাৰ ভিতৰত অৰ্ন্তভুক্ত আছিল - থলীতে লিখা গল্প, শ্ল'গান, কবিতা আৰু কবিতা আবৃত্তি প্ৰতিযোগিতা। সকলো প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলৰ পৰা লাভ কৰিছিলো ইতিবাচক সঁহাৰি।

সাহিত্য প্ৰতিযোগিতাৰ উপৰিও অনুষ্ঠিত কৰিছিলো মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ প্ৰাচীৰ পত্ৰিকাৰ প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত শ্ৰেষ্ঠ প্ৰাচীৰ পত্ৰিকাৰ সন্মান লাভ কৰে "অসমীয়া বিভাগৰ" 'পাভতি' য়ে দ্বিতীয় শ্ৰেষ্ঠ প্ৰাচীৰ পত্ৰিকা সন্মান লাভ কৰে "ইংৰাজী বিভাগ"ৰ ফ'ৰেনিক্স। শ্ৰেষ্ঠ অলংকাৰণৰ সন্মান লাভ কৰিছিল ভূগোল বিভাগৰ 'ধনশিৰি'য়ে তদুপৰি সাহিত্যৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আগ্ৰহ বৃদ্ধি কৰিবলৈ প্ৰাচীৰ-পত্ৰিকা প্ৰতিযোগিতাত কেইবাটাও শিতানৰ মাজত প্ৰতিযোগিতা হৈছিল। সেই সমূহ হ'ল শ্ৰেষ্ঠ বেটুপাত, প্ৰবন্ধ ৰচনা, কবিতা, গল্প, সম্পাদকীয় আৰু আখৰ বিন্যাস। প্ৰাচীন প্ৰত্ৰিকা প্ৰতিযোগিতাই সৃষ্টি কৰে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিয়াহীৰে সৃষ্টিৰ পথাৰ ৰচনা কৰাৰ প্ৰতিযোগিতা। এনে প্ৰতিযোগিতাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ মনত সৃষ্টিশীলতা, শব্দ-বাক্যৰ উন্নীতকৰণ, সাহিত্যিক পৰিৱেশৰ সৃষ্টি কৰিব পাৰে।

বাণিজ্যিয়ানৰ মুখপত্ৰ "জ্যোতিষ্মান" এনে এটা ৰূপত গঢ় দিব বিচাৰিছিলো, য'ত লাভ কৰে বাণিজ্যিয়ানে নিজৰ সৃষ্টি প্ৰকাশৰ সুবিধা। বিগত বৰ্ষতকৈ জ্যোতিষ্মানক এক নতুন আৰু ব্যতিক্ৰমী ৰূপ দিয়াই হৈছে মোৰ প্ৰধান লক্ষ্য।

৪৮ তম জ্যোতিষ্মানৰ জৰিয়তে বহুতো নতুন তথ্য তথা ধাৰণা দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে। এই আলোচনীয়ে বানিজ্যিয়ানৰ বৌদ্ধিক জগতখনত ধনাত্মক প্ৰভাৱ পেলাইলৈ সক্ষম হ'ব বুলি মই আশাবাদী।

ব্যক্তিগত ঃ

সৰুৰে পৰা বাণিজ্য শিক্ষাৰ প্ৰতি থকা আগ্ৰহে মোক 'গোলাঘাট বাণিজ্য মহাবিদ্যালয়'ৰ কাষ চপাই আনিছিল। ভয়, শংকাৰ মাজেৰে প্ৰৱেশ কৰিছিলো এখন চিৰ পৰিচিত অথচ নতুন জগতত। কিন্তু লাহে লাহে অধিক আপোন হৈ পৰিছিল এই মহাবিদ্যালয়খন। খাপ খাই পৰিছিলো কৰ্মাচ কলেজৰ হৃদয়স্পৰ্শী, বৌদ্ধত্বপূৰ্ণ পৰিৱেশটোৰ সৈতে।

সাহিত্যৰ প্ৰতি থকা আগ্ৰহ যথেষ্ট পুৰণা যদিও উচ্চতৰ মাধ্যমিকৰ বাণিজ্য শাখাৰ প্ৰথম বৰ্ষত নামভৰ্তি কৰাৰ সময়ত কেতিয়াও সহস্ৰ ছাত্ৰৰ প্ৰতিনিধি হোৱাৰ ধাৰণা মনত নাছিল। মাথো সহজ সৰল আত্মকেন্দ্ৰিক চিন্তা লৈ আগবাঢ়ি গৈছিলো। কিন্তু লাহে লাহে মহাবিদ্যালয়খনৰ আত্মবিশ্লেষনাত্মক পৰিৱেশত অনুভৱ কৰিছিলো ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সাহিত্যৰ যোগেদি নিজৰ দায়িত্ব পালন কৰাৰ এক দুৰ্বাৰ হেঁপাহ। আৰু এই অনুভৱৰ বশৱৰ্তী হৈ আলোচনী সম্পাদিকাৰ মনোনয়ন পত্ৰ দাখিল কৰিছিলো। নিৰ্বাচনী প্ৰচাৰত সন্মুখীন হৈছিলো বহু প্ৰশ্নৰ - "আলোচনী সম্পাদিকা হৈ পৰিটিক্স কৰিবা নেকি?" ৰাজনীতি (পলিটিক্স) কৰাৰ কোনো আগ্ৰহ বা হেপাহ মোৰ কোনোদিনে নাই। আছে মাথো সপোন "জ্যোতিষ্মান"ৰ লগতহে।

নিৰ্বাচনত জয়ী হ'বলৈ সক্ষম হৈছিলো আৰু আৰম্ভ হৈছিল দায়িত্বভাৰ গ্ৰহণেৰে এক নতুন জীৱনৰ। জড়িত হৈছিলো সহস্ৰ বাণিজ্যিয়ানৰ আৱেগৰ সৈতে। প্ৰতিজ্ঞাবদ্ধ হৈছিলো কৰ্মাচ কলেজৰ ছাত্ৰ-ছাত্ৰীৰ মাজত।

৪৮ তম "জ্যোতিষ্মান"ৰ প্ৰকাশৰ ক্ষেত্ৰত বহুতো কৰিবলগীয়া আছিল যদিও 'ক'ৰণা' মহামাৰীৰ ত্ৰাসত পৰি আমি বহুখিনি পিছ পৰি ৰৈছিলো। এটা সময়ত মহাবিদ্যালয়লৈ বহু কম সংখ্যক ছাত্ৰ-ছাত্ৰীহে আহিছিল। কিন্তু তাৰ পাছতো 'ইন্টাৰনেট'ৰ যোগেদিও বহুখিনি লিখনি সংগ্ৰহ কৰিছিলো। ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট আগ্ৰহেৰে নিজৰ লিখনি সমূহ মোক প্ৰদান কৰিছিল। কিন্তু তাক ভিতৰত কিছু

সংখ্যক লিখনি মানদণ্ডৰ অভাৱৰ বাবে প্ৰকাশ কৰিব নোৱাৰিলো। সেইসকল লেখকৰ ওচৰত আমি ক্ষমাপ্ৰাৰ্থী।

আলোচনী প্ৰস্তুতকৰণৰ এই সময়চোৱাত মোক তেওঁলোকৰ উপদেশ, সহায়-সহযোগিতা, উৎসাহেৰে অনুপ্ৰাণিত কৰা প্ৰত্যেকজন শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই চিৰকৃতজ্ঞ। বিশেষকৈ আলোচনী প্ৰস্তুতকৰণৰ প্ৰস্তুতি চলোৱাৰ আগৰে পৰা মোৰ লগত ছাঁৰ দৰে থাকি মোক উৎসাহ যোগোৱা, সহায় কৰা, প্ৰতিটো নতুন কথা শিকাই দিয়া শ্ৰদ্ধাৰ দিপালী গগৈ বাইদেউ আৰু অৰ্চনা বাইদেউলৈ মোৰ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা থাকিল। তেওঁলোকৰ ওচৰত মই চিৰঋণী। মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰদ্ধাৰ 'উৎপল শৰ্মা' ছাৰক ধন্যবাদ জনাইছো।

মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা প্ৰাচীৰ-পত্ৰিকা প্ৰতিযোগিতাৰ বিচাৰকৰ আসন গ্ৰহণ কৰা গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ ধ্ৰুৱ কুমাৰ চৰ্দাৰ আৰু দিগন্ত শইকীয়া ছাৰক আমাৰ কৃতজ্ঞতা জনাইছো। তদুপৰি মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা সাহিত্য প্ৰতিযোগিতা বিচাৰকৰ ভূমিকা পালন কৰা শ্ৰদ্ধাৰ 'অনামিকা হাজৰিকা অৰিন্দম বৰা, হিমাদ্ৰী গগৈ, বন্তী কলিতা বাইদেউৰ ওচৰত মই চিৰকৃতজ্ঞ।

আলোচনী সম্পাদকৰ দৰে এটা গাম্ভীৰ্যপূৰ্ণ দায়িত্ব গ্ৰহণৰ ক্ষেত্ৰত মোক মানসিকভাৱে প্ৰস্তুত কৰি তোলাৰ বাবে মোৰ সকলো বন্ধু-বান্ধৱী আৰু সকলো বাণিজ্যিয়ান বিশেষকৈ দেৱাশীষ দাদা আৰু বিকাশ দাদাৰ ওচৰত মই চিৰকৃতজ্ঞ আৰু চিৰঋণী।

আলোচনী সম্পাদনাৰ ক্ষেত্ৰত সহায় কৰা জুৰী ঢেকীয়াল ফুকন আৰু প্ৰভাতী অফচেটৰ সমূহ সদস্যৰ ওচৰত আমি চিৰকৃতজ্ঞ।

সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰিলো।

"জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়"

"জয়তু বাণিজ্যিয়ান"

**বন্যা হাজৰিকা**
**আলোচনী সম্পাদিকা**
২০১৯-২০ বৰ্ষ

# সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন...

প্ৰতিবেদনৰ আৰম্ভণিতে মই গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত পুনাৰাম নেওগ ছাৰৰ লগতে যিসকল ব্যক্তিৰ মহান ত্যাগ আৰু ঐকান্তিক প্ৰচেষ্টাৰ ফলত জ্ঞানৰ মন্দিৰ ঐতিহ্যমণ্ডিত গোলাঘাট বাণিজ্য মহাবিদ্যালয় প্ৰতিষ্ঠা হ'ল, তেখেতসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু ভক্তি জ্ঞাপন কৰিছোঁ।

২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সংগীত বিভাগৰ সম্পাদক পদটিত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈ নিজ কাৰ্য সুকলমে পালন কৰাৰ প্ৰতিশ্ৰুতিৰে কাৰ্যভাৰ গ্ৰহণ কৰোঁ। ছাত্ৰ একতা সভাৰ মাধ্যমেৰে বহু নজনা কথা শিকিবলৈ সুযোগ পালো। কাৰ্যকালত প্ৰতিটো সময়তে মহাবিদ্যালয়ৰ সন্মান, নিয়মানুৱৰ্তিতা তথা উন্নতিৰ হকে কাম কৰিবলৈ সদায় চেষ্টা কৰিছিলো।

মহাবিদ্যালয় সপ্তাহতেই কাৰ্যভাৰ গ্ৰহণ কৰোঁ। মহাবিদ্যালয় সপ্তাহত সংগীতৰ বিভিন্ন বিভাগ- আধুনিক জ্যোতি সংগীত, বৰগীত, বিষ্ণুৰাভা সংগীত, ভূপেন্দ্ৰ সংগীত, লোকগীত আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল মোৰ কাৰ্যকালত বিভাগীয় উপদেষ্টা অধ্যাপিকা অনামিকা হাজৰিকা বাইদেউ আৰু সোনাশ্ৰী দাস বাইদেউ যিদৰে মোক দিহা-পৰামৰ্শ আৰু সহায় সহযোগিতা আগবঢ়ালে তাৰ বাবে মই সদায় কৃতজ্ঞ হৈ ৰ'ম। লগতে মহাবিদ্যালয় সমূহ ছাত্ৰ-ছাত্ৰীৰ আৰু ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়ালৈ আন্তৰিক অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আৰু মোৰ কাৰ্যকালত হৈ যোৱা অনিচ্ছাকৃত ভুল-ক্ৰটিৰ বাবে সকলোৰে পৰা ক্ষমা প্ৰাৰ্থনা বিচাৰিছো। মহাবিদ্যালয়ৰ ভৱিষ্যৎ গৌৰবোজ্জ্বল হোৱাৰ কামনাৰে মই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**ৰূপম গগৈ**
**সম্পাদক সংগীত বিভাগ**
২০১৯-২০ বৰ্ষ

# গুৰু ক্ৰীড়া বিভাগৰ প্ৰতিবেদন...

জয়জয়তে কলমটো হাতত তুলি লৈ সেইসকল ব্যক্তিলৈ শ্ৰদ্ধা জনাইছো, যিসকলৰ প্ৰচেষ্টাত এদিন আমাৰ হেঁপাহৰ গোলাঘাট বাণিজ্য মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছিল। লগতে মহাবিদ্যালয়ৰ শিক্ষাগুৰু তথা কৰ্মচাৰীবৃন্দলৈ শ্ৰদ্ধা জনাইছো।

২০১৯-২০ বৰ্ষৰ গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ লঘু আৰু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দিতাৰে জয়লাভ হৈ মহাবিদ্যালয়ৰ বাবে সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে সমূহ বাণিজ্যিয়ানৰ ওচৰত মই চিৰকৃতজ্ঞ।

লঘু আৰু ক্ৰীড়া বিভাগৰ দায়িত্ব লোৱাৰ কিছুদিনৰ পাছতে ডিব্ৰু মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বক্সিং প্ৰতিযোগিতা লৈ আমাৰ মহাবিদ্যালয়ৰ পৰা ছাত্ৰ-ছাত্ৰী পঠিওৱা হৈছিল। উক্ত প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী অনামিকা ওৱাংৰে সোণৰ পদক অৰ্জন কৰিছিল। ইয়াৰ উপৰিও মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহত শ্ৰেষ্ঠ খেলুৱৈ হিচাপে লাচিত বাউৰি আৰু নৃপেন দেউৰীয়ে। ছাত্ৰী হিচাপে গীতাশ্ৰী শইকীয়াই শ্ৰেষ্ঠ খেলুৱৈ সন্মান লাভ কৰে।

কভিড পৰিস্থিতিৰ ভয়াবহতাৰ বাবে মোৰ কাৰ্যকালত বৰ বিশেষ প্ৰতিযোগিতা অনুষ্ঠিত কৰিব নোৱাৰিলো।

সদৌ শেষত মোৰ কাৰ্যকালত প্ৰতিটো ক্ষেত্ৰতে উপদেশ আৰু সহায়. কৰা সীমান্ত হাজৰিকা ছাৰ, আফতাব ৰহমান ছাৰ। এই মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ লগতে প্ৰাক্তন অধ্যক্ষ অনুপ কুমাৰ দাস ছাৰক ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত জ্যোতিষ্মানলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। ঐতিহ্যমণ্ডিত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ভৱিষ্যৎ উজ্জ্বল কামনা কৰিলোঁ।

জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়

**ইহান ৰাছবিৰ আলি**
**সম্পাদক, গুৰু ক্ৰীড়া বিভাগ**
২০১৯-২০ বৰ্ষ

# লঘু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন...

প্ৰতিবেদনৰ আৰম্ভণিতে মই গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি উপাধ্যক্ষ মহোদয়, চিৰপূজনীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, মৰমৰ বন্ধু-বান্ধৱী, ভাইটি-ভন্টী, দাদা-বাইদেউ আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়-ববীয়াক আৰু বিভাগীয় উপদেষ্টা সকলোলৈকে আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মই লঘু ক্ৰীড়া বিভাগত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈ মহাবিদ্যালয়ৰ হকে ক্ৰীড়াৰ ক্ষেত্ৰখনত সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে সমূহ বাণিজ্যিয়ানৰ ওচৰত চিৰকৃতজ্ঞ।

মোৰ কাৰ্যকালত বহু নতুন তিতা মিঠা স্মৃতি আৰু নতুন অভিজ্ঞতাৰে পৰিপক্ক হৈছিলো। লঘু আৰু ক্ৰীড়া বিভাগৰ দায়িত্ব লোৱাৰ কিছুদিনৰ পিছতে ডিব্ৰু-কলেজত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় 'বক্সিং' প্ৰতিযোগিতাত আমাৰ কলেজৰ পৰা দুজন প্ৰতিযোগিয়ে যোগদান কৰিছিল তেওঁলোক দুজন ক্ৰমে কল্লোল জ্যোতি খাউণ্ড আৰু অনামিকা উৰাং। তেওঁলোক দুয়োজনে সোণৰ পদক লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। ইয়াৰ উপৰি মহাবিদ্যালয় সপ্তাহত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সুবিধা লাভ কৰিছিলোঁ।

ক্ৰীড়া হ'ল এটা জাতি, এখন দেশ আৰু ৰাষ্ট্ৰৰ এক অবিচ্ছেদ্য অংগ। ক্ৰীড়া হৈছে শাৰীৰিক, মানসিক বিকাশ কেন্দ্ৰ। ক্ৰীড়াক বৃত্তি হিচাপেও ল'ব পাৰি। আজিৰ সময়ত স্কুল, কলেজ, মহাবিদ্যালয় সমূহত ক্ৰীড়াক যথেষ্ট গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে।

মোৰ কাৰ্যকালত সকলো ক্ষেত্ৰত সহায় সহযোগিতা কৰা ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকল, দাদা-বাইদেউ, বন্ধু-বান্ধৱী, শিক্ষা গুৰুসকল আৰু শ্ৰীমন্ত প্ৰসাদ হাজৰিকা ছাৰ আৰু উপদেষ্টা দিবেনদু পালিত ছাৰ আৰু ড° ৰিংকি দাস বাইদেউক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত, বিভিন্ন সময়ত অজানিতে বৈ যোৱা ভুল ত্ৰুটিৰ বাবে মই সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী। মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

জয়তু বাণিজ্য মহাবিদ্যালয়।

জয়তু ছাত্ৰ একতা সভা।

জয় আই অসম।

**ৰক্তিম দাস**
সম্পাদক, লঘু ক্ৰীড়া বিভাগ
২০১৯-২০ বৰ্ষ

# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন...

হে শ্বহীদ প্ৰণামো তোমাক, প্ৰতিবেদনৰ আৰম্ভণিতে বীৰ সংগ্ৰামী, স্বদেশপ্ৰেমী আৰু জাতিৰ হকে সংগ্ৰাম কৰি দেশমাতৃৰ বুকুত প্ৰাণ আহুতি দিয়া সকলো শ্বহীদলৈ মোৰ শ্ৰদ্ধা নিবেদিলোঁ।

জয়জয়তে ঐতিহ্যমণ্ডিত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় প্ৰমুখ্যে উপাধ্যক্ষ মহোদয়, মোৰ চিৰপূজনীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ আৰু বন্ধু-বান্ধৱীৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ শ্ৰদ্ধা আৰু মৰম জনালো।

২০১৯-২০২০ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মই সমাজ-সেৱাৰ সম্পাদিকা হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰি নিজ কাৰ্য সুকলমে পালন কৰাৰ প্ৰতিশ্ৰুতিৰে নিজ কাৰ্যভাৰ গ্ৰহণ কৰিলোঁ। যদিও মোৰ ধাৰণাৰে বহুতো ক্ষেত্ৰত সফল হ'ব নোৱাৰিলো।

২০১৯-২০২০ বৰ্ষৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ লগত সংগতি ৰাখি বিভিন্ন প্ৰতিযোগিতাৰ ভিতৰত মেহেন্দী, টেকেলী ভঙা, দৰা-কইনা, ৰংগোলি, ৰচি টনা আদি প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰিবলৈ মই দায়িত্ব পালন কৰিছিলোঁ। মোৰ কাৰ্যকালত মহাবিদ্যালয়খনৰ বাবে মই কি কৰিব পাৰিলোঁ; সেয়া আপোনালোকৰ বিশ্বাৰ্য। মোৰ কাৰ্যকালত মোৰ বিভাগীয় উপদেষ্টা অধ্যাপিকা নীতিমা শৰ্মা বাইদেউৰে যিদৰে মোক প্ৰতিটো দিশত সহায়-সহযোগ আৰু সু-পৰামৰ্শ আগবঢ়ালে তাৰ বাবে মই চিৰকৃতজ্ঞ। তদুপৰি মোৰ কাৰ্যকালত প্ৰতি মুহূৰ্তত সহায় আগবঢ়োৱা অধ্যাপক-অধ্যাপিকা, শ্ৰদ্ধাৰ দাদা-বাইদেউ আৰু বন্ধু-বান্ধৱীসকললৈ ধন্যবাদ আৰু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

"জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যাল।"

"জয়তু ছাত্ৰ একতা সভা।"

"জয় আই অসম।"

**হিমাদ্ৰী সৰকাৰ**
**সম্পাদিকা, সমাজসেৱা বিভাগৰ**
২০১৯-২০ বৰ্ষ

# তৰ্ক আৰু আলোচনা চক্ৰ সম্পাদকৰ প্ৰতিবেদন...

ভাষা আৰু শব্দৰ গাঁঠনিৰে প্ৰত্যয় আৰু সন্ধিৰ উপযুক্ত প্ৰয়োগেৰে এখন প্ৰতিবেদনৰ ৰূপ লোৱাৰ প্ৰাকমুহূৰ্তত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যাপক প্ৰয়াত পুনাৰাম নেওগ ছাৰৰ লগতে যিসকল ব্যক্তিৰ মহান ত্যাগ আৰু ঐকান্তিক প্ৰচেষ্টাৰ ফলত জ্ঞানৰ মন্দিৰ ঐতিহ্যমণ্ডিত গোলাঘাট বাণিজ্য মহাবিদ্যালয় প্ৰতিষ্ঠা হ'ল, সেইসকল মহান ব্যক্তিলৈ পোন প্ৰথমে মই আন্তৰিক শ্ৰদ্ধা আৰু সেৱা জনাইছোঁ। মহাবিদ্যালয়ৰ তদানীন্তন অধ্যক্ষ শ্ৰীযুত অনুপ কুমাৰ দাস ছাৰ, উপাধ্যক্ষ পৰেশ শইকীয়া ছাৰ আৰু বৰ্তমানৰ অধ্যক্ষ ড° উৎপল শৰ্মা ছাৰ, উপাধ্যক্ষ ড° প্ৰদীপ বৰঠাকুৰ ছাৰকে প্ৰমুখ্য কৰি বিভাগীয় উপদেষ্টা অধ্যাপক ভাস্কৰজ্যোতি কাকতি ছাৰ আৰু নন্দিনী বৰুৱা বাইদেউ তথা মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰী বৃন্দলৈও মই মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা যাচিছোঁ।

২০১৯-২০ বৰ্ষত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাত বিনা প্ৰতিদ্বন্দ্বিতাৰে তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ ইমান এক গধুৰ দায়িত্ব অৰ্পণ কৰাৰ সুবিধা প্ৰদানৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই চিৰকৃতজ্ঞ। বিভিন্ন সময়ত প্ৰাক্তন আৰু বৰ্তমানৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া তথা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে আগবঢ়োৱা সহায় সহযোগিতাবোৰো মোৰ বাবে আশীৰ্বাদ আছিল। বিভাগীয় কাৰ্যসূচীত সকলো ফালৰ পৰা সম্ভৱপৰ সহায়েৰে মোক কৃতাৰ্থ কৰা বিভাগীয় উপদেষ্টা সকলৰ ওচৰতো মই চিৰঋণী হৈ ৰ'ম।

কাৰ্যভাৰ গ্ৰহণৰ পাছৰে পৰা, নিজৰ কৰণীয়খিনিক নিঁখুতভাৱে পালন কৰাত কোনো দিনেই কুণ্ঠাবোধ কৰা নাছিলোঁ। বিভিন্ন সময়ত নানান কাৰ্যসূচীৰ জৰিয়তে নিজৰ দায়িত্বখিনিক নিষ্ঠা আৰু সততাৰে পালন কৰি গৈছিলো। তলত তেনে কিছু কাৰ্যসূচীৰ আভাস দাঙি ধৰা হ'ল -

(১) বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ উপলক্ষে মহাবিদ্যালয়ৰ ছাত্ৰ-চাত্ৰীৰ মাজত তৰ্ক প্ৰতিযোগিতা।
(২) আকস্মিক বক্তৃতা প্ৰতিযোগিতা।
(৩) কুইজ প্ৰতিযোগিতা।
(৪) বক্তৃতা প্ৰতিযোগিতা।

এনেদৰে আৰু নানান সৰু-সুৰা কাৰ্যসূচীৰে মোৰ কাৰ্যকালৰ দায়িত্ব আখৰে আখৰে পালন কৰিছিলো। মহাবিদ্যালয়ৰ সন্মান আৰু মৰ্যাদা অক্ষুন্ন ৰখাৰ ক্ষেত্ৰত সদায়েই মই বদ্ধপৰিকৰ। অজানিতে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থী।

শেষত, ছাত্ৰ একতা সভা তথা মহাবিদ্যালয়ৰ গৌৰৱ আৰু সন্মান অক্ষুণ্ন ৰখাৰ ক্ষেত্ৰত ভৱিষ্যতৰ দিনতো সকলোৰে সম-অংশীদাৰী হোৱাৰ কামনাৰে -

জয়া দলে
সম্পাদিকা, তৰ্ক আৰু আলোচনা চক্ৰ
২০১৯-২০ বৰ্ষ

# ছাত্ৰ জিৰণি কোঠা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন...

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিয়ে আমাৰ মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰি উচ্চ শিক্ষাৰ ক্ষেত্ৰত সমূহ ছাত্ৰ-ছাত্ৰীক সুবিধা তথা উপকাৰ কৰিলে তেওঁলোকক মই শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

জয়জয়তে ঐতিহ্যমণ্ডিত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ত মাননীয় অধ্যক্ষ মহোদয় প্ৰমুখ্যে উপাধ্যক্ষ মহোদয় মোৰ চিৰপূজনীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ আৰু বন্ধু-বান্ধৱীৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ শ্ৰদ্ধা আৰু মৰম জনালো।

২০১৯-২০ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মই ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয় লাভ কৰি নিজ কাৰ্য সুকলমে পালন কৰাৰ প্ৰতিশ্ৰুতিৰে কাৰ্যভাৰ গ্ৰহণ কৰিলো। কিন্তু বিভিন্ন ধৰণৰ অসুবিধাৰ লগতে কৰুণা মহামাৰীৰ বাবে মোৰ কিছু প্ৰতিশ্ৰুতি পূৰণ কৰিব নোৱাৰিলো।

২০১৯-২০ বৰ্ষৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ লগত সংগতি ৰাখি বিভিন্ন প্ৰতিযোগিতাৰ ভিতৰত Volley ball,m kabaddi, Tug of war আদি প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰিবলৈ মই দায়িত্ব লৈছিলো আৰু সেই সমূহত মোক সহায় কৰা বাবে শ্ৰীমন্ত হাজৰিকা ছাৰক বিশেষ ধন্যবাদ দিব বিচাৰো। তদুপৰি মোৰ কাৰ্যকালত সহায় আগবঢ়োৱা অধ্যাপক-অধ্যাপিকা, শ্ৰদ্ধাৰ দাদা-বাইদেউ আৰু বন্ধু-বান্ধৱীসকললৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

প্ৰতিবেদনৰ সামৰণিত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

"জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়।"
"জয়তু ছাত্ৰ একতা সভা।"
"জয় আই অসম।"

স্বাধীন দেৱনাথ
সম্পাদক, ছাত্ৰ জিৰণি কোঠা
২০১৯-২০ বৰ্ষ

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন...

নমস্কাৰ,

জয়জয়তে মই উকা কাগজত চিয়াহীৰে ভৰা কলমেৰে, গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় আৰু উপাধ্যক্ষ মহোদয়ৰ লগতে মোৰ পৰম শ্ৰদ্ধাৰে শিক্ষাগুৰু সকল আৰু কৰ্মকতা তথা মোৰ বন্ধু-বান্ধৱী, ভাইটি-ভন্টি, দাদা-বাইদেউ আৰু একতা সভাৰ সাধাৰণ সম্পাদকক প্ৰমুখ্যে একতা সভাৰ সমূহ বিষয়ববীয়ালৈ মই আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

ঐতিহ্যমণ্ডিত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে ২০১৯-২০ বৰ্ষৰ একতা সভাৰ ছাত্ৰী জিৰণি কক্ষৰ সম্পাদিকা হ'বলৈ পায় মই অতিশয় গৌৰৱান্বিত। মই যদিও বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছিলো। তথাপিও মহাবিদ্যালয়ৰ সমূহ শুভকাংক্ষীয়ে মোক যথেষ্ট পৰিমানে সহায় সহযোগিতা আৰু সু-পৰামৰ্শ আগবঢ়াইছিল। সেয়েহে তেখেত সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ।

বিভাগীয় সম্পাদিকাৰ কাৰ্যভাৰ গ্ৰহণ কৰি মই মোৰ দায়িত্বসমূহ সুচাৰুৰূপে পালন কৰিব প্ৰয়াস কৰিছিলো যদিও মই অনুভৱ কৰিছো কিছু ক্ষেত্ৰত বিফলো হৈছো। মোৰ কাৰ্যকালত মই ছাত্ৰী জিৰণি কক্ষৰ প্ৰস্ৰাৱগাৰৰ পানীৰ ব্যৱস্থা কৰিব নোৱাৰিলোঁ তাৰ বাবে মই বাৰুকৈয়ে দুখী অনুভৱ কৰিছো। সকলোৰে যাতে মোক ক্ষমা কৰি দিয়ে। আগন্তুক দিনবোৰত মাননীয় অধ্যক্ষ মহোদয়ৰ তত্বাৱধানত এই সমস্যা সমাধান হ'ব বুলি মই আশাবাদী। মোৰ কাৰ্যকালৰ প্ৰতিটো খোজতে উপদেষ্টা হিচাপে থাকি সহায় সহযোগিতা আৰু সু-পৰামৰ্শ আগবঢ়োৱা বাবে সমূহ শিক্ষাগুৰু তথা বন্দু-বান্ধৱীসকললৈ অশেষ ধন্যবাদ আৰু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো, আপোনালোকৰ ওচৰত মই চিৰঋণী।

প্ৰতিবেদনৰ সামৰণিত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা মাগিলো। লগতে মোৰ শুভাকাংক্ষী সকলক মোৰ হিয়াভৰা মৰম আৰু শুভকামনা জনালো। সদৌ শেষত আগন্তুক দিনবোৰত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ উপৰিও প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ সু-ভৱিষ্যত আৰু সকলোৰে সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনাৰে মোৰ প্ৰতিবেদন সামৰিলো। ধন্যবাদ।

**জুহি ৰাজবংশী**
**সম্পাদিকা, ছাত্ৰী জিৰণী কক্ষ**
**২০১৯-২০ বৰ্ষ**

# মহাবিদ্যালয় সপ্তাহ - ২০১৯-২০ বৰ্ষৰ
# সাহিত্য প্ৰতিযোগিতাৰ ফলাফল -

**কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ**

**প্ৰথম ঃ** স্বৰ্ণাভ প্ৰিয়ম

**দ্বিতীয় ঃ** জয়া মেচ

**তৃতীয় ঃ** শেৱালীকা বৰা

**থলিতে লিখা গল্প প্ৰতিযোগিতা ঃ**

**প্ৰথম ঃ** দিগন্ত কলিতা

**দ্বিতীয় ঃ** অংকিতা দত্ত

**তৃতীয় ঃ** জাফ্ৰিনা আহমেদ

**থলিতে লিখা কবিতা প্ৰতিযোগিতা ঃ**

**প্ৰথম ঃ** বিশ্বজিত বৰা

**দ্বিতীয় ঃ** সুস্মিতা দেব

**তৃতীয় ঃ** অমৰজিত কটকী

**থলিতে লিখা শ্ল'গান প্ৰতিযোগিতা ঃ**

**প্ৰথম ঃ** ৰিন্টিমণি শৰ্মা

**দ্বিতীয় ঃ** দিগন্ত কলিতা

**তৃতীয় ঃ** সুস্মিতা দেব

## প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাৰ ফলাফল ঃ

**সম্পাদকীয় ঃ**

**প্ৰথম ঃ** শিল্পী গগৈ (ইংৰাজী)

**দ্বিতীয় ঃ** অংকিতা দত্ত, প্ৰিয়ংকা শইকীয়া (অসমীয়া)

**প্ৰবন্ধ ঃ**

**প্ৰথম ঃ** মুনু বা (ইংৰাজী)

**দ্বিতীয় ঃ** সেৱক নন্দা (বেংকিং)

**গল্প ঃ**

অমিয়া বৰা (বেংকিং)

**কবিতা ঃ**

**প্ৰথম ঃ** পৰিস্মিতা হাতীবৰুৱা (অসমীয়া)

**দ্বিতীয় ঃ** পংকজ প্ৰজাপতি (হিন্দী)

**বেটুপাত ঃ**

অসমীয়া বিভাগ (পাভতি)

**অলংকৰণ ঃ**

ভূগোল বিভাগ (ধনশিৰি)

**শ্ৰেষ্ঠ প্ৰাচীৰ পত্ৰিকা ঃ**

**প্ৰথম ঃ** অসমীয়া বিভাগ (পাভতি)

**দ্বিতীয় ঃ** ইংৰাজী বিভাগ (ফ'ৰেনিক্স)

# মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ২০১৯-২০



ৰিণ্টীমণি শৰ্মা
সভাপতি



হৃদয় ৰঞ্জন খাটনীয়াৰ
উপ- সভাপতি



বিশ্বজিৎ আগৰৱালা
সাধাৰণ সম্পাদক



তাব্বাচুম নুৰিন
সহকাৰী সাধাৰণ সম্পাদক



বন্যা হাজৰিকা
আলোচনী সম্পাদক



জয়া দলে
তৰ্ক আৰু আলোচনা চক্ৰ সম্পাদক



চুইটি সাহা
সাংস্কৃতিক সম্পাদক



বিদ্যুৎ কাকতি
ক্ৰিকেট আৰু ফুটবল সম্পাদক



ইহান ৰাছবিৰ আলি
গুৰু ক্ৰীড়া সম্পাদক



ৰক্তিম দাস
আভ্যন্তৰীণ আৰু লঘু ক্ৰীড়া সম্পাদক



হিমাদ্ৰী সৰকাৰ
সমাজসেৱা সম্পাদক



ৰূপম গগৈ
সংগীত সম্পাদক



স্বাধীন দেৱনাথ
ছাত্ৰ জিৰণি কোঠা সম্পাদক



জুহি ৰাজবংশী
ছাত্ৰী জিৰণি কোঠা সম্পাদক


DEPARTMENT OF ENGLISH
PHOENIX
BREAKING BARRIERS
PRIDE


DEPARTMENT OF ACCOUNTANCY
EPISTEME
CFA


DEPARTMENT OF GEOGRAPHY
PASSIVITY MEN




অসমীয়া বিভাগ


- हिन्दी विभाग -